# বাণিজ্য দৰ্পণ

( ডিব্ৰুগড় এইচ, এছ, কানৈ কমাৰ্চ কলেজ আলোচনী )

বছৰেকীয়া প্ৰকাশ

১৯৮৪-৮৫

সমিতি :

পক ... অধ্যাপক, আলোচনী

( উপদেষ্টা )

শ্ৰীঘনশ্যাম অধিকাৰী ( " )

ক ড° কক্ষ্যানন্দ পাঠক ( " )

পিকা শ্ৰীমতী কল্পনা খাউন্দ ( " )

সম্পাদক

শ্ৰী মিঠু ভট্টাচাৰ্য

# —ঃ সূচীপত্ৰ ঃ—


সম্পাদকীয়

নকও

| কবিতা | | পৃষ্ঠা |
| --- | --- | --- |
| মানুহ হুচিয়াৰ | — অধ্যাপক শ্ৰীএচ এল আগৰৱালা | ১ |
| অসমীয়া ডেকাৰ ভক্তি | — ধৈৰ্য্য গগৈ | ১ |
| তুমি মোক নুবুজিবা ভুল | — বিৰিঞ্চি কুমাৰ বৰুৱা | ২ |
| উৎসৰ্গা | — উত্তম কুমাৰ দে | ৩ |
| জননী জন্মভূমি | — দেৱকুমাৰ শৰ্মা | ৪ |
| বন্ধু তোমালৈ | — গোলাপ গগৈ | ৪ |
| মোৰ গল্প | — ছিৰাজুল হুছেইন | ৫ |
| **গল্প** | | |
| এজন বন্ধুৰ কাহিনীৰে | — অধ্যাপক শ্ৰীপ্ৰদীপ কুমাৰ চাহু | ৬ |
| মোহনাৰ দীপ | — অলকা ভট্টাচাৰ্য | ৭ |
| নৈ পাৰৰ চকুলো | — কনক গগৈ | ১১ |
| চিতাৰ জুই | — মনোজ মোহন দত্ত | ১২ |
| সেই দিনাখন ৰাতি | — ৰাধা মাধৱ মজুমদাৰ | ১৬ |
| কপালৰ লিখন নহয় খণ্ডন | — কিশোৰ কুমাৰ বৰঠাকুৰ | ১৯ |
| কল্লোল | — সুমন্ত মাক্ৰাৰী | ৪৯ |
| শুভ বিবাহ | — উৎপল শৰ্মা | ৫৭ |
| **প্ৰবন্ধ** | | |
| শিক্ষা সমাজ আৰু দেশ | — অধ্যাপক শ্ৰীএচ এল আগৰৱালা | ২৪ |
| জ্যোতি প্ৰসাদ মানুহ জন | — দীপক কুমাৰ দাস | ২৮ |
| ক্ৰিকেট আৰু অন্ধ বিশ্বাস: অৰ্থনীতিত ইয়াৰ প্ৰভাৱ | — অজিত কুমাৰ চাহু | ৩১ |
| বিশ্ব ক্ৰিকেটৰ প্ৰবাদ পুৰুষ চাৰ ডন ব্ৰাডম্যান | — সুব্ৰত মুখোপাধ্যায় | ৩৫ |
| বৰ্তমান আমাৰ সমাজ আৰু শিক্ষা | — গোবিন্দ শইকীয়া | ৩৮ |
| সময়ে সৰোৱা পাত | — শিশুপাল দেউৰী | ৪০ |
| চেৰনোবিল বিপৰ্যয় আৰু তাৰ প্ৰতিক্ৰিয়া | — বিজয় কুমাৰ দাস | ৪২ |
| অৱনদ্ধ বাদ্য তবলা আৰু সংগীত | — প্ৰতুল চন্দ্ৰ কলিতা | ৪৪ |
| …বলৰ দেশ ব্ৰাজিল | — বিজয় কুমাৰ দাস | ৪৭ |
| …ম্পাদকীয় প্ৰতিবেদন | | |
| সমাজ কল্যাণ ও সাংস্কৃতিক বিভাগ | — দেৱজিৎ শৰ্মা | ৬৭ |
| সংগীত বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন | — সজ্জন কুমাৰ দত্ত | ৬৯ |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | — বিশ্বজীত গোহাঁই | ৭১ |

# সম্পাদকীয়

জয়জয়তে মই কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোক কানৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভা ( ১৯৮৪-৮৫ ) চনৰ আলোচনী সম্পাদক নিৰ্বাচিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো ।

ডিব্ৰুগড় কানৈ বানিজ্য মহাবিদ্যালয় আজি পঁচিশ বছৰৰ পৰিপূৰ্ণ যুবক । পঁচিশটা বসন্ত অতিক্ৰান্ত হলেও জানো আজি ইয়াত যৌবনৰ পূৰ্ণ অভ্যুদয় হৈছে ? পূৰ্ণ যৌবনৰ মধ্যাহ্ন সূৰ্য্যৰ দীপ্তি জানো ইয়াত দীপ্যমান ?

অসমৰ অন্যতম পুৰণি বানিজ্য শিক্ষাকেন্দ্ৰ এই কানৈ বানিজ্য মহাবিদ্যালয় । কিন্তু আজি পঁচিশ বছৰৰ অন্তত ইয়াৰ জানো পৰিপূৰ্ণ বিকাশ হৈছে ? একবিংশ শতাব্দীৰ প্ৰাৰম্ভনীত এতিয়াও এইখন মহাবিদ্যালয়ৰ বিভিন্ন বিভাগ অসম্পূৰ্ণ । আজি সময় আহিছে ইয়াৰ বিৰুদ্ধে মাত মতাৰ, এক সুস্থ, সবল, সুন্দৰ, শৈক্ষিক পৰিবেশ গড়ি তোলাৰ ।

শেষত, বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত প্ৰেম চন্দ্ৰ জৈন, আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড° দেৱৰঞ্জন ধৰ, উপদেষ্টা অধ্যাপক মনমোহন দাস, অধ্যাপক ঘনশ্যাম অধিকাৰী, অধ্যাপিকা কল্পনা খাউণ্ড আৰু ছাত্ৰ সভাৰ সমূহ সদস্য বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল ।

। জয় আই অসম ।

। ছাত্ৰ ঐক্য জিন্দাবাদ ।

মিঠু ভট্টাচাৰ্য

আলোচনী সম্পাদক

১৯৮৪-৮৫

# নকওঁ

'বাণিজ্যদৰ্পণ' প্ৰকাশ নহ'লহেঁতেন। কিন্তু হ'ল। কিয় নহ'লহেঁতেন ? নকওঁ।

ভাৰপ্ৰাপ্ত অধ্যাপক হিচাবে সম্পাদকৰ পৰা মোৰেই প্ৰাপ্য আছিল আনুষ্ঠানিক ধন্যবাদখিনি; কিন্তু পোৱা নহ'ল কিয় নহ'ল ? নকওঁ।

স্নাতক মহলাৰ ছাত্ৰ শ্ৰীমান বিজয় কুমাৰ দাসে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অনেক সহায় আগবঢ়ালে। নিৰ্বাচিত সম্পাদক এজন বৰ্তমান থাকোঁতে কিয় বিজয়ে সহায় কৰিবলগীয়া হ'ল ? নকওঁ।

কবলগা কথাখিনি মাথোন : সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জ্ঞাপন আৰু ভুলভ্ৰান্তিৰ কাৰণে দোষ স্বীকাৰ।

দেৱৰঞ্জন ধৰ
ভাৰপ্ৰাপ্ত অধ্যাপক : বাণিজ্যদৰ্পণ : ১৯৮৪-৮৫ ইং

# কবিতা

## মানুহ হুচিয়াৰ

—শ্ৰীএচ, এল, আগৰৱালা, এম, কম ।
প্ৰবক্তা, বাণিজ্য বিভাগ ।

হৃদয় বিদাৰি চিৎকাৰ হয়
উৎপীড়ন, অত্যাচাৰ অনাচাৰ দেখি ;
মানুহে মানুহক নিদিয়ে স্বীকৃতি
নকৰে সহ-জীৱী জ্ঞান ;
হুঙ্কাৰ কৰে, কৰে আস্ফালন ।
সন্ত্ৰাসৰ কৰে ৰাজ্য বিস্তাৰ ।
মানুহে মানুহক শোষণ কৰে
নিঃশেষ কৰে ; কৰে গ্ৰাস ।
কিবা প্ৰভেদ থকা যেন নেলাগে
ইতৰ প্ৰাণী আৰু মানুহৰ মাজত ।
নিৰীহ, নিৰপৰাধ মানুহৰ হয় সংহাৰ
কাৰো নাই ভ্ৰুক্ষেপ ;
নিৰ্বাধ চলে, অবিৰত চলে
জৰ্জ্জৰিত দুৰ্ব্বলৰ শোষণ ।
পাশৱিক, অবিবেচক পাষাণ সদৃশ
আছে শাসক শোষকৰ দল ।
তোষামোদ, প্ৰলাপ, পদলেহন
হৈছে চৰম উৎকৰ্ষ, মানৱ সংস্কাৰ
অধঃপতিত মানৱ জাতি
হয় হওক উদ্ধাৰ
নহয় হব অচিৰে কালৰ বিচাৰ ।

* * *

## অসমীয়া ডেকাৰ ভক্তি

—শ্ৰীধৈৰ্য্য গগৈ ।
উচ্চ মাধ্যমিক : ২য় বৰ্ষ, ক শাখা ।

(১)
শক্তি পুত্ৰ মই
ভক্তি বুকুত লৈ,
মুক্তি প্ৰয়াসী হৈ
অৰ্জুন মই গাণ্ডাৱী মই,
মইয়ে ধনঞ্জয়-মৃত্যু কৰিছো জয় ।

(২)
ময়ে ভাৰতৰ
ময়ে অসমৰ
ময়ে ডেকাদলৰ অগ্নিময়,
ময়ে ভাৰতৰ নবীন সূৰ্য্য
পূৰ্ব্বাঞ্চলত বজাওঁ তুৰ্য্য ।

(৩)
ময়ে পোহৰৰ গানে
আকাশে আকাশে দেশে-মহাদেশে
মুগ্ধ কৰিম আলোক যাত্ৰী ।
শেষ হব নোহোৱা ৰাত্ৰি
কৰিম জগত জয়, নবীন সূৰ্য্য মই ।

(৪)

তেজ মণ্ডহৰ –
মাতৃ জনাৰ—
কোলাত জনম লৈ
দেশৰ জননীৰ মহান কোলাত
লীনহৈ যাওঁ মই ॥

(৫)

উদয় শিল গর্ভ বিদাৰি
অকণ দীপ্তি ময়
ব্যাপে যেনে কি
গ্ৰামে মহাগ্ৰামে
পৃথিৱী জগত ময়
নবীন সূৰ্য্য মই ।

★ ★ ★

# তুমি মোক নুবুজিবা ভুল

—শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা
স্নাতক মহলা, ২য় বাৰ্ষিক

বুকুৰ ভাষাৰে লিখা মোৰ এই কবিতাই
কৰে যদি তোমাক আকুল ;
বিৰহৰ চকুপানী যদিওবা সৰিপৰে
তুমি মোক নুবুজিবা ভুল ।
কিন্তু আজি মোৰ প্ৰশ্ন হয় মনতে মনত
হোৱা জানু কিবা তুমি মোৰ ?
নিশ্চয় নোহোৱা একো নহলেনো কিয় বাৰু
নুবুজিবা বেদনা বুকুৰ ।
মই চালে আজি কিয় চকুৰে নোচোৱা তুমি
কিনো বাৰু লগালো জগৰ ?
দেখিলেও কৰবাত তললৈ মূৰ কৰি
কিয় হোৱা তুমিনো আঁতৰ ?
তোমাক ভালপাওঁ তোমাকে চকুৰে চাওঁ
তাতে পাওঁ স্বৰগৰ সুখ ;
তাৰপৰা কিদৰেনো ইমান নিষ্ঠুৰ হৈ
বঞ্চিত কৰিলা আজি মোক ?
যিমানেই চাওঁ মই সিমানে বাঢ়ি যায়
ৰূপৰাশি তোমাৰ দেহৰ ;
শয়নে সপোনে মই তোমাকেই দেখা পাওঁ
তুমি মোৰ অতি মৰমৰ ।
অতীত আতৰি গ'ল তোমাতেই লীন হ'ল
মই টোকো চকুলো মিছাতে ;
সুঁৱৰি থাকিলে আৰু যিটি গ'ল সিটি মোৰ
কদাপিতো কাষ চাপি নাহে ।
ক'ত গলে পাম শান্তি তাকেই নাপাওঁ ভাবি
কেনি গলে পাম মই সুখ ;
যেনিয়ে চাওঁ তেনিয়ে দেখোঁ তোমাৰ ছবিকে মাথো
হাঁহি হাঁহি দেখা দিয়ে মোক ।
হিয়াৰ বেদনা মোৰ কাকনো বুজাই কম
কোনেনো শুনিব বাৰু আজি ;
বুকুৰ মৰমী হৈ তুমিয়েই নুবুজিলা
পঠিয়ালা নিজে দূৰ কৰি ।
মই আছো একেদৰে আগৰ নিচিনা হৈ
হোৱা নাই অকনো সলনি ;
হেৰুৱাই তুমি মাথো জীৱনৰ ৰঙাবোল
চিনি মোক নোপোৱা সমূলি ।

যাক পাই পাহৰিছা তুমি মোক আজি
খেলা মাথো সিও দুদিনৰ ;
দুচকুত চকুলো দি বুকুৰ মৰম শুাহ
সিও হব এদিনা আঁতৰ ।

তেতিয়াহে বুজি পাবা জীৱনৰ ভুল তুমি
যাক তুমি নুবুজা এতিয়া ;
এৰি দিয়া সেয়ে আজি ভুল বুলি জানি শুনি
দুদিনীয়া সপোনৰ মেলা ।

হেৰা প্ৰিয়া যাওঁগৈ থাকিবা নীৰৱে তুমি
ক্ষমা কৰা মোৰ অপৰাধ ;
নাহো আৰু কাষ চাপি জীৱনত কোনো দিনে
দিবলৈ আমনি তোমাক ।

আজিয়েই শেষ হ'ব তুমি আৰু মই পতা
আধাৰুৱা সপোন খেমালি ;
আজিৰ পিছত আৰু শেষ হব তোমাৰ মোৰ
জীৱনত যত খেলি মেলি ।

মোৰ দোষ মই আজি কৰিছো স্বীকাৰ নিজে
ক্ষমা কৰা তুমি মোক সোণ ;
জীৱনত তেনে ভুল নকৰো দুনাই আৰু
ৰচি লৈ প্ৰেমৰ সপোন ।

চৰণেহে জানে সোণ মৰণৰ ঠাই ক'ত
জীৱনেহে জানে তাৰ ভুল ;
নুবুজা বপত ভোলি কৰিলা যি সোণ তুমি
সিয়ে মোক কৰিছে আকুল ।

যিদিনা সাদৰি তুমি গুচি যাবা মোৰ আগে
টানি লই দীঘল ওৰণি ;
সেইদিনা কাষ চাপি দুধাৰী চকুলো মচি
যাচিম মই তোমাক অঞ্জলি ।

অতীতক সোৱৰাই কবিতাৰ সুৰে মোৰ
কৰে যদি তোমাক আকুল ;
বিষাদৰ গীত গাই শুনালে তোমাক সোণ
মোক তুমি নুবুজিবা ভুল ।

* *

## উৎ স র্গা

—শ্ৰীউত্তম কুমাৰ দে
স্নাতক মহলা, ২য় বাৰ্ষিক ।

মোৰ জননী মোৰ বাবে —
জননী তুমি মৰমৰ কাৰণে
তোমাৰ মৰম এৰি গলো অকালত

সুখ জানো নাপালা ইহকালত ।
মোৰ কেঁচা তেজ তোমাৰ বাবে
নিশ্চয় গ্ৰহণ কৰিবা সমাদৰে
এই তেজৰ কণিকাৰে বিশুদ্ধ হবা
পাৰিলে মোকো শুধৰাবা ।

কত যে তেজ দান কৰিলে
সৌ দুলিয়াজানতে
শেষতে স্বাধীন হলা ১৫ আগষ্টতে
তুমি জানো বিশুদ্ধ নহলা ; মোৰ জননী
মোৰ জননী মোৰ বাবে—
মোৰ অসম মোৰ বাবে ।

* * *

# জননী জন্মভূমি

— শ্ৰীদেবকুমাৰ শৰ্মা
১ম বৰ্ষ, উচ্চ্চৰ মাধ্যমিক

হে মাতৃ জগদ্ধাত্ৰী,
আই অসমী জননী তুমি ;
কোৱাচোন কিহেৰে আমি,
তোমাক কৰো স্তুতি ।

তোমাৰ কাৰণেই কত সন্তানে,
আৰু চিপজৰী লব ?
তোমাৰ কাৰণেই কত জননী,
আৰু পুত্ৰহাৰা হব ।

তোমাৰ পূজাতেই তোমাৰেই সন্তানে,
নিজৰ প্ৰাণ বিসৰ্জন দিব !
তোমাক ৰাখিবলৈ তোমাৰেই সন্তানে,
আমৰণ চেষ্টা কৰিব ।

হে আমাৰ জননী আশীৰ্বাদ দিয়া,
শৰীৰত শক্তি দিয়া,
যাতে আমি কৰিব পাৰো,
তোমাৰ কাৰণে জীৱন উচৰ্গা ।

জানা জননী আমি কেতিয়াও,
হাৰ নামানো হলে ;
সদায় আমি আগবাঢ়ি যাম
তোমাক ৰাখিবলৈ ।

হে জননী সাহস দিয়া,
আৰু দিয়া শক্তি ;
যাতে আমি আজীৱন তোমাক,
কৰিব পাৰো ভক্তি ।

* * *

# বন্ধু তোমালৈ

— শ্ৰীগোলাপ গগৈ
প্ৰথম বাৰ্ষিক, স্নাতক মহলা

বন্ধু মোৰ !
শুনিবানে দুখৰ দিনৰ
এটি কবিতাৰ বেদনা
লিখিছো তোমালৈ বুলি ।

বন্ধু ; আইৰ নৱজাত শিশুবোৰ
দানৱ হঁতে নিসংগ ভাবে
হত্যা কৰিলে ।

অনাগত সপোন ৰজা শিশুবোৰক
বৰ নিষ্ঠুৰ ভাবে
বৰ করুণ ভাৱে,

বন্ধু ; সিহঁতৰ তেজেৰে বৰ লুইত খন
জুই ৰঙা তেজ হল
লুইতৰ পাৰ সিহঁতৰ তেজেৰে
তুমৰলি বান্ধিলে ।

বন্ধু, বৰ ভয়াবহ!
সিহঁতৰ নিঠৰ দেহবোৰে
আমাৰলৈ চাই বিদ্রূপ কৰিছে।
আজি সিহঁতক বিচাৰ কৰিব লাগিব
যি দেশৰেই ঘৰ বিভীষণ
সিহঁতৰ বিচাৰ হব
জনতাৰ আদালতত।

আমি সিহঁতক কাঁচি কাঠত উঠাব লাগিব
জনতাৰ পুণ্য হাত পূৰ কৰিবলৈ
তেতিয়া আমি আকৌ সোণৰ অসম গঢ়িম।
লিখিথম ইতিহাসৰ পাতে পাতে
লিখিথম তেজেৰে
জয় আমাৰ অনিবাৰ্য্য।

★ ★ ★

# মোৰ গল্প

মোহম্মদ : ছিৰাজুল হুছেইন

সম্পাদকে সাদৰি কৰিলে বাতৰি
আলোচনী হব লাগে ছপা,
অনুৰোধ জনালে সকলো ছাত্ৰক
গল্প কবিতা দিবা।
ঘৰলৈ আহিলো খোৱা-পিয়াহ এৰিলো
বহিলো কলম লৈ,
একোকে নেপালো ভাবি ভাবি মই
আলোচনীত দিবলৈ।
বহু তো ভাবিলো একোকে নেপালো
মেলিলো পুঁথি পাঁজি,
ভাবিলো মনত গল্প এটা দিম
লিখিমেই লিখিম আজি
কিনো লিখিম একোকে দেখোন
মোৰ মনলৈ নাহে।
ভাবিলো মনত মোৰ বুদ্ধি বোৰ
হ্রাস পাইছে লাহেলাহে।

নহওঁ বাইৰণ নহওঁ ছেক্সপিয়েৰ
নহওঁ মই টলষ্টয়।
তথাপিও মই চেষ্টা কৰিছো
কিবা এটা বা হয়।
ভাবি থাকোতেই কেনেকৈ জানো
সময় পাৰ হৈ গল,
মোৰ গল্পটো গল্প নহৈ
কবিতা হৈ ৰ'ল।
ভাবিলো মনত মই জানো
গল্প লিখিব পাৰিম ?
কত কি চিনেমা দিছে
তাকেহে চাব পাৰিম।
তথাপিও মই আগ বাঢ়িলো
মোৰ এই অশুদ্ধ ভাষা,
যদিহে পায় সকলোৰে মৰম
তেহে পূৰ হব মোৰ আশা।

★ ★ ★

গল্প

# এজন বন্ধুৰ কাহিনীৰে

— শ্ৰীপ্ৰদীপ কুমাৰ চাহু
প্ৰবক্তা : বাণিজ্য বিভাগ

আলোচনী শাখাৰ সম্পাদকে কিছুদিনৰ আগতেই মহাবিদ্যালয়ৰ আলোচনীলৈ প্ৰবন্ধাদি দিবলৈ অনুৰোধ কৰিছিল। সেয়ে লিখিবলৈ লৈছো যদিও অন্তৰ মনত ভয়ৰ ভাব এটাই দেখা দিছে; কিয়নো মই সাহিত্যিক নহয়। ছাত্ৰ জীৱনটোত Debit - Credit, ভূগোল, বানিজ্য, হিচাব-পত্ৰ কৰোতেই অতিবাহিত হ'ল আৰু এতিয়াও ঠিক তেনেদৰেই গৈ আছে। মাজে মাজে চেষ্টা এটা চলাই চাওঁ এই গতানুগতিক জীৱনৰ পৰা কিছু ফালৰি কাটিবলৈ যদিও সেইয়া সকল হৈ নুঠে। এই মুহূৰ্ত্তত গল্প এটা লিখিবলৈ যত্ন কৰিছো যদিও প্ৰকৃততে সেইয়া গল্প নহয়; মোৰ অতি অন্তৰঙ্গ বন্ধু এজনৰ জীৱনৰ সঁচা ঘটনাৰাজিহে, বহুতো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হোৱা সেই বন্ধুজনৰ কথাখিনিকেই গল্পৰ ৰূপত লিখিব বিচাৰিছো।

বন্ধুজনৰ প্ৰকৃত নামটো লুকাই ৰাখি কাহিনীৰ সুবিধাৰ্থে বিপ্লা বৰা বুলিয়েই উল্লেখ কৰিম। অসমৰ এখন প্ৰখ্যাত মহাবিদ্যালয়ত বিপ্লা বৰাই প্ৰবক্তাৰূপে কাম কৰি আছে। বিপ্লা বৰা জন্মগ্ৰহণ কৰিছিল এটা মধ্যবিত্ত পৰিয়ালত; সৰুৰে পৰাই অতি তীক্ষ্ণ বুদ্ধিৰ নহলেও মেধাবী ছাত্ৰ হিচাপে শিক্ষাগুৰু সকলৰ প্ৰিয় ছাত্ৰ হিচাপে বিপ্লা বৰাৰ নাম আছিল। দেউতাকে ব্যৱসায় কৰে, আন কথাত বিপ্লা বৰাই বাল্যাৱস্থাৰ পৰাই শৈক্ষিক পৰিবেশ পোৱা নাই। দেউতাকে বিচাৰিছিল যে তেওঁৰ পুত্ৰই ব্যৱসায়ত মন দি ভৱিষ্যতে ভাল ব্যৱসায়ী হব, তেওঁৰ নাম উজ্জল কৰিব। কিন্তু তাৰ ব্যৱসায়ৰ প্ৰতি সমুলি ধাউতি নাই; শিক্ষাগুৰু সকলৰ প্ৰিয় ছাত্ৰ বিপ্লাই নৱমমান শ্ৰেণীত থাঁকোতেই জীৱনৰ লক্ষ্য ঠিক কৰি লৈছিল যে ভৱিষ্যতে সি শিক্ষকেই হব, কলেজ শিক্ষক হিচাবে জীৱনটো উচৰ্গা কৰিব। আৰু সি সেইদৰেই আগবাঢ়িছিল। শিক্ষকতাক জীৱনৰ ধৰ্ম্ম হিচাব মনে মনে ঠিক কৰিছিল। মোৰ খুব ভালকৈ মনত আছে যে এবাৰ কোনোবা এটা চূড়ান্ত পৰীক্ষাত সি অসমৰ ভিতৰতেই প্ৰথমস্থান অধিকাৰ কৰিছিল। পিছত কলেজীয়া জীৱনত অৰ্থনীতিত সন্মানসহ উত্তীৰ্ণ হৈ বিশ্ব-বিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰথমশ্ৰেণী সহ অৰ্থ-নীতি বিষয়ত এম, এ, ডিগ্ৰীধাৰী হৈ ওলাই আহিছিল। এম, এ, পাছ কৰাৰ পিছত মই বিপ্লালৈ শুভেচ্ছা জ্ঞাপন কৰি টেলিগ্ৰাম কৰিছিলো কিন্তু তাৰ পিছত বহুতদিন বিপ্লাক লগ পোৱা নাছিলো।

যোৱাবছৰ অসম কলেজ শিক্ষক সন্থাৰ বাৰ্ষিক অধিবেশনলৈ যাওঁতে হঠাতে বিপ্লাক লগ পাইছিলো। কথা প্ৰসঙ্গত গম পাইছিলো তাৰ কৰ্মথলীৰ কথা, তাৰ "জীৱনৰ লক্ষ্য" (aim in life) পুৰ্ণ হোৱাৰ কথা সেয়ে মই ভাবিছিলো যে সি সুখী আৰু সেয়ে তাৰ ভবিষ্যত আচঁনিৰ কথা জানিবলৈ ব্যগ্ৰ হৈ পৰিছিলো।

কিন্তু সি কিছু নিৰুৎসাহ বোধ কৰিছিল আৰু মোক বৰ দুখেৰে কৈছিল যে জীৱনত সি এটা blunder, এক শুধৰাব নোৱাৰা ভুল কৰি পেলাইছে। কিন্তু কি ভুল কৰিছে মোক নকলে। বৰঞ্চ তাৰ পৰিৱৰ্ত্তে তাৰ অলপীয়া কৰ্ম্মজীৱনৰ বিষয়ে কিছু কবলৈ ইচ্ছা কৰিছিল। তাৰ ভাষাৰেই তাৰ কথাখিনি লিখিছো।

"পঢ়া-শুনা আৰু বোধকৰো নহব বুজিছা। সেইবুলি তুমি এইটো ধৰি নলবা যে মোৰ ইচ্ছা নাই। কিন্তু কি হ'ব—আজিকালি স্বাস্থ্যই লগ কম দিয়ে। তদুপৰি ইমান বস্তুবাদী ( materialistic ) জগতত পঢ়া-শুনাৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। এজন ঠিকাদাৰ, এজন ব্যৱসায়ী, এজন অসৎ চৰকাৰী চাকৰিয়ালে যি প্ৰতিপত্তি দেখুৱাব তুমি সেই প্ৰতিপত্তি দেখুৱাব নোৱাৰা। শিক্ষক হিচাপে তুমি সমাজৰ উচ্চ আসনত প্ৰতিষ্ঠিত হোৱা উচিত কিন্তু আজিকালি সেইয়া সঁচা নহয় যেন লাগে। A teacher, in real sense, is getting just lips sympathy from the society. শিক্ষকক দেশৰ ভৱিষ্যত নাগৰিকৰ গঢ় দিওঁতা বুলি কোৱা কথাষাৰত কিমান সত্যতা আছে নাজানো; but more or less, they are neglected now-a-days. কেতিয়াবা কেতিয়াবা এনেকুৱা লাগে জানা—If you have money, the world will follow you and if not, you are the follower of the world মোৰ জীৱনৰ দুই এটা সৰু সৰু অভিজ্ঞতাৰ কথা কওঁ শুনা।"

"পাছ কৰাৰ আগতেই এখন কলেজত অনুমোদিত নোহোৱা ( non-sanctioned ) চাকৰি এটাত সোমাইছিলো। মাহটোৰ শেষত যিখিনি দৰ্মহা পাইছিলো নিজকৈকে নাটে; গতিকে ঘৰত মাৰ ওচৰত হুবাৰ মান হাত পাতিছিলো। লাজ লাগিছিল যদিও কি কৰিবা! তুমি তো জানাই প্ৰথম প্ৰথম অধ্যাপকৰ চাকৰিত কেনেকুৱা ধৰণৰ প্ৰয়োজনীয়তা পূৰাব লগা হয়। সেই কলেজৰ অধ্যক্ষ ডাঙৰীয়াই এটা মিছা প্ৰতিশ্ৰুতি দি ৰাখিছিল যে অনুমোদিত নোহোৱা দৰ্মহাৰ ধন বৃদ্ধি কৰা হব। ইতি মধ্যে মই এম, এ, ৰ ৰিজাল্ট পাইছিলো। তুমি ঘৰলৈ দিয়া শুভেচ্ছাবাণী টোৱে পাইছিলো ঘৰলৈ গৈ। মই প্ৰথম প্ৰথম বহুত কথা নাজানিয়েই হুই / এবাৰ অধ্যক্ষক কথাটো ( দৰ্মহাৰ ) সোঁৱৰাই দিয়াত এদিন তেখেতে বৰ আত্মীয়তাৰ সুৰত কৈছিল যে মোৰ পৰীক্ষাৰ নম্বৰসমূহ যথেষ্ট ভাল। গতিকে মই কোনোবা ভাল কলেজলৈ গুচি যোৱাই ভাল। মই বুজি পাইছিলো যে my service is not wanted there. গতিকে বেলেগ কৰ্মথলী বিচাৰিছিলো আৰু কিবা ভাগ্যৰ বলতেই অতি সোনকালেই পাইছিলো। কিন্তু মই নতুন চাকৰিত যোগ দিওঁতে কলেজৰ শ্ৰেণীসমূহ অনিয়মীয়া হৈ গৈছিল, মানে পৰীক্ষাৰ বা বলিছিল। সহকৰ্মীবৃন্দৰ মাজত খুব ভাল লাগিছিল, সমাজ এখন পাই-ছিলো। কিন্তু যেতিয়া পৰীক্ষাসমূহ আৰম্ভ হৈছিল মনটো ঘৃণাৰে ভৰি পৰিছিল, ই কি! অসমৰ ছাত্ৰ, যাৰ গুণ-গান ভাৰতৰ বিভিন্ন প্ৰান্তত এতিয়াও শুনা যায়, এনেকুৱা অৱনতি! ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়ণৰ মাত্ৰা যথেষ্ট কম আৰু যি কোনো ( ? ) উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ মনোবৃত্তি এটাই গা কৰি উঠিছে। ছাত্ৰই অসমৰ পবিত্ৰ আন্দোলনৰ গইনা লৈ

শিক্ষকক অপমান কৰা তথা অৱমাননা কৰা, চুৰ কৰি ডিগ্ৰী লব বিচৰা দেখি আন্দোলনৰ প্ৰকৃত সমৰ্থক হিচাপে মোৰ মুঠেই ভাল নালাগিল, ছাত্ৰাৱস্থাত আন্দোলনত সক্ৰিয় অংশ লোৱা তুমি জানাই, গতিকে মই সহ্য কৰিব মুঠেই নোৱাৰিলো। সেয়ে বাধা দিছিলো সাধ্যানুসৰি। কিন্তু কি পালো জানা—পৰীক্ষাৰ্থীয়ে বেয়া পালে, ভয় দেখুৱালে আৰু অতি পৰিতাপৰ বিষয় হ'ল যে মহামান্য অধ্যক্ষ ডাঙৰীয়াই মাতি কলে যে you should not disturle the examinees They are complaining against you. মই কোনো কথাই কব নাপালো। পিছত লাহে লাহে গম পাইছিলো যে এনে বহুতো পৰীক্ষাৰ্থী আছে যাক অধ্যক্ষ ডাঙৰীয়াই হাতৰ মুঠিত বাখি ৰাজনীতি কৰিব বিচাৰিছে। গতিকে তেনে ছাত্ৰক ৰক্ষণাবেক্ষণ দিয়াতো তেওঁৰ কৰ্ত্তব্য, অৰ্থাৎ ঠিক বিদেশী বহিস্কাৰৰ ক্ষেত্ৰত অসম চৰকাৰে কৰা ঘোষণাৰ নিচিনা। কাগজে-কলমে সকলো ঠিকেই থাকে কিন্তু হাতে-কামে কৰিব নিবিচাৰে। পৰীক্ষাত অসৎ উপাই অৱলম্বন কৰাত বাধা দিবলৈ কয় কিন্তু বাধা দিয়াতো পছন্দ নকৰে। তেওঁৰ প্ৰিয় (?) ছাত্ৰ-ছাত্ৰীক পৰীক্ষাগৃহত শিকাই দিলে ভাল পায়। সেয়ে আন ঠাইলৈ যোৱাৰ সিদ্ধান্ত লৈছিলো।"

"কিন্তু পৰিস্থিতি বিশেষ পৰিৱৰ্ত্তন নহ'ল, দুষিত বায়ুমণ্ডলত বিশুদ্ধ বতাহ ক'ত পাবা? আৰু এটা কঠিন সত্য উপলব্ধি কৰিছো—"Honesty has less value now-a-days. সৎ হৈ জীৱন ধাৰণ কৰা আজি কালি সঁচাকৈয়েই বৰ জটিল; বহুতো বাধা। এতিয়া মই এখন নামীকলেজৰ প্ৰৱক্তা; job satisfaction মানে কৰ্মৰ প্ৰতি সন্তুষ্টতা আছে কিন্তু মানসিক শান্তি বহুত কম। তথাপি আছো জানা— I had put my head. মাজে মাজে উদ্যমবোৰ কমি যোৱা যেন অনুভৱ হয়। সোঁতৰ বিপৰীতে যোৱাটো বৰ কঠিন তথাপি মাজে মাজে যত্ন নকৰাকৈ নাথাকো।

এতিয়া তুমিয়েই কোৱা আমাৰ কেনেধৰণৰ অৱনতি হৈছে? ক'ত আছে সুস্থ শৈক্ষিক পৰিবেশ? শ্ৰেণীত বহুতো শিক্ষকে পাঠদানত গুৰুত্ব কম দিয়ে আৰু ঘৰত পঢ়িবলৈ আমন্ত্ৰণ কৰে। মুঠতে এটা পৰিৱৰ্ত্তন লাগে বুজিছা—এটা ক্ৰান্তিকাৰী পৰিৱৰ্ত্তন, তেতিয়াহে আমি নতুন কিবা এটাৰ আশা কৰিব পাৰো"। এইদৰে কথা পাতোতেই ৰাতিপুৱাই গৈছিল, নিশা ও মান বজাত বিছনাত পৰিছিলো।

এয়াই হ'ল মোৰ বন্ধুজনৰ কাহিনী। গল্প হৈছে নে নাই নাজানো। কিন্তু গল্পৰ ৰূপ দিবলৈ যথেষ্ট যত্ন কৰিছো। বন্ধুজনৰ কথাবোৰ মাজে মাজে ভাবো কিমানদূৰ সত্য। আৰু এটা প্ৰশ্নই মাজে মাজে ভুমুকি মাৰে— স্কুলীয়া জীৱনত "তোমাৰ জীৱনৰ লক্ষ্য" (Aim in Life) নামৰ ৰচনা এখন লিখিবলৈ শিকোৱা হ'য়। কিন্তু সেইখনৰ বাস্তৱিকতে কিবা যথাৰ্থতা আছে জানো? কাৰণ, প্ৰথমতে বেছিভাগ ছাত্ৰ-ছাত্ৰী সেই উদ্দেশ্যত উপনীত হোৱা দেখা নাপায়। আৰু দ্বিতীয়তে সেই লক্ষ্যত উপনীত হলেও মনৰ শান্তি কিমানে পায়? এই প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ সময় উপস্থিত হৈছে আৰু উত্তৰ দিয়াৰ দায়িত্ব ও আমাৰেই।

* * * *

# মোহনাৰ দ্বীপ

—অলকা ভট্টাচাৰ্য
বি, কম ১ম বৰ্ষ

বাচৰ পৰা নামি বহুত দূৰলৈকে খোঁজ কাঢ়ি এটা সৰু গলিৰ সন্মুখত থিয় দিলে সুমিতাই। গলিৰ মুখত ভৰি দিওঁতেই এটা দুৰ্গন্ধ নাকত সোমাওতেই সুমিতাই ততালিকে ৰুমাল খনেৰে নাকত সোপামি ধৰিলে; তথাপিও লেতেৰা গোন্ধটো নাকৰ ভিতৰেদি সোমাই গৈ পেটৰ ভিতৰ মন একত পাকত লগাব ধৰিলে।

যেনে লেতেৰা গলিটো, ঠিক তেনেই তাৰ দুয়ো ফালৰ ঘৰবোৰ, কিমান দিন যে মেৰামতি হোৱা নাই কোনে জানে।

আন কিবা কাম হোৱাহেতেন তাই কেতিয়াও এই গলিত নোসোমালে হেতেন. কিন্তু আজিৰ কামটো তাইৰ একান্ত ব্যক্তিগত আৰু কিছু গোপনীয়। নহলে তাই অকলে কোন লগ-ভাগ নোলোৱাকৈ এই দুঃসাহসিক কাম নকৰিলে হেতেন! অচিনাকি ঠাইত ঘৰ বিচাৰি উলিওৱাটো যে কিমান টান সেইটো তাই ভাল-কৈয়ে জানে।

আজি তাই ওলাইছে "ভাৰতী" নামৰ কাকত খনৰ সম্পাদকৰ ঘৰলৈ বুলিহে। বহু কষ্ট সহ্য কৰি শেষত আহি উপস্থিত হল তাই সম্পাদকৰ ঘৰত। পুৰণি দিনৰ ঘৰ, চুন বালি বহি, খহি, অৱস্থা নাইকিয়া হৈছে। ঘৰটোৰ ভিতৰ সোমাই এজন মানুহ বহি থকা দেখা পালে।

—"নমস্কাৰ", আপুনিয়েই "ভাৰতী"ৰ সম্পাদক নেকি?

—"হয়, ময়েই সম্পাদক।" কওক, আপোনাক মই কেনে ধৰনে সেৱা কৰিব পাৰো"— উত্তৰ দিলে বীৰেণ হাজৰীকাই।

সুমিতাই এখন সৰু চিঠি উলিয়াই হাজৰীকা দেৱক শুধিলে — "এইখন আপুনিয়েই দিছিল নেকি?" হাজৰীকা দেৱে চিঠি পঢ়ি কলে—" আপুনি যিটো গল্প পঠিয়াইছে, সেইটো আমাৰ কাকতৰ নীতি আৰু আদৰ্শ অনুযায়ী নোহোৱাত আমি ঘুৰাই পঠাবলৈ বাধ্য হৈছো। এই বুলি কৈ সুমিতাৰ হাতত চিঠিখন ঘুৰাই দিলে। সুমিতাই শুধিলে – বাৰু আপুনি নীতি আদৰ্শ বুলিকৈ কি বুজাব খুজিছে।

চশমা খন খুলি বীৰেণ হাজৰীকাই উত্তৰ দিলে— "অৰ্থাৎ আজি কালি যি ধৰণৰ অশ্লীল ছবি কিছুমান লিখকৰ দ্বাৰা প্ৰকাশ পায়, সেয়ে আৰু কি? আমাৰ কাকত খনৰ এটা বৈশিষ্ট আছে। সেইটো এয়ে যে এই কাকত পৰি-য়ালৰ সকলোৱে একেলগে বহি চাব পাৰে, পঢ়িব পাৰে"। সুমিতায় কলে, "চাওক,—কেতিয়াবা সম্পাদক সকলে নতুন লিখকৰ লিখা নপঢ়াকৈয়ে ঘুৰাই পঠাই দিয়ে। আপুনি যদি অনুগ্ৰহ কৰি মোক দহ মিনিট মান সময় দিয়ে, তেন্তে মই মোৰ লিখা গল্পটো পঢ়ি শুনাব পাৰো।"

বিৰক্তিত বীৰেণ হাজৰীকাৰ কপাল কোচ খাই গল। তেওঁ কলে, "চাওক—এনে অপ-বাদ নিদিব। আমি সদায় সকলোৰে প্ৰতিটো লিখা পঢ়ি তাৰ পিছত হে তাৰ গুণা-গুণ বিচাৰ

কৰো। বাক চাও আপনাৰ লিখাটো" — সুমিতাই পিনৰে গঠা কেই খিলামান কাগজ আগুৱাই দিলে।

কেই মিনিট মান পাছত বীৰেণ হাজৰীকায় কলে, "ও, মনত পৰিছে। সেই বুঢ়া মাষ্টৰ জনৰ লগত ছাত্ৰীৰ কেলেংকাৰী"। নাই - নাই আমি এইবোৰ ছপাব নোৱাৰো ই অসম্ভৱ"।

সুমিতাৰ কণ্ঠত প্ৰতিবাদৰ সুৰ স্পষ্ট হৈ উঠিল। তাই কলে "কেলেংকাৰী কাক কৈছে? ইয়াৰ মাজততো কোন দুৰ্নীতি বা অশ্লীলতা নাই। মাষ্টৰ জনেতো শেষত ছাত্ৰীক বিয়া কৰালে"।

খঙত জ্বলি উঠিলে বীৰেণ হাজৰীকাই। ছিঃ, ছিঃ মাষ্টৰ জনে শেষত বিয়া কৰালে? তেওঁৰেই জীয়েকৰ বয়সৰ একনী ছাত্ৰীক!!!

— "তাৰ তো যথেষ্ট কাৰণ দেখুৱাইছো মই মোৰ গল্পত। মাষ্টৰৰ স্ত্ৰী, - পুত্ৰ – কন্যা সকলো থকা সত্বেও তেওঁ অবহেলিত, তেওঁৰ সুখ-দুখৰ ফালে কোনেও চকু নিদিয়ে, বেচাৰা মাষ্টৰে দিনে ৰাতিয়ে কিতাপৰ মাজতেই ডুবগৈ থাকে, সময়ত একাপ চাহও নেপায়, তেওঁৰ খোৱা বোৱাত যতন লোৱাটো দূৰৰ কথা, সময় মতে দৰবটো পৰ্য্যন্ত খাবলৈ কবলে কাৰো মনত নাথাকে। স্বামীৰ প্ৰতি স্ত্ৰীৰ অবহেলা, পিতাৰ প্ৰতি সন্তানৰ উদাসীনতা এই বোৰক কি আপুনি সুনীতি বুলি কব?

অলপ বৈ সুমিতাই আকৌ কবলৈ ধৰিলে, মইতো ইয়াত যথেষ্ট যুক্তি দিছো। মোৰ যুক্তি সমৰ্থণ কৰাবো যথেষ্ট স্থল আছে।

এইবাৰ বীৰেণ হাজৰীকাই কবলৈ ধৰিলে —"স্মৃতি শক্তি মোৰ ইমান ক্ষীণ নহয় যদিও অসংখ্য গল্প মোৰ পঢ়িব লগীয়া হয়, আপুনি ইয়াত দেখুৱাইছে যে মাষ্টৰৰ স্ত্ৰীয়ে তেওঁৰ স্বামীৰ কেৱল টকা উপাৰ্জনৰ যন্ত্ৰ হিচাবে গ্ৰহণ কৰিছে। তেওঁৰ কাপোৰ, তেওঁৰ গহনা আৰু বিলাসীতাৰ বাবে মাষ্টাৰক স্কুলৰ পৰা আহি আকৌ প্ৰাইভেট্ টিউচন কৰিব লগীয়া হয়। এনেদৰে অতিৰিক্ত পৰিশ্ৰমৰ ফলত তেওঁ অসুস্থহৈ পৰিলেও স্ত্ৰীয়ে কেতিয়াও নকয় যে ইমান পৰিশ্ৰম কৰাৰ দৰকাৰ নাই। শিক্ষিত স্বামীৰ শিক্ষিত স্ত্ৰী হৈয়ো স্বামীৰ প্ৰতি এনে আচৰণ।

বীৰেণ হাজৰীকাৰ মুখৰ কথা কাঢ়ি লৈ সুমিতাই শুধিলে— "এয়ে কি পত্নীৰ দৃষ্টান্ত? ইয়াক কেনেকৈ সমাজে সুনীতি বুলি মানি লৈছে? অথচ যিজনী ছাত্ৰীয়ে মাষ্টাৰৰ পাণ্ডিত্যত মুগ্ধ হৈ তেওঁক যতন কৰে। তেওঁৰ লগত কথা পাতি তেওঁৰ ক্লান্তি দূৰ কৰিবলৈ চেষ্টা কৰে। - সেইটো হব দুৰ্নীতি সমাজ বিৰুদ্ধ"? এয়েকি আপুনাৰ বক্তব্য।

থতমত খাই বীৰেণ হাজৰীকায় কয়— "নহয়, মই ঠিক সেইটো কোৱা নাই। তথাপি আপুনাৰ গল্পৰ যিটো কনক্লুচন্, সেইটো কি সমাজে মানি লব? তাক কি দুনীতি বুলি নকব, যেতিয়া একজন শিক্ষকে নিজৰ স্ত্ৰী সন্তান থকা সত্বেও আকৌ বিয়া কৰায়।

উত্তেজনাত কঁপিব ধৰে সুমিতাই। কয়— "বিয়া কৰাটোক দুৰ্নীতি আখ্যা দি আপুনি ভুল কৰিছে। কিন্তু এইটোৱেই সমাজ সংৰক্ষক সুনীতি। কাৰণ একজনী কুমাৰী ছোৱালীক

এজন পুৰুষক, সেৱা কৰিবৰ অধিকাৰ দিয়া নাই আমাৰ সমাজ। সেইকাৰণে ইয়াত বিবাহ বন্ধন দেখুৱাব লগীয়া হৈছে। তাতকৈয়ো ডাঙৰ কথা, যত ছাত্ৰীয়ে স্বেচ্ছায় বয়স্ক শিক্ষকক স্বামী বুলি গ্ৰহণ কৰে, তাত সমাজৰ আপত্তিৰ কাৰণ কি থাকিব পাৰে বা তাত দুৰ্নীতিৰ চেকা কেনেকৈ পৰে ? সুমিতায় আকৌ কবলৈ ধৰিলে "অথচ আচৰিত কথা এয়ে যে, এই গল্পটো পঢ় আপোনাৰ এবাৰও মনলৈ নাহিল যে এজন পণ্ডিত শিক্ষকৰ জীবন ৰক্ষাৰ কাৰণে এজনী গাভৰু ছোৱালীয়ে কিমানখিনি আত্মত্যাগ কৰিলে, তাই আন্ধাৰতে আবৰি থকা সমাজ খনক দুৰ্নীতিৰ আবৰ্জ্জনা আতৰাই সমাজলৈ পোহৰৰ ঢেউ আনিব খুঁজিছে, তাইৰ এই কাৰ্য্যত উৎসাহ প্ৰদান কৰাটো কি আমাৰ কৰ্ত্তব্য নহয়" ? —

বীৰেণ হাজৰীকাই কলে "কিন্তু কি কৰিম, মই দুঃখিত। আমাৰ কাকতৰ যি নীতি আছে, সেইটো মই ভাঙৰ নোৱাৰো।

"বাৰু নমস্কাৰ"—বুলি কৈ সুমিতাই তৎক্ষণাৎ ঘৰ এৰি ওলাই আহিল।

থিক পাঁচ মাহ পাছৰ কথা। বীৰেণ হাজৰীকাই ঘৰত আহি দেখা পালে, — তেওঁৰ ডাঙৰ জীয়েক মিনতিয়ে বিছনাত পৰি উঁচুপি উঁচুপি কান্দিছে, তেওঁ পত্নীৰ পৰা কন্দাৰ কাৰণ শুনি আচৰিত হৈ চিঞৰি উঠিলে, "কি ? মিনতিৰ গিৰিয়েকে আন এজনী ছাত্ৰীক বিয়া কৰাই গুচি গল" ???

হঠাতে বীৰেণ হাজৰীকাৰ সেই গল্পটোৰ কথা মনত পৰি যায়। চকুৰ আগত ভাহি উঠে সেই ছোৱালী জনীৰ চেহেৰা। তেওঁ ততালিকে মিনতিক সুধিলে, "ছাত্ৰী জনীৰ নাম কি" ?

মিনতিয়ে কলে — "সুমিতা চৌধুৰী"

---

( মূল বাংলা, 'ডিব্ৰুগড় সাহিত্য চক্ৰ'ৰ মুখপত্ৰ 'পদক্ষেপ'ৰ ২ নং বুলেটিনত প্ৰকাশিত আৰু 'সাহিত্য চক্ৰৰ' ৬ষ্ঠ বৰ্ষ, ৭ম অধিবেশনত পঠিত। অনুবাদ — লেখিকা। )

★

# নৈ পাৰৰ চকুলো

—কনক গগৈ

২ য় বাৰ্ষিক, স্নাতক।

এখনি নদীৰ দাঁতিৰ কাষত পদ্ম দাইটিৰ ঘৰ। পদ্ম দাইটিৰ ঘৰৰ পৰিয়ালটি একেবাৰে সৰু। পদ্ম দাইটিৰ ঘৰৰ পৰিবাৰৰ লৈতে মাত্ৰ এজনা ছোৱালী তাইৰ নাম ধনদা। তিনটি প্ৰাণী লৈ এই সৰু পৰিয়ালটি এক সৌন্দৰ্য্য, সুখৰ মাজেদি জীৱন সংগ্ৰামৰ পথত আগবাঢ়ি গৈ আছে। পদ্ম দাইটিৰ ইঁতৰ ঘৰৰ পৰা ধনদাই পঢ়া বিদ্যালয়লৈ প্ৰায় পাঁচ কিলোমিটাৰ মান বাট অতিক্ৰম কৰিব লাগে। এই কষ্ট সফল কৰি ধনদা এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰী হলহি। ধনদাৰ লগত সৌ নৈ সিপাৰত থকা ধন নামৰ লৰাটিও তাই লগত বিদ্যালয়লৈ

যায়। ধন, ধনদাৰ একে সহপাঠি। সিহঁত দুয়ো সদায় কুল-কুল কৈ বৈ অহা নৈ পাৰত বং মনে খেলা-ধুলা কৰিয়ে ডাঙৰ-দীঘল হোৱা। বৰ্তমান ধন এটা চেঙেলীয়া ডেকা বয়সৰ হল আৰু ধনদা এগৰাকী পাতগাভৰু হল। তথাপিতো সিহঁতৰ আগৰ মৰম বিলাকৰ দৰে এতিয়াও মৰম স্নেহ আছে। দুয়ো সদায় একেলগে বিদ্যালয়লৈ যায় পঢ়াত তেওঁলোক দুয়ো যথেষ্ট ভাল। এইবাৰ ধনে দ্বিতীয় স্থান লৈ দশম শ্ৰেণীলৈ আৰু ধনদাই চতুৰ্থ স্থান লৈ দশম শ্ৰেণীলৈ উত্তীৰ্ণ হল। নানা দুখ কষ্ট সফল কৰি ধন আৰু ধনদাৰ দেউতাক হঁতে সিহঁতৰ পঢ়াৰ কিতাপ-পত্ৰ আৰু পোঁছাকৰ যোগান ধৰিছে। কিন্তু এনেবিলাক দুখ, সুখৰ মাজত দিন কটালেও অকস্মাত ধনৰ মনতে কেতিয়াবা ভাগি যায় কাৰণ মাকৰ কথা বিলাক মনত পৰাৰ বাবে।

ধনৰ প্ৰায় আঠ বছৰ বয়সত ধনৰ মাকে ধন আৰু ধনৰ দেউতাকক এৰি এই সংসাৰ ত্যাগ কৰিলে। ধনৰ দেউতাকে অলপ মান মাটিত নানা ৰকমৰ শস্যৰ খেতি কৰি জীৱন পথৰ সংগ্ৰামত আগবাঢ়ি গৈ আছে। কিন্তু দুৰ্ভাগ্যৰ কথা এইবাৰ আমাৰ দেশত বৰ ভয়ানক বানপানী আহিল। সকলো বিলাক নৈ পানী ফেনে ফোটোকাৰে উভন্দি উঠিল। মানুহবিলাকৰ দুখ, কষ্টৰ সীমা নোহোৱা হল। বহুতো মানুহ মৃত্যু মুখত পৰিল। সেই বানপানীত ধন আৰু ধনদা হঁতৰ সুখৰ পৰিয়ালটি ওৰ পৰিলে। বানপানীয়ে ধন আৰু ধনদা হঁতৰ ঘৰৰ মানুহ বয়-বস্তু সকলোকে উটোৱাই নিলে। এই নৈ কাষত থকা মৰমৰ উভয়নদী হোৱা ধন আৰু ধনদাৰ চকুলো বৈ পানীৰ সোঁতৰ লগত দুয়ো মিলি গল চিৰ দিনলৈ।

* * *

# চিতাৰ জুই

—মনোজ মোহন দত্ত
স্নাতক মহলা ১ম বাৰ্ষিক

বহ্নিমান ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী পকনিয়াৰ দৰেই পাকঘূৰণী খাই খাই ওপৰলৈ উঠিছে চিতাৰ জুই কুৰা, যেন গোটেই আকাশখনক চিতাৰ জুইকুৰাই গ্ৰাস কৰি পেলায়। মেঘাচ্ছন্ন গৰ্জ্জন মুখৰ আকাশখন যেন বক্ বক্ কৰে উতলাই পেলাব। হিমচেঁচা কোবাল বতাহ জাকেও লেলিহান জিহ্বা মেলি দপ দপ কৰে জ্বলি উঠা চিতাজুইৰ শিখাক ম্লান কৰিব পৰা নাই, ছেদেলি ভেদেলি কৰিব পৰা নাই। এইয়াই যেন সেই অতীতৰ ৰাৱণৰ বিশুদ্ধ চিতাজুই। অন্তৰত অসীম ধৈৰ্য্য, সাহস, শক্তি তথা জাতিয় অস্তিত্ব ৰক্ষাৰ একাগ্ৰতা বোধৰ অজেয় শিখা, যি নিস্প্ৰাণ দেহৰ ভিতৰলৈও উত্তাপ কঢ়িয়াই আনে।

বঙ্কিম ফুলৰ মালাধাৰী হাতত লৈ দৌৰি

দৌৰি ভাগৰি পৰিছিল মিৰিছাঙৰ পৰা নামি হাইস্কুলৰ দশম শ্ৰেণী গছকি ডাঙৰ হোৱা "অস্তিমিলি"। দৌৰিছে কেৱল দৌৰিছে। খোজৰ ভৰত বুকুৰ আচল ব'ৰে বাৰে খহি পৰিছে। পৰক কোনো লজ্জা নাই। জীৱনৰ অস্তিত্বই যদি হেৰাই যোৱাৰ উপক্ৰম, তেন্তে লজ্জাই জানো অস্তিত্বক ধৰি ৰাখিব পাৰিব। অস্তিমিলিৰ আজি কি হৈছে তাই নিজেই নাজানে। তাই জীৱনৰ দুখ বেদনাক লৈ আজি ব্যাকুলীত হৈ পৰিছে। এইয়া যেন অস্তিমিলিৰ আজি জীৱনৰ অন্তিম দৌৰ প্ৰতিযোগিতা। লক্ষ্যস্থান সেই লেলিহান জিহ্বা মেলি জ্বলি উঠা চিতা জুইকুৰা। পালেহি. অস্তিমিলিৰ লক্ষ্যস্থান পালেহি। কিন্তু যথাসময়ত নহয়। তেতিয়া কিশোৰ কাইৰ নিঠৰ দেহাতো জুইৰ লেলিহান শিখাই গ্ৰাস কৰি পেলাইছিল। চাৰিওফালে যেন তাই কেৱল মাত্ৰ জুইকেই চকুৰ আগত ভাহি থকা দেখিছিল। নিমাত নিতাল। হাজাৰ জনতা, হাজাৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা পৰিবেষ্টিত চিতাজুই কুৰাৰ ওম ওমনিৰ বাদে কেউফালে নিমাত নিতাল। ইমানসোপা ছাত্ৰ-ছাত্ৰীয়ে কিয় বাৰু অস্তিমিলিৰ উদগ্ৰীৱ উপস্থিতিক মৌনতাৰে উপেক্ষা কৰিছে? কেৱলমাত্ৰ জাতীয় অস্তিত্ব-ৰক্ষাৰ সংগ্ৰামত অগ্ৰণী যুজাৰু 'শ্বহীদ' কিশোৰ বৰাৰ চিতাজুই কুৰাই যেন সিহঁতৰ লক্ষ। সকলোৰে মৌন প্ৰাৰ্থনাৰে যেন জনাইছে "আমি তুমি হয়"।

দুয়োখন হাতেৰে ৰক্তিমফুলৰ মালাধাৰী থাৰুচি ধৰি এখুজ দুখুজকৈ আগবাঢ়িল অস্তিমিলি। প্ৰায় বাৰহাত মান আতঁৰতেই হঠাৎ ছোৱালীজনী বৰ লগা হ'ল তেতিয়াহে, যেতিয়া তাইলৈ হাজাৰ জনতা হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে মুৰ তুলি একেথৰে চাবলৈ ধৰিলে। কি দেখিছে বাৰু অস্তিমিলিৰ গাত?

সেই দপ দপকৈ লেলিহান জিহ্বা মেলি জ্বলি উঠা চিতাজুইৰ পোহৰকো আওকান কৰি ছোৱালী জনীৰ গাৰীৰত তেজ যেন ৰঙা, নিমজ গাল দুখনীৰ দুটি সুওল কোমৰত চকুলো দুটোপাল চিক্ মিক্ কৰে জিলিকি উঠিছিল। সেই আবেগপূৰ্ণ দুটোপাল চকুলোৰ ভিতৰত যেন বহুতো অব্যক্ত বেদনা, অবোধ ভাষা আৰু বহুতো যেন সংঘটিত পূৰ্ণ চিত্ৰ আঁকা আছে। এৰা নিৰৱতাই কথা কোৱাৰ দৰে অব্যক্তৰো যেন ভাষা আছে। দুটোপাল চকুলোত অংকিত সেই ভাষা, সেই চিত্ৰ, তাৰৈৰ বলাগি চাইথকা হাজাৰ জনতাই জানো বুজিব পাৰিছে। দুগালত দুচকু চকুলোবোৱাই দুটোপাল চকুলোৰে অস্তিমিলিয়ে বাৰু কি কৰ বিচাৰিছে?

কিশোৰ কাই মই বৰ হেঁপাহেৰে দৌৰি আহিছিলো, তোমাৰ নিঠৰ দেহাটিক মোৰ অন্তৰৰ একান্ত বোধৰ ৰক্তিম ফুলেৰে ওপচাই পেলাম বুলি। পিছে বহুত পলম হৈ গল কিশোৰ কাই। তুমি কেতিয়াবাই গুচি গৈছা। তোমাৰ সময়তু আহি গল। মোৰদৰে মিৰিচাঙৰ একনী নিঃকিন জনজাতীয় ছোৱালীৰ বাবে তুমি কিয় ৰৈ থাকিবা? তুমি মোৰ বাবে নহয়, এটা ঐতিহ্যপূৰ্ণ জাতিৰ হকে গুচি গলা অনন্তধামলৈ। গলাগৈ, মোৰ কোনো খেদ নাছিল. পিছে তোমাৰ মোৰ আৰু সমাজৰ অব্যক্তখিনি ব্যক্তহৈ নোযোৱাত সমাজৰ আন্তৰিক বুজা পৰাৰ এটিভুল থাকি গল। এতিয়া তোমাৰ বাবে অনা এই ৰক্তিমফুলৰ মালাধাৰী দুয়োখন হাতত লৈ মোৰ মনলৈ বহুকথাই

অহাযোৱা কৰিছে কিশোৰ কাই।

মই জানো কিশোৰ কাই, তোমাৰ দেউতাৰা কমলা বৰাই তোমাক কালিলৈকে ভাল পাব নোৱাৰিছিল। কিয়নো তুমি আছিলা কমলা বৰাৰ অতি মৰমৰ অতি চেনেহৰ আলাসৰ লাক একেটি মাত্র সন্তান। কিন্তু তুমি দেউতাৰাৰ অবাধ্য পুত্রহৈ নিজক নগঢ়ি জপিয়াই পৰিছিলা সংগ্রামত। তুমি এই সংগ্রামত ওতঃপ্রোতঃ ভাবে জড়িত হৈ পৰাত তোমাৰ অনিষ্ট চিন্তা কৰিবলৈও দেউতাৰা বাধ্য হৈ পৰিছিল। বাপেকৰ একেটি মাত্র লৰা। কলেজত পঢ়িছে। সুনাম অৰ্জন কৰি বাপেকৰ ভাগি পৰা ঘৰখন উজ্জ্বল কৰি গঢ়ি তুলিব লাগে। সৰুতেই, নৱজাত শিশু অৱস্থাতেই মাৰাক হেৰুৱালা। দুখ কষ্টৰ মাজেদিয়েই দেউতাৰাই তোমাক ডাঙৰ দীঘল কৰি কলেজলৈকে পঢ়োৱাবলৈ সক্ষম হৈছিল। এতিয়া পঢ়াত নালাগি, নিজক গঢ়ি তুলাৰ পৰা আঁতৰি, দেশ গঢ়াত মনমেজি চিঞৰ বাসৰ আন্দোলন আদিত লাগি গলা।

তোমালোকৰ আন্দোলননো কি। কেৱল মাত্র আবেগপূৰ্ণ, ফুৰ্তি তামাচাৰ আন্দোলন। তাৰোপৰি তুমি আন্দোলন কৰিবলৈ গৈ কোনোৱা জনজাতীয় মিছিং ছোৱালী একনীৰ লগত পাছে পাছে ঘুৰি ফুৰা। মই জানো কিশোৰ কাই। এইবোৰ তোমাৰ দেউতাৰাক জুইশালৰ ওচৰত চাহপানীৰ জুটি লৈ ফুৰা কোনোৱা অতিথিয়ে মিহি মিহিকৈ কোৱা কথা। তোমাৰ দেউতাৰাইও হয়তুৰ নিদি উপায় নাছিল তেতিয়া যেতিয়ানেকি সপ্তাহদিন ধৰি ঘৰলৈ নাহা তুমি। তুমি যেন কমলা বৰাৰ ত্যজ পুত্র হৈ পৰিলা। নানা গালি গালাজ, সংশয় অথবা নানা ঘাট প্ৰতিঘাট অকাতৰে তুমি মানি ললা কিশোৰ কাই। তোমাক হয়তু এদিন কৈছিল — "সেই মিৰি ছোৱালীজনীৰ লগত এদিন যদি কিবা এটা শুনিম, দেখিবি তোৰ বাবে এইঘৰ দুৱাৰ চিৰদিনৰ বাবে বন্ধ হৈ যাব"। তুমি তেতিয়া নিমাতে দেউতাৰাৰ ওচৰৰ পৰা আঁতৰি আহিছিলা। এই কথাও মই জানিছিলো কিশোৰ কাই।

আৰু সেই জনজাতীয় মিছিং ছোৱালীজনীয়েই মই — "অস্মি মিলি"। ময়োজানো কম অপমান গ্লানি পোৱা নাই। হয়তু তুমি মোৰ এই গ্লানিৰ কথা জানি নগলা। কোনো কোনো লোকৰ মতে মই ব্যভিচাৰিনী মোৰ সতীত্বও ঘূণ লাগিছে। মিৰি চাং এৰি মই আৰু মোৰ সতীৰ্থ সকলে নগৰত গৈ আন্দোলন কৰিছো। মিৰি চাং মই কলুষিত কৰি পেলাইছো। কিন্তু কিয় এই গ্লানি? তোমাৰ বাবেই নহয়তু।

মই তোমাক ভালকৈয়ে বুজিছিলো কিশোৰ কাই। তুমি আমাৰ মিৰি সমাজত মিছিং অথবা মিৰি চাঙে চাঙে বগাই কৈছিলা— "অসমৰ জাতীয়তা, অসমৰ সংস্কৃতি কেৱল মাত্র কোঁচ, কলিতা, গোসাঁই, বামুন কিটাই ধৰি ৰাখিব নোৱাৰে, অসমৰ সংস্কৃতি মিৰি মিছিমি আহোম, কছাৰি, হিন্দু, মুচলমান আদিৰ এটা যুটীয়া জাতীয় সংস্কৃতি। জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্রামত জনজাতিৰ অৱদান স্বতঃস্ফূৰ্ত হব লাগিব।" তোমাৰ কথাত আমি মিছিং ডেকা গাভৰু বোৰে বৰ্তমান সমস্যাৰ কথা বুজি উঠিছিল। আৰু সেয়ে ৰাজ বাটলৈ ওলাই আহিছিলো মিৰি চাং এৰি মিৰি চাং ৰাখিবলৈ।

বহুত পলম হৈ গল, তোমাৰ দেউতাৰাৰ ভুলটো ভাঙি দিবলৈ। হয়তু নিজেই জানিব তোমাৰ আৰু মোৰ উদ্দেশ্য জনজাতিৰ সম্প্ৰীতি মাথোন অশ্লীল ৰং তামাচা নহয়।

এতিয়া তোমাৰ চিতাগ্নি সম্মোখত লৈ মই ভাগি পৰিছো কিশোৰ কাই। তোমাৰ বহু-কামেই আধাৰুৱা হৈ ৰল। এই আধাৰুৱা কামবিলাক কৰিবলৈ অনুপ্ৰেৰণা দি গলা সচাঁ, কিন্তু উদ্যমো যে লাগিব। তোমাৰ অনুপস্থিত আমি কৰ পৰা উদ্যম অথবা সাহস পাম। দিয়া কিশোৰ কাই, তোমাৰ অতৃপ্ত আত্মাৰেই আমাৰ অন্তৰত সাহস আৰু উদ্যম প্ৰদান কৰা। তাৰ বাবেই তোমালৈ সভক্তিৰে আনিছো এই ৰক্তিম ফুলৰ মালাধাৰ। তুমি এই নিস্পাপ ফুলৰ মালাধাৰ গ্ৰহণ কৰিবা কিশোৰ কাই।

চিতাৰ জুইকুৰা আগতকৈ দপ দপকৈ জলি উঠিল। টকু টকুকৈ ৰঙা হৈ পৰিছে জুই কুৰা। আউলি বাউলি চুলিৰে ছোৱালী জনী জুইকুৰাৰ ফাললৈ ধীৰে ধীৰে আহি আছে কিয়? কি হৈছে তাইৰ? জুইৰ মাজত নিজকে বিলীন কৰি দিদিয়েতো তাই। জুইৰ পোহৰৰ তীব্ৰতাত তাইৰ ক্ৰন্দসী মুখখনি সেন্দুৰ যেন হৈ অস্পষ্ট হৈ পৰিছে। তাইৰ এই গতিৰ যে শেষ নাই। কিন্তু তাই বহনকৰা হৃদয় ভৰা তেজগোটা ফুলৰ মালাধাৰী অনাহকত নষ্ট যাব দিব নোৱাৰি। এই ধাৰ মালা কেৱল কিশোৰৰ বাবেই হব নোৱাৰে। সমগ্ৰ অসমৰ নতুন পুৰুষৰ বৰেণ্য হব লাগিব। সোৱা তাই চিতাজুই কায পাওঁ পাওঁ। নাই, নাই আৰু চাই থাকিব নোৱাৰি।— "অজি"—

কমলা বৰাই সপোনতে সশব্দে চিএঞৰি দিছিল অস্থি মিলি নামৰ সেই মিছিং জন-জাতীয় ছোৱালীজনীক। কিযে আচৰিত, কল্পনাৰো অতীত এই অভাৱনীয় সপোনটো আজি দেখিলে তেওঁ। নিজৰ মাততে খক মক কৰে সাৰ পাই বিছনাত বহি পৰিল কমলা বৰা। তেতিয়া ৰাতি প্ৰায় এটা মান বাজি-ছিল। পুৱা সাত বজালৈকে সিদিনা তেওঁ শুলে। পুতেকৰ অধঃপতনৰ চিন্তাই তেওঁক বহু ৰাতিলৈকে উজাগৰে ৰাখিলে। ভয়ত তেওঁ মাত হেৰাই যোৱা যেন লাগিছিল সপো-নতে দিঠক। বিছনাত বহিয়েই কমলা বৰাই অনুত পেলাবলৈ ধৰিলে, তেওঁবাৰু আজি কেনে-কুৱা কি কুক্ষণত সপোনটো দেখিলে। "এৰা আজি সাতদিন ধৰি কিশোৰ ঘৰলৈ অহা নাই। কত বা আছে সি, কিবা কৰিচে ভাত পানী-য়েই বা খাইছে নাই। সচাঁকৈ ই দেশৰ স্বাৰ্থত নিজকে এৰি দিলে নেকি। কিবা বিপদ বিঘিনি অপায় অমঙ্গলত পেলোৱা নাইতু। যিহে দেশকালৰ গতি, পুলিচ প্ৰশাসনৰ নিষ্ঠুৰ ব্যবহাৰ, তালৈ মোৰ ভয়েই লাগে। হে প্ৰভু বিপদ বাৰণ হৰি এই অবোধ সন্তানক কলৈ টানি নিছা প্ৰভু।" — বুলি "ৰাক কৃষ্ণ দামোদৰ" উচ্চাৰণ কৰি বাৰান্দালৈ ওলাই আহিল কমলা বৰা নামৰ পঞ্চাশৰ ওচৰা ওচৰি হোৱা আদহীয়া লোকজন।

বাৰান্দাতে থিয় হৈ ৰ লাগি চাই থাকিব লগা হ'ল কমলা বৰা। তেওঁৰ দীঘলীয়া পছলিৰ মুৰত আজি কি দেখিছে। সেই অদ্ভুদ অমঙ্গলীয় সপোনটো বাস্তৱত পৰিণত হল নেকি। তেওঁক আজি সপোনত দেখা দিয়া ৰক্তিম যেন জুইকুৰা নীৰৱে ধীৰে ধীৰে

ধীৰে আগবাঢ়ি আহিছে তেওঁৰ পহুলিয়েদি।

যেন এটি সমদল, মূৰৰ ওপৰত জিলিকি আহিছে ৰঙা বগা ফুলেৰে আবৃত এখন সৰু চাং – অথচ কাহ পৰি জীনযোৱা মৌনতা। সমদলটিৰ আগে আহি আছে চুলি মেলি আউলি বাউলি এজনী জনজাতীয় ছোৱালী। "মই বুজিছো, সাতদিনৰ—অন্তত মোৰ একেটি মাত্ৰ ধন কিশোৰ ওলটি আহিছে খোজেৰে নহয়, পুষ্পক ৰথেৰে। এৰা তাক মই ভাল নাপালেও হাজাৰ জনকাই, হাজাৰ হাজাৰ ছাত্ৰী ছাত্ৰীয়ে তাক আকোৱালী লৈছিল। মোৰেই আজি পৰম ভাগ্য, মোৰ বগা আজি শ্বহীদ"।

"কিন্তু। সৌৱা আজলী জনজাতীয় ছোৱালীজনীক মই কি কম? তাই মোক, তাই মোক ভৎৰ্সনা—নাই, নাই তাইক মই আজি কিবা এনাৰ কৰলৈও মোৰ ভাষা নাই,। তাইক মই কি কম এতিয়া?" কঁপি কঁপি বাৰান্দাতে বহি পৰিল শ্বহীদ কিশোৰৰ দেউতাক কমলা বৰা।

কমলা বৰাৰ পুত্ৰ, শ্বহীদ আজি কিশোৰ বৰা। বাপেকৰ একটি মাত্ৰ ধন। মৃত অৱস্থাতেই শ্বহীদ কিশোৰৰ সুখখনী এবাৰৰ কাৰণে কমলা বৰাক দেখুৱাই, বিপুল জনতাই শ্বহীদৰ আন্তক্ৰীয়া সম্পাদন কৰিবৰ বাবে, চৰকাৰী আলিৰ দাঁতিতেই সুন্দৰ চিতাৰ আয়োজন কৰিলে। অৱশেষত চিতা সজোৱা শেষ হল, শ্বহীদ কিশোৰক চিতাত উঠালে, পাছত সকলোৱে জয় ধ্বনী কৰি চিতাত অগনি জ্বলাই দিলে। ক্ষন্তেকৰ পিছতেই লেলিহান মুখমেলি দপদপকৈ জ্বলি উঠিল "চিতাৰ জুই"।

* * *

## সেই দিনাখন ৰাতি

—ৰাধামাধব মজুমদাৰ
১ম বাৰ্ষিক : উচ্চতৰ মাধ্যমিক

পুৱাতে কাউৰিৰ মাতত টোপনি ভাগিলত, খিৰিকিৰ পিনে চকু বোলাই দেখিলো খিৰিকি এতিয়াও খোলানাই, অৰ্থাৎ এতিয়াও মোৰ উঠাৰ সময় হোৱা নাই। কাৰণ, মোৰ সহপাঠী বৰমেনে সদায় মোতকৈ অলপ সময় হলেও আগেভাগে উঠে। গাকৰ তলৰ পৰা ঘড়িটো লৈ সময় চালো ছয় বাজিব হ'ল। গতিকে আৰু পলম নকৰি হৰিৰ নামলৈ উঠিলো, মোৰ শব্দ পাই ৰমেনেও উঠি পড়িল। দৰজা খুলিয়েই প্ৰকৃতিৰ দাৰবীয়া অৱস্থা দেখি মনটো বেয়া হৈ গল। কাৰণ প্ৰকৃতিৰ পুৱাৰ অৱস্থাৰ উপৰতেই সাধাৰণতঃ গোটেই দিনৰ অৱস্থা নিৰ্ভৰ কৰে। এনেয়ে শনিবাৰ মোৰ অপ্ৰিয় বাৰ তাতেই আকৌ দাৰবীয়া, মোৰ বাবে যেন বিষম হৈ উঠিল। যিকি নহওক টুথব্ৰাছত পেষ্ট লগাই দাঁত ঘহি ঘহি পহলিমুখত উলাওঁতেই চকুত পড়িল যে, কুকুৰ এটাই একেবাৰে চোতালৰ মাজতে মৰমৰ সৈতে মলমূত্ৰ ত্যাগ

কৰি যেনিবা আমালৈ উপহাৰ হে দিথৈ গৈছে। গতিকে মুখধুই সেইখিনি পেলাই গা-পাত ধুই আহি ৰমেনে বনাই যোৰা চাহ খাই কিতাপখন মেলি পঢ়িবলৈ বহিলো কিন্তু ঠিক চাৰে-আঠটা বাজিলত পঢ়াৰ উঠি ন-বজাৰ লগে লগে কলেজ পাবহি লাগিল। অজিৰ ক্লাচ বোৰ কৰি কিয়জানো একেবাৰে ভাল লগা নাই, তাতেই আজি অফ্ও নাই, গতিকে। ধাৰাবাহিক ভাবে সাতোটা ক্লাচ্ কৰি দুই বাজি পোন্ধৰ মিনিটত পেটৰ ভোকৰ কোব্ত কতো পলম নকৰি বাধাল'ৰাৰ দৰে একেবাৰে ঘৰ অভি-মুখে ৰাওনা হলো, ঘৰ. পাটি[illegible] কিমান খাই সিনিবাজি পোন্ধৰ মিনিটত উলাই পৰিলো. ভাৰতৰ প্ৰথম ভয়ানক হিন্দী কথাছবি "দৰজা" চাবলৈ। মই সৰুৰে পৰা ভূতৰ কাহিনী পঢ়িবলৈ. শুনিবলৈ, ভালপাওঁ. গতিকে এইবাৰ ভয়ানক কাহিনীটো চোৱাৰ লোভ ও সম্বৰিব নোৱাৰিলো। যেতিয়া চিনেমা হলত সোমাও তেতিয়া আকাশৰ অৱস্থা অনুকূল নাছিল। কাহিনীটো বৰ ভয়লগা। যেতিয়া হল ঘৰৰ পৰা উলাওঁ, তেতিয়া মেঘৰ ফাঁকে ফাঁকে এটি দুটি তৰা দেখা গৈছিল। ঘৰলৈ পাওঁতে ৰমেনে ভাত বনোৱা সাৰি মাত্ৰ পঢ়িব বহিছেহে মইও আৰু দেৰি নকৰি হাত ভৰি ধুই পঢ়িব বহিলো, বহিলো ঠিকেই কিন্তু মন তেতিয়া কিতাপত নাছিল, মন আছিল সেই ৰহস্যময় ভয়ানক ঘটনা দৰজালৈ। দহ মান বজাত ভাত খাই নিজৰ বিছনাত জাৰ আৰু মহৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ আঠোৰাৰ ভিতৰত গাত লেপ উৰি ডঃ শইকীয়াৰ ৰচিত হৰৰ উপন্যাসখন মেলি পঢ়িব ধৰিলো। কিমান সময় পঢ়িলো নাজানো এনেতে এক কিঃ মিঃ দূৰৈত থকা পি, ডি, এম, চাহ-বাগিচাত পৰ্দাত চিনেমা দেখুওৱা হব বুলি এনাউন্স কৰিথকা শুনা পালো। সন্ধিয়াত চাই অশাসত্বেও বিনা মূলিয়া এইখন নোচোৱাৰ কথা ভাবিব নোৱা-ৰিলো, ইফালে দেতাৰ গৰমত গৰম হোৱা লেপৰ তলৰ পৰা উঠিব মন নগল, তাৰো-পৰি জানোয়ে এই ৰাতিখন ৰমেনক যাবলৈ মান্তি কৰাব নোৱাৰিম। গতিকে শেষলৈ নিজেই ৰাওনা হলো, বাগিচাত ছবি দেখুওৱা যেতিয়া শেষ হল তেতিয়া ৰাতি দেড় বাজি গল। সকলোৰে ঘৰ নিচেই কাষত, দূৰৈত তোলোতে মইয়েই অকলে যেন বোধ কৰিলো ৰাতিৰ অন্ধকাৰত অকলশৰীয়া হৈ আত্মসাহসেৰে পাড়ি দিবলৈ ধৰিলো। এইটো সঁচা যে মই নিজক সাহসী বুলি চিনি পাওঁ। ভয় কাক বোলে, তাৰ অৰ্থ মই নাজানো, কিন্তু তথা-পিতো দীঘল পথৰ বাবে এজন লগৰীয়াৰ প্ৰয়োজন। এনেতে পিছফালৰ পৰা মৃদু কাঁহ শুনিব পাই দেখা পালো যে, এজন বৃদ্ধ মানুহ হাতত এটি হাৰিকেন লৈ আহি আছে। মই ও অলপ নিশ্চিন্ত হলো, প্ৰকৃতিৰ আহ্বান তেতিয়া পোৱা নাছিল যদিও, বুঢ়াৰসৈতে একেলগ হবলৈ এই ভাওঁ জুড়ি দিলো। অলপ পাছত পিছ-ফালে চাই দেখো যে বৃদ্ধ মোৰ পিছফালে নাই; মই মোৰ চকুৰ ভ্ৰম হল বুলি সন্মুখ ফালে যাওঁতেই দেখোঁ যে বৃদ্ধ মোতকৈ প্ৰায় ১১/১২ খোজমান আগত। গতিকে আৰু বৃদ্ধক লগ পাবলৈ এই পিছল বাটত খৰধৰ নকৰিলো। জাৰৰ কোবৰ পৰা ৰক্ষা পাবলৈ ডিঙিৰ মাফলাৰখন ভালদৰে নাকেমুখে মেৰিয়াই ললো। কিমকিমিয়া বতাহটোৱে যেন মই ৰাতিটো অকলশৰীয়া হই চিনেমা-চাবলৈ অহাৰ বাবে মোক গৰিহনা দিছে। ৰাস্তাৰ উপৰত শাখা-প্ৰশাখা বিস্তাৰ কৰি যি আহত জোপা শিয়

হৈ আছে, তাৰ সোঁহাতৰ আলিয়েদি আগ বাঢ়ি গৈ থাকোতেই অচাম্বিতে কোৰ পৰা গাভৰু ছোৱালী এজনী আহি মোৰ হাত ধৰি কবলৈ ধৰিলে "মোক অলপ আগবঢ়াই দি থৈ আহকচোন, অনুগ্ৰহ কৰি"। এই মাজনিশা এজনী অচিনাকি গাভৰুক বাটত পাই, আৰু তাইৰ আচৰণ দেখি মাত মাতিব নোৱাৰিলো, অৱশেষত তাইক দিথৈ অহাৰ সিদ্ধান্ত লৈ পিছ-মুৱা হলো কিছুমান দূৰৈত যোৱাৰ পাছতেই, আন্ধাৰত মই যেনিবা কিবাত খুন্দা খাই বৈ গলো. কিহত খুন্দা খালো তাকে হাত বুলাই চাব লওতেই গাভৰু জনীকহে মোৰ পথ ৰোধ কৰাবুলি গম পালো, এনেতে ছোৱালীজনীৰ কৰ্কশ কণ্ঠেৰে শুনিবলৈ পালো "তই মোৰ অহাযোৱা কৰা বাটত পেছাব কৰিছিলি কিয় ?" কথা শেষ হওঁ নহওঁতেই কোৰবাৰ পৰা এটি চৰ আহি মোৰ গালত পৰিব লৈছিল। ভাগ্য-ক্ৰমে মই হাত খন ধৰিপেলাওঁ। ধৰিলো সঁচা কিন্তু একেবাৰে অবিশ্বাস্য যে আন্ধাৰতো মই স্পষ্ট অনুভব কৰিব পাৰিলো যে সেয়া মানুহৰ হাত নহয় গৰু বা ঘোড়া জাতীয় কিবাৰহে। তৎক্ষণাৎ মোৰ ষষ্ঠ ইন্দ্ৰিয় ইঙ্গিত দিলে যে তুমি প্ৰাণ পণে দৌড়া নহলে বিপদত পৰিবা। দৌৰৰ কোবত মোৰ মাফলাৰ ক'ত পৰিল গম নাপালো। বাটৰ সোঁ-কাষত বুট ৰদাম ভজা বিক্ৰেতা বৃদ্ধৰ ওচৰৰ আহিহে ৰলো আৰু প্ৰাণটোক যেন অলপ জিৰণী দিলো। বৃদ্ধই মোক কৰপৰা আহিলো তাকেই প্ৰশ্ন কৰিলে। মই নিজক বড় পৰিশ্ৰান্ত বোধ কৰিলো, উশাহ নিশাহৰ কোব্ ইমান বেচী হবলৈ ধৰিলে যে বৃদ্ধক ভালদৰে উত্তৰ দিব নোৱাৰিলো। বৃদ্ধই মোক কাগজৰ টোপোলা এটাত বাদাম দিলে, চোবাই খুব ভালেই লাগিছিল। হঠাৎ মোৰ মনে কবলৈ ধৰিলে "বুৰ্বক ইমান ৰাতি কত তই বাদাম বিক্ৰেতা পাবি" ? গতিকে আৰু পলম নকৰি লগে লগে পকেটত হাত সোমালো কিন্তু আচৰিত পকেটত টকা নাই কিন্তু মোৰ স্পষ্ট মনত আছে যে মোৰ পকেটত ৭ টকা আছিল এনেতে সেই কৰ্কশ কণ্ঠেৰে শুনিবলৈ পালো মূল্য দিয়ক। কিন্তু চকু বুলাই যি দেখিলো মোৰ দেহৰ তেজ শীতল হই গল। কত গল বৃদ্ধ, আনকি তাৰ দোকান পৰ্যন্ত নাই, মই আৰু বৈ থাকিব নোৱাৰিলো। যেন দৌৰিবও নোৱাৰা হলো। এনেতে পাছফালৰ পৰা ৰঙা লাইট জলোৱা গাড়ী এটি আহিথকা দেখাপাই হাত দাঙিলো, গাড়ী ৰল, দেখিলো পুলিচৰ জিপগাড়ী, স্বস্তিৰ নিশ্বাস এৰি উঠি বহোতেই চকু পড়িল দাৰো-গাৰ হাতলৈ। আচৰিত দুখন হাতেই গৰুৰ। এনেতে মাত শুনিবলৈ পালো সেই কৰ্কশ কণ্ঠেৰে, "কি চাইছা"। মই একে জাপত গাড়ীৰ পৰা নামি উৰ্দ্ধশ্বাসেৰে দৌৰিব ধৰিলো। সাধাৰণ ভয় মাজে মাজে পাই থাকো, কিন্তু সাহসী হৈয়ো কবলৈ লাজ লাগিলেও ই সঁচা যে এনে ভয় মই কেতিয়াও পোৱা নাই। আমাৰ পাড়াৰ মুখত সোমালত মোৰ দৌড়ৰ বেগ কমিল, আমাৰ চিনাকি সেই নেপালী তিতাৰাম চৌকিদাৰক আহি থকা দেখাপালো, আশাকৰো মাজনিশা মই কোন এই বাটেৰে গৈছো তাকেই চাবলৈ আহিছে। মই আগতেই মাত লনালো, "কি হে তিতাৰাম কলৈ গৈছাহে" ? সি মুখত আঙুলি লগাই ইঙ্গিতেৰে মোক প্ৰশ্ন সুধিলে, মোৰ ওচৰত চিগাৰেট আছে নেকি, আচৰিত ইমান ৰাতি সি মোক বাটত দেখিও নোসো-ধিলে মই কৰ পৰা আহিছো। মই চিগাৰেট এটাই দিয়াশলাই সৈতে তাৰ হাতত দিলো।

মোৰ দেউতা কোৰত আৰু বাদাম খোৱাৰ বাবে বৰ পানী পিয়াহ লাগিছিল। চিগাৰেট জ্বলাওঁতে শলাইৰ পোহৰত স্পষ্ট দেখা পালে, এইজন যে ভিক্তাৰাম নহয়। সেই শকতহস্তৰ মানুহজন। মই পলাব লওঁতেই, ডিভিত পিছ-ফালৰ পৰা বছিৰ মেৰ পড়িল। বছিৰ টানত মই বাটতে পৰি গলো, পিয়াহ ইমানেই বেচী হল যে, মোৰ অজানতে মই চিঞৰিব ধৰিলো পানী দিয়ক, অলপ পানী দিয়ক।

মুখত যেতিয়া পানী পড়িল, মোৰ টোপনি ভাগিল। চকু মেলি চাই দেখোঁযে ৰমেনে মোৰ মুখত পানী ঢালিছে। পানী খোৱা শেষ হলত দেখোঁযে উপন্যাস খন মেলিয়েই, গাৰু নোলোৱাকৈয়ে, লাইট জ্বলোৱাই থাকিলে, মাত্ৰ মইহে টোপনিত মগ্নহৈ পড়িছিলো। মাফলাৰ খন ডিভিত বৰ টানকৈ মেৰাই আছিল। অৱশেষত বিছনাৰ পৰা নামি ৰমেনক মোৰ ৰাতিৰ সপোনৰ সাহসিকতাৰ পৰিচয় দিলো।

ৰেডিওটো অন্ কৰি দিয়াৰ লগে লগে বাজি উঠিল। বঙ্কিম চন্দ্ৰৰ গীত বন্দে মাতৰম্। আজি দেওবাৰ।

* * *

# কপালৰ লিখন নহয় খণ্ডন

—কিশোৰ কুমাৰ বৰঠাকুৰ
২য় বাৰ্ষিক, স্নাতক

কাল ধুমুহাই
নিলে উকৰাই
হেপাহৰে বালিঘৰ।

গানৰ কলিটো মনলৈ অহাৰ লগে লগে চকখাই উঠে প্ৰণতিজনী। যানে মিচ, তুলতুলি হাজৰীকা। সদাই তাইৰ হেপাহৰ বালিঘৰটো বিমান মনৰ ৰঙীন কল্পনাৰ আব-ৰণেৰে সজ্জিত। আজি কাল ধুমুহাই উক-ৰাই লৈ গল। তাইৰ হিয়াৰ চক্ৰতাপেৰে সজোৱা বালিঘৰটো দেখোন তাইয়ে ভাঙিছে। তাই যদি সেইদিনা প্ৰভাতক তৈলক্ষেত্ৰলৈ অকলে নপঠাই নিজেও গলহেঁতেন, তেতিয়া হয়তু সেই অমঙ্গলীয়া .... .... —। উহ্ আৰু ভাবিব নোৱাৰে তাই। এক অব্যক্ত বেদনাত তুল-তুলিৰ বুকুখন বিষাই যায়, স্মৃতিৰ শৰযে তুল-তুলিৰ হৃদয় থকা সৰকা কৰে। কোনোদিনে তাই সেই দিনটোৰ কথা সম্পুৰ্ণ কৰি ভাবিব পৰা নাই। মনত পৰিলেই টপ্ টপ্ কৈ সৰি পৰে দুটি নয়নৰ অজস্ৰ অশ্ৰুকনা ; চাঁদৰ আঁচলেৰে তুলতুলিয়ে অশ্ৰুনদীক ভেঁটা দি আক্ষেপ কৰি গায়।

কাল ধুমুহাই
নিলে উকৰাই
হেপাহৰ বালিঘৰ।

নিজকে প্ৰবোধ দিয়ে সকলো নিয়ন্তৰ লীলা, মাটিৰ মানুহে ইয়াক কেনেকৈ ৰোধ কৰিব। তথাপি দেখোন মনে নামানে।

তাইৰ ভাগৰুৱা প্ৰাণ যে আকৌ উচুপি উঠে। সেয়ে হয়তু তাই গায়।

উচুপে কিয়নো ঘনে
পাৰিলে আগলৈ
মন জুৰুৱা
ছেনেহৰ ছাঁ ভৰা বল।

সচাঁই তাইতো এতিয়া সেই আগৰ দৰে হিয়া জুৰ পেলোৱা মণিকা, মঞ্জু, পৱন, প্ৰভাতক পাব। সচাই প্ৰভাতটো যে কিমান মৰমীয়াল, কিমান সৰল আছিল। প্ৰভাতৰ লগত কটোৱা সেই দিনবোৰ যে কিমান মধুৰ আছিল। যেতিয়া প্ৰভাত আছিল যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ আৰু তুলতুলিয়ে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত নাম লগাইছিল। প্ৰভাত আৰু প্ৰণতিৰ চিনাকী আকস্মিক।

সেইদিনা কলেজৰ নৱাগত আদৰণি। তুলতুলি নৱাগতা। তাই ডুলিয়াজান উচ্চতৰ বিদ্যালয়ৰ পৰা দ্বাদশ বাৰ্ষিকত উত্তীৰ্ণ হৈ যোৰহাট জে, বি কলেজত স্নাতক মহলাত ভৰ্ত্তি হৈছে। ডুলিয়াজানতে পঢ়িব পাৰিলেহেঁতেন যদিও যোৰহাটত থকা মোমায়েকহঁতে জোৰ কৰাত ইয়াতে নাম লগালে। তুলতুলি ভাল গান গাইছিল। সেয়ে জে, বি কলেজৰ সাংস্কৃতিক সম্পাদক অনন্ত বৰুৱা তুলতুলিৰ মোমায়েকৰ লৰা মোহনৰ ক্লাছফ্ৰেণ্ড। নৱাগত আদৰণিৰ দিনা নিশাৰ সাংস্কৃতিক সন্ধিয়াত গীত পৰিবেশন কৰিবৰ বাবে অনন্তই তুলতুলি অনুৰুধ কৰিলে, মোহনৰ উৎসাহ আৰু আশ্বাসত তুলতুলি ৰাজি হৈছিল। আৰু সেইদিনাই তুলতুলি জীৱনৰ গতি সলনি কৰি দিছিল।

নিশাৰ সাংস্কৃতিক সন্ধিয়ালৈ ওচৰৰ আন আন কলেজৰ ছাত্ৰ ছাত্ৰীও আহিছিল। প্ৰণতিৰ গীত শুনি মুগ্ধ হৈ শ্ৰোতা সকলে অনুৰুধ কৰি কৰি তাইক কেইবাটাও গীত গোৱালে। শেষত এজন ডেকা থিয় হল। তেওঁ তুলতুলিক অনুৰুধ কৰিলে। তাইৰ আটাইকৈ প্ৰিয় গীতটো পৰিবেশন কৰিবলৈ। প্ৰথমে তুলতুলি থত্ মত্ খাই গৈছিল। মনে মনে ভাবিলে কোনটো গান বাৰু তাইৰ অতি প্ৰিয়? হঠাতে এটা গানৰ কথা তাইৰ মনত পৰি গল, যিটো গীত গাই "সুৰবাহিনীয়ে" অসংখ্য জন গায়কক দেশ প্ৰেমৰ বাবে উদ্বুদ্ধ কৰি তুলিছিল। গীতটো লিখিছিল তাইৰ প্ৰিয় বন্ধু হেমন্তই। গীতটো আন্দোলনৰ পটভূমিত ৰচিত বাবেই তাইৰ বেচি ভাল লাগে।

"যায় যদি জীৱন যাওক
মাতৃহকে যুঁজুতে
বুকুৰ শোণিত ঢালি
ৰাতিতে গঢ় সাজিম
আপোন মাতৃৰ বুকুতে"

গীতটো শুনি অনুৰুধ কৰা ডেকা জন স্তব্ধহৈ যায়। ইমান সুৰৰ প্ৰাচুৰ্য্য! ইমান দৃঢ় অঙ্গীকাৰ, ইমান দেশপ্ৰেম, আত্মত্যাগৰ ভাৱ যেন নিহিত হৈ আছে এই গীতত। গীতটোৱে যুৱকজনক ইমান মুগ্ধ কৰিলে যে অনুষ্ঠানৰ শেষত সাংস্কৃতিক সম্পাদক অনন্তৰ সহায়ত পৰিচয়ও হল সেই প্ৰাণময় আলোড়ন সৃষ্টি কৰা গায়িকা প্ৰণতি হাজৰিকাৰ লগত। তুলতুলিৰ গীত যিমান মধুৰ তাইৰ আচল

ব্যৱহাৰ তাতোকৈ মধুৰ। তুলতুলিৰ লগত হোৱা চিনাকীয়ে সেই যুৱকৰ মনত এক মচিব নোৱাৰা সাঁচ বহুৱালে তুলতুলিৰো ভাল লাগিছিল সেই ব্যৱহাৰত। ঢৌ খেলা চুলিৰে ইঁহো কৰা নীল হুচকুৰ আৰু কোমল মুখশ্ৰীৰ যুৱকজনক। ইতিমধ্যে তুলতুলিৰ মোমায়েকৰ পুতেক মোহন আহি পোৱাত দুয়ো দুয়োকে পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় লয়। প্ৰণতি গুচি গল মোহনৰ লগত। আৰু সেই যুৱকজন ?

যুৱকো গলগৈ নিজৰ ছাত্ৰাবাসৰ ১৫ নং কমলৈ তুলতুলি আকৌ লগ পোৱাৰ এক অনিশ্চিত আশালৈ। সেই যুৱকজনেই হল যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ প্ৰভাত বৰুৱা। দিন যায় ৰাতি আহে। প্ৰতিটো দিনেই কঢ়িয়াই আনে নতুনত্ব। নতুন বাতৰি অসমৰ বুকুত অস্তিত্ব ৰক্ষাৰ তুমুল সংগ্ৰাম। প্ৰতিজন অসম বাসীৰ বুকুত মাতৃৰ পূজাত শোণিত দিয়াৰ, দৃঢ় অঙ্গীকাৰ। এই পৰিবেশৰ মাজতো প্ৰভাতৰ মনত তুলতুলি তুলতুলিৰ মনত প্ৰভাতৰ প্ৰতিচ্ছবিয়ে ভুমুকি মাৰে। এই ভাৱৰ গাঢ়তাই দুয়োকো বাস্তৱ ক্ষেত্ৰলৈ অধিক ওচৰ চপাই আনিলে। লাহে লাহে স্মৃতিৰ বুকুত দিনবোৰ হেৰাই গল। বছৰেও মাহবোৰৰ গাত আঁউজি তাৰ ভাগকৰা দেহাটোৰে বাগৰ সলালে। প্ৰভাত তুলতুলি এদিনৰ চিনাকীয়েও বাগৰ সলাই ৰূপ ললে পৱিত্ৰ প্ৰেমৰ। প্ৰভাত তুলতুলি, দুটি যেন অভিন্ন আত্মা। এজনৰ অবিহনে আনজনৰ জীৱন অপূৰ্ণ।

এদিন প্ৰভাত সুখ্যাতিৰে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা ওলাই গল। নিজৰ মেধাবী গুণৰ বাবেই সহজেই তুলিয়াজানৰ তৈলক্ষেত্ৰৰ কোম্পানীৰ অধীনত জুনিয়ৰ একজিকিউটিভ ইঞ্জিনিয়াৰ পদত নিযুক্ত হল। লগে লগে গঢ়ি উঠিল তুলতুলিৰ দেউতাক কুমুদ হাজৰীকাৰ লগত এক ঘনিষ্ঠ সম্বন্ধ। তুলতুলি ঘৰখনৰ উদাৰতাই প্ৰভাতক আত্মীয়তা গঢ়ি তুলিবলৈ প্ৰেৰণা যোগালে। প্ৰভাত অৱশ্যে তুলতুলিৰ বিষয়ে ঘৰত কৈছে। তাক দেউতাকে সামান্য অজুহাতৰ বাহিৰে বিয়াৰ বাবে সম্মতি জনাইছে।

মাকে মনে মনে কলিতা আৰু আহোমৰ মাজত পাৰ্থক্য পাইছিল যদিও বৰ্ত্তমানৰ যুগটোক চাই একো নকলে। তাতে প্ৰভাত আৰু প্ৰণতি দুয়োটাই শিক্ষিত।

অসমৰ বুকুত গঢ়লৈ উঠা আন্দোলনৰ সেইয়া আছিল চৰম মুহূৰ্ত্ত। চাৰিওফালে বিপ্লৱৰ প্ৰজ্বলিত দাবানল। এফালে ক্ষমতাৰ বাবে হাঁহাকাৰ আনফালে অস্তিত্ব ৰক্ষাৰ দৃঢ় অঙ্গীকাৰ শ্ৰোতাস্বিণী বৰলুইতৰ বুকুত আৰু তাৰ কঁহুৱা ভৰা দুয়োপাৰে নিনাদিত হৈছে অসমীৰ সন্তানৰ নিনাদ। এই কোলাহলৰ মাজতে অনুকম্পিয়াকৈ প্ৰভাত আৰু তুলতুলিৰ বিয়াখন সমাধা হল। দুটি প্ৰাণ এক হল। প্ৰাণৰ দেৱতা প্ৰভাতক হিয়াৰ আপোন কৰি পোৱাৰ আশাত যোৰহাট এৰি প্ৰণতি তুলিয়াজান পালেহি।

মাটিৰ মানুহ প্ৰভাত তুলতুলি, সপোন দেখে। সপোনৰ নীলিমাহঁতে জীৱনক হাত বাউল দি মাতে। এটা মিঠা সপোনৰ আমেজত ভৱদি জীৱনে তৰাবচা নীল আকাশখন দৃষ্টি ৰাখে উপলব্ধি কৰে আকাশখন ইমান মধুৰ।

এই মধুৰভাৱে পাৰ হল দিনৰ পাছত দিন, মাহৰ পাছত মাহ। প্ৰভাতৰ মৰমৰ মায়াজালেৰে তুলতুলি দিনবোৰ আৰু মধুৰ কৰি তুলিলে। কিন্তু হায়। দুৰ্ভগীয়া তুলতুলিয়ে নেজানিলে ইমানৰ মধুৰতা যে ভগৱানে সহ্য নকৰে। কথাতে কয় আই যখলৈ যাম দুই হাতে খাম। বিধাতাই বোলে মইও পাছে পাছে যাম। তুলতুলিৰো সেয়ে হল। এই স্বৰ্গীয় অমিয়াভৰা সুখ তাই বেছি দিন উপভোগ কৰিবলৈ নাপালে। হঠাতে তাইৰ উজ্বল আকাশত জিলিকি থকা জোনটোৰ মুখত কলা ডাৱৰৰ আবিৰ্ভাৱ হল। জোনটো নিস্প্ৰভ হৈ শেষত নামি আহিল তাইৰ জীৱনলৈ ঘোৰ আমনিশাৰ ভয়াবহ অন্ধকাৰ।

তৈল ক্ষেত্ৰত পিকেটিং। দুলিয়াজানৰ বাহিৰেও বিভিন্ন ঠাইৰ পৰা হাজাৰ হাজাৰ মানুহ আহি তৈলক্ষেত্ৰক পুণ্যক্ষেত্ৰ কৰি তুলিছে। ইঞ্জিনিয়াৰ প্ৰভাত বৰুৱাইও এই পিকেটিংত এক গুৰুত্বপূৰ্ণ অংশ গ্ৰহণ কৰিলে। দিনে ৰাতিয়ে অজস্ৰ পিকেটাৰক সেৱা শুশ্ৰূষা কৰাত প্ৰভাত ব্যস্ত। সুৰ বাহিনীৰ আহ্বায়িকা তথা নায়িকা তুলতুলিয়ে সদায় ওচৰৰ মিচেচ্ গগৈ, শইকীয়া আদিৰ লগত তৈলক্ষেত্ৰলৈ যায়।

অশান্ত দুলিয়াজান দিনে দিনে বেছি অশান্ত হৈ আহিল। অশান্ত জন সাধাৰণক নিয়ন্ত্ৰণ কৰাৰ নামত চৰকাৰ প্ৰশাসন যন্ত্ৰই এক নিৰ্মম আদেশ জাৰি কৰিলে। জালিয়ান বাগৰ সেই নাৰকীয় হত্যা কাণ্ডকো চেৰ পেলাই এজন আৰক্ষী অধীক্ষকে দুলিয়াজানত সংঘটিত কৰিলে অন্য নাৰকীয় হত্যা কাণ্ড। আদেশ দিলে আন্দোলনকাৰী জনতাৰ ওপৰত ধাৰাসাৰে গুলীবৰ্ষণ কৰিবলৈ। মৃত্যু হল মাতৃৰ আচলৰ ধন, বহু সন্তানৰ কত পিতৃহীনা, কত ভাতৃহীনা হল। কতজনী লখীমী বোৱাৰীৰ কপাল উৰুং হল। বন্দুকৰ ধোঁৱাত অসমৰ আকাশ ধূসৰ হল। গুলীৰ শব্দই অসমৰ আকাশ কঁপাই তুলিলে।

কঁপাই তুলিলে উৎকণ্ঠাৰে প্ৰভাতলৈ অপেক্ষা কৰি থকা তুলতুলিৰ উৎকণ্ঠিত হৃদয় খনিও। অলপ পিছত গোটেই অঞ্চলটোতে বিয়পি পৰিল "কুমুদ গগৈ" শহীদ হল। মনটো আৰু কঁপিবলৈ ধৰিলে তাইৰ ইচ্ছা হল এতিয়াই যেন তাই দৌৰি যাব। তাইৰ প্ৰভাতক বিচাৰি কিন্তু নিৰুপায়। দুলিয়াজান তৈলক্ষেত্ৰত সান্ধ্য আইন বলবৎ কৰিছে। উচ্‌পিচ্ কৰি গভীৰ উৎকণ্ঠাৰে তাই মাথো প্ৰভাত লৈ অপেক্ষা কৰি বল। অমঙ্গলীয়া চিন্তা বোৰে তাইক আমনি কৰিব ধৰিলে। প্ৰভাতেও যদি কুমুদ গগৈৰ দৰে .... .... .... .... .... ....। তাই আৰু ভাবিব নোৱাৰে দৌৰ মাৰিলে তাইৰ ঘৰৰ কাষতে থকা গোঁসাই থাপনাৰ ওচৰলৈ। আউলি বাউলি হৈ পৰা চুলিবোৰৰ আমনিক আওকান কৰি তাই ভগৱানক প্ৰাৰ্থনা কৰে "দয়াময় তুমিয়ে কাৰণ .... .... .... .... "।

তাইৰ কাতৰ প্ৰাৰ্থনাই হয়ত্ ভগৱানৰ হৃদয় স্পৰ্শ নকৰিলেগৈ। তাইৰ হৃদয়ৰ আকুল প্ৰাৰ্থনা ভগৱানে শুনাৰ আগতেই প্ৰভাতৰ বুকুৰ কেচা শোনিতেৰে অসমৰ মাটি সেমেকাই গালে।

"যায় যদি জীৱন যাওক
মাতৃ হকে যুঁজুতে
বুকুৰ শোণিত ঢালি
ৰাতিতে গড় সাজিম
আপোন মাতৃৰ বুকুতে"।

"জয় আই অসমৰ" পবিত্ৰ মন্ত্ৰেৰে আপ্লুত প্ৰভাতে সেই আদৰ্শক সৱোগত কৰি তুলতুলি কপালত দকমকাই থকা সেন্দুৰৰ ৰঙা ফোঁটটো মোহাৰা হৈ গল। কপালৰ ফোঁটটোৰ লগতে শিৰত জিৰবিৰাই থকা সেন্দুৰৰ ধাৰাটোও নিস্তেজ হৈ পৰিল লগে লগে ভাগি পৰিল তাই গীতত প্ৰকাশ পোৱা সেই বালিঘৰটো। কাল নিয়তীৰ নিষ্ঠুৰ হাতে তাইৰ আশাৰ কাৰেং ঘৰটো খান বান কৰি দিলে।

সেইয়ে সৌৰৱণীৰ পৰশত তুলতুলিয়ে আজিও ৰিননি তোলে- হৃদয় বিদাৰি যোৱা মৰ্ম্মস্পৰ্শী সুৰেৰে।

কাল ধুমুহাই
নিলে উকৰাই
হেপাহৰ বালিঘৰ।

* * *



## প্ৰবন্ধ

# শিক্ষা সমাজ আৰু দেশ

এচ, এল আগৰৱালা, এম, কম্,
প্ৰবক্তা, বাণিজ্য বিভাগ

মানুহ সৃষ্টিৰ শ্ৰেষ্ঠ প্ৰাণী বুলি কোৱা হয়। সকলো দেশৰ, জাতিৰ, ধৰ্ম্মৰ দৰ্শনেই এই কথাক স্বীকৃতি দিছে। ইয়াৰ পৰা বুজা যায় যে ইয়াত কোনো দ্বিমত নাই। কিছুমান প্ৰকৃতি পশু আৰু মানুহৰ মাজত সমান। কাজেই মানুহ যে অন্য ইতৰ প্ৰাণীতকৈ শ্ৰেষ্ঠ ইয়াৰ কিবা এটা বিশেষ পাৰ্থক্য থাকিবই লাগিব। আৰু এই পাৰ্থক্য হ'ল মানুহৰ ভিতৰত বিবেক বুলি এটা জাগ্ৰত প্ৰহৰীৰ উপস্থিতি। যদি এই তৰ্কই সঁচা হয়, তেন্তে আকাৰ প্ৰকাৰত মানুহৰ অবয়ব থাকিও যদি বিবেক অনুপস্থিত থাকে তেন্তে সেই মানুহও পশুৰ একে শাৰীত গণ্য। গতিকেই মানুহ হিচাবে আমাৰ বেলেগ অস্তিত্বক প্ৰতীয়মান নিয়াবৰ বাবে মানুহ মাত্ৰেই বিবেক থকাৰ আৱশ্যক। বিবেক হ'ল সেই বিচাৰ শক্তি যাৰ দ্বাৰাই ভাল বেয়া, ন্যায়-অন্যায়, উচিত অনুচিত, সৎ-অসৎ আদি গুণ দুৰগুণৰ মাজত পাৰ্থক্য বিচাৰি উলিয়াব পৰা যায়। মানুহৰ বিকাশ আৰু উন্নতিৰ ঘাই আহিলা এই বিবেকৰ উপস্থিতি আৰু মজবুত হয় শিক্ষাৰ দ্বাৰাই। শিক্ষা তল মানুহ মাত্ৰৰেই অপৰিহাৰ্য্য। শিক্ষাৰ অবিহনে মনুষ্যত্বৰ বিকাশ সম্পূৰ্ণ নহয়। শিক্ষা মানে কিন্তু আমি অকল পুথি অধ্যয়ন বা আনুষ্ঠানিক শৈক্ষিক প্ৰমাণ পত্ৰ ধাৰণ কৰাটো বুজোৱা নাই। প্ৰকৃত শিক্ষা হ'ল মানুহৰ চৰিত্ৰৰ এটি অবিচ্ছেদ্য অঙ্গ। মানুহ জন্ম গ্ৰহণ কৰি বুজিব পৰা হোৱাৰ পৰাই নিজৰ চাৰিওফালে প্ৰকৃতিৰ দ্বাৰাই মেলি পাৰি থোৱা পৰিবেশৰ পৰা শিক্ষা আহৰণ কৰিবলৈ আৰম্ভ কৰে। শিক্ষাৰ কাৰণে যে সদায় অনুষ্ঠানিক শিক্ষা পদ্ধতি লাগিবই ই প্ৰয়োজনীয় বুলি নভবাৰও থল আছে। কাৰণ পৃথিবীৰ বুকুত জন্ম গ্ৰহণ কৰা মহান পুৰুষ বিলাকে ইয়াক প্ৰমাণ কৰি থৈ গৈছে। তেওঁলোকে এনে কিছুমান অৱদান বিশ্বৰ মানুহক দি গৈছে যি বোৰ তেওঁলোকে কোনো অনুষ্ঠানিক শিক্ষা নোপোৱা কৈও দিবলৈ সক্ষম হৈছিল। গতিকে মানুহ জাতিৰ প্ৰধান শিক্ষাৰ স্থান আৰু গুৰু ইয়াৰ সৃষ্টিকৰ্তা প্ৰকৃতি নিজে। মহাপুৰুষ সকলৰ কথা যদি আমি ব্যতিক্ৰম বুলি ধৰি লওঁ আৰু সাধাৰণ মানুহৰ কাৰণে যে আনুষ্ঠানিক শিক্ষা নহলে তেওঁলোকৰ সুপ্ত বিবেকক জগাব নোৱাৰি বা তেওঁলোকৰ ভিতৰত মনুষ্যত্বৰ বিকাশ ঘটাই ব্যক্তিত্বক জগাই তুলিব নোৱাৰি, এনে ধাৰণা যদি প্ৰকৃততে উপযোগী তেন্তে বৰ্ত্তমান বা আদি যুগৰ পৰা পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন অনুষ্ঠানিক শিক্ষা পদ্ধতি চলি থকাটো বাঞ্চনীয় কিন্তু যদিহে আমি এই কথাও স্বীকাৰ নকৰিও নোৱাৰো যে বৰ্ত্তমান চলি থকা শিক্ষা পদ্ধতিয়ে মানুহৰ বিবেক,

মনুষ্যত্ব নষ্ট কৰাতহে ইন্ধন যোগাইছে। তেন্তে তেনে শিক্ষা পদ্ধতিৰ অস্তিত্ব বৰ্তি থাকিব লাগে বুলি আমি মত পোষণ কৰিব নোৱাৰো। কাজেই মানুহক মনুষ্যত্বৰ পৰা পশুৰ শাৰীলৈ ঠেলি নিব পৰা শিক্ষা পদ্ধতি সময় থাকোতেই ভাঙি চিঙি নতুন সাৰ্বজনীন শিক্ষা পদ্ধতিৰ বিকাশ কৰাৰ কাৰণে সকলো শিক্ষা শাস্ত্ৰী আৰু মানৱ প্ৰেমীৰ প্ৰধান কৰ্ত্তব্য। যি শিক্ষাই মানুহক-মানুহৰ পৰা দূৰ কৰে, মানুহ-মানুহৰ মাজত হিংসা, দ্বেষ, শত্ৰুতা, বিভেদ সৃষ্টি কৰে, যি শিক্ষাই মানুহক জাতি, ধৰ্ম্ম অঞ্চল, প্ৰদেশ, গোষ্ঠী, আদি বিভক্ত কৰি মানুহৰ অন্তৰত তীব্ৰ মাৰক বিহ বিস্তাৰ কৰে তেনে শিক্ষা আজিয়েই ধ্বংস কৰাৰ সোনালী ক্ষণ। যদি এই প্ৰক্ৰিয়া আমি আমাৰ ঠেক স্বাৰ্থৰ কাৰণে বৰ্তাই থকাৰ বিচাৰোঁ তেন্তে ইয়াৰ পৰিণাম কিন্তু এটা সময়ত অতি ভয়ঙ্কৰ হব আৰু মানৱ সমাজ ধ্বংসৰ জ্বলামুখিত জাহ যাব লাগিব।

আজিৰ শিক্ষাই এটি পবিত্ৰ, নিৰ্মল হৃদয়ৰ মানব শিশুৰ কুমলীয়া মনত এনে কিছুমান ভয়ঙ্কৰ বিভেদকামী আৰু ধ্বংসমুখী বীজ ৰূপণ কৰে যে সি বুজিব পৰা হোৱালৈকে নিজক এই প্ৰসাৰিত বিশাল সুন্দৰ ধৰাৰ এটি ঠেক গণ্ডীত আবদ্ধ হোৱা দেখিবলৈ পায় আৰু আজীৱন সেই ঠেক গণ্ডীৰ বিষাক্ত নাদত চট্‌পটাই জীৱন নিয়াৰ লগীয়া হয়। সুন্দৰ প্ৰকৃতিৰ সৃষ্টি অতি সুন্দৰ মানুহ জাতি কি যে ভয়ঙ্কৰ ধ্বংসৰ তাণ্ডৱ লীলা অহৰহে কৰি থাকিব লগীয়া হৈছে তাক পৃথিৱীয়ে এবাৰ নহয় কেইবাবাৰো দেখা পাইছে। ধ্বংসমুখী যুদ্ধৰ বিভীষিকাৰ সৃষ্টি হৈছে বিভিন্ন দেশৰ মাজত; যাৰ দুৰপৰিণাম মানুহ জাতিয়ে ভুগিয়েই আছে। কাজেই সময় পুষ্ট হৈ পৰিছে চিন্তা কৰাৰ যে এই ধ্বংসকামী শিক্ষাক আৰু কিমান দিন আমি আকোঁৱালি ধৰি থাকিম। তাতোকৈ এটি ভয়ঙ্কৰ কথা হল — আমাৰ মৰমৰ অতি প্ৰাণৰ দেশ এই ভাৰতবৰ্ষত চলি থকা চাকৰি মুখী প্ৰমাণ পত্ৰ আহৰণ মুখী ধ্বংসমুখী শিক্ষা নীতি আৰু পদ্ধতি। এই দেশৰ এই সৃষ্টিকামী, উজ্জ্বল ভবিষ্যত মুখী আশাৰ ধৰণী তেজোদীপ্ত যুৱক যুৱতীক আমি যেতিয়া তেওঁলোকৰ জীৱনৰ আটাইতকৈ মূল্যবান সময়খিনি স্কুল মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত নিৰুদ্দেশ্য ভাবে নষ্ট কৰা দেখা পাওঁ তেতিয়া গাৰ প্ৰত্যেক ডাল নোম শিয়ৰি উঠে। ই ভাবিবলৈ বাধ্য কৰে আমাক কি অধিকাৰ আছে দেশৰ, সমাজৰ ধৰণী স্বৰূপ নেতৃবৰ্গৰ এই মহান শক্তিও এনেদৰে ভৰিৰে মোহাৰি নষ্ট কৰাৰ। যেতীয়া এটা ফুল কুমুলীয়া শিশুয়ে তাৰ ৰঙচুৰা দুটি গাল লৈ সোমায় যায় স্কুল এখন লৈ; তেতীয়া কি যে ভাল লাগে তাৰ তেজোদীপ্ত মুখ আৰু চকু দেখি। যেন ভবিষ্যত পোহৰ কৰিবলৈ এনোৱা এটি ৰাতিপুৱাৰ সূৰ্য্য ই আকাশত দেখা দিছে। দিন বাগৰি যায় শিশু যুৱক হয় আৰু প্ৰৱেশ কৰে উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহত-যেনে-মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত। কিন্তু এই পৰিবৰ্ত্তনৰ লগে লগে সেই শিশুৰ চকু আৰু মুখত নিস্তেজ আৰু চিন্তা ক্লিষ্ট হোৱা ৰৱণীয়া ছাই চাতি যোৱা দেখা যায় আৰু এটি সময়ত সেই ভবিষ্যতৰ উদিত সূৰ্য যৌবনৰ ভৰ দুপৰতে শক্তিহীন, তেজহীন, নিৰাশ আৰু কৰ্মশক্তিহীন হয় জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ পথত পৰাজিত এটি ভাগৰুৱা, আহাৰ, নিদ্ৰাহীন, বিশ্ৰামহীন পথিক যেন দেখা যায়। কাৰণ এই

শিক্ষাই নিদিয়ে আত্মবিশ্বাস, স্বাভিমান, আত্ম-সম্মান বৰঞ্চ এটি কৰ্ম্মঠ যুৱকক আত্মবিশ্বাসহীন, আত্মসম্মান শূন্য, পৰনিৰ্ভৰশীল গোলাম মনোবৃত্তিৰ মানুহলৈ ৰূপান্তৰ কৰে। চাকৰিৰ বজাৰত চলা কলা টকাৰ শাতন মহীয়া জেতিৰ বানপানীত নিজকে বঠাবিহীন নাওত উটি অহা এটা নাৰকীয়া যেন অনুভৱ কৰে আৰু নিজৰ ধ্বংস অৱশ্যম্ভাৱী বুলি ভাবি শুঁতত নিজকে এৰি দিবলৈ বাধ্য হয়। অধ্যয়নৰ সময়ত পুথি সমূহৰ অধ্যয়ন কৰা ডাঙৰ ডাঙৰ আদৰ্শ আৰু নীতিৰ কথা বতাহৰ তুলা উৰাদি পলকতে উৰি নাইকীয়া হৈ যায়। গোটেই পৃথিৱীয়ে এটা ডাঙৰ ভুৱা আৰু প্ৰহসন পৰিণত হয়। এনে ধ্বংসকামী শিক্ষাই সমাজ আৰু দেশৰ ধ্বংস অচিৰেই মাতি আনিছে সেয়ে সময় থাকোঁতেই যদি ধ্বংস নতুন সৃষ্টিকামী শিক্ষা পদ্ধতিৰ বিকাশ কৰা নহয়; এই দেশ আৰু জাতিৰ ধ্বংস অনিবাৰ্য। সেয়ে দেশৰ সমাজৰ নেতৃবৰ্গ সচেতন হওঁক। তেওঁলোকে নিজৰ জীৱনৰ মিথ্যা সুখ, ভোগ আৰু বিলাস পৰিহাৰ কৰি নতুন পুৰুষৰ কাৰণে নিজৰ জীৱন, যৌৱন উৎসৰ্গা কৰক।

ধ্বংসমুখী হৈ শিক্ষা পদ্ধতি বৰ্তি থকা আৰু ক্ৰমান্বয়ে আৰু পঙ্গমুখী হোৱাৰ কাৰণে যেনেকৈ দেশৰ সমাজৰ নেতৃবৰ্গ দায়ী ঠিক তেনেকৈ শিক্ষক সমাজও তাতকৈ কোনো গুণে কম দায়ী নহয়। শিক্ষক সমাজৰ ধ্বনী ই অক্ষৰতঃ সঁচা।

সমাজ দেশৰ মঙ্গল, উন্নতি নিৰ্ভৰ কৰে শিক্ষকৰ মানসিতা, নিষ্ঠা, কৰ্ম্মপৰায়নতা আৰু ত্যাগৰ মনোবৃত্তিত। কাৰণ দেশৰ উটি অহা নাগৰিকক গঢ় দিয়ে শিক্ষাই আৰু এই শিক্ষা দান কৰে শিক্ষকে। যদি এই শিক্ষাদান ত্ৰুটিপূৰ্ণ হয়, তেন্তে সবল সমাজ আৰু নাগৰিক গঢ়ি উঠাৰ কথা চিন্তা কৰাটো এটা ডাঙৰ আচৰ্য্য হব। কোনো সমাজে, কোনো দেশে ইয়াৰ শিক্ষক শ্ৰেণীক অৱহেলা কৰি লাভৰ ভাগী হব নোৱাৰে! শিক্ষকক অৱহেলা কৰা সমাজ দেশৰ ধ্বংস যে অৱশ্যম্ভাৱী ই ধ্ৰুৱপ। গতিকে প্ৰথম কাম হ'ল দেশৰ শিক্ষক শ্ৰেণীক যথোপযুক্ত সন্মান উচ্চস্থান আৰু মৰ্য্যাদা দি তেওঁলোকৰ সমাজৰ জোৰ গঠন কৰ্ত্তা হিচাপে আগবাঢ়ি যাবলৈ প্ৰেৰণা দি সমাজ আৰু দেশে নিজৰ কৰ্ত্তব্য পালন কৰা। তাৰ পিছত হ'ল — শিক্ষক শ্ৰেণীক সমাজ আৰু দেশৰ অতি অপৰিহাৰ্য্য অঙ্গ জ্ঞান কৰি তেওঁলোকক সন্মানেৰে সমাজত জীয়াই থকাৰ কাৰণে উপযুক্ত আৰ্থিক সম্বল যোগান ধৰা। এই দুটা এনে অপৰিহাৰ্য্য বস্তু যাৰ দ্বাৰাই সমাজ আৰু দেশে শিক্ষক সকলক সঁচা অৰ্থত নিজৰ কৰ্ত্তব্য পালন কৰাত জাগ্ৰত কৰি তুলিব। ইয়াৰ আগতে সমাজৰ প্ৰাথমিক এটি কৰ্ত্তব্য হ'ল—এনে ব্যক্তিকহে শিক্ষকৰ মৰ্য্যাদা আৰু দায়িত্ব অৰ্পণ কৰা যি প্ৰকৃততে শিক্ষানুৰাগী আৰু শিক্ষাব্ৰতী। যি ব্যক্তিৰ শিক্ষাৰ প্ৰতি অনুৰাগ আৰু নিষ্ঠা নাই তেনে ব্যক্তিক শিক্ষকৰ নিচিনা গুৰু দায়িত্বৰ পদ অৰ্পন কৰা অতি বিপদ জনক। কাজেই শিক্ষকৰ নিৰ্ব্বাচন হ'ব লাগে সুচিন্তিত আৰু সুনিয়োজিত। অপদাৰ্থ আৰু ব্যৱসায়ী মনোবৃত্তিৰ ব্যক্তিক কোনো কাৰণতে শিক্ষকৰ দায়িত্ব অৰ্পণ কৰা অনুচিত। ধন অৰ্জন কৰি জীৱন উপভোগ কৰাৰ মাধ্যম সমাজত বহুত আছে। কাজেই শিক্ষা জগতৰ মাজামেজে যি বিলাকে সুখ, ভোগ, বিলাস কৰিব খোজে সিহঁতক সমাজে সমস্বৰে উচ্চস্বৰে নিন্দা ভৎৰ্সনা

কৰাৰ উপৰিও বিনা দ্বিধাই শিক্ষা জগত পৰিত্যাগ কৰিবলৈ বাধ্য কৰিব লাগে।

সমাজ আৰু দেশ কেনেকুৱা পথত আগবাঢ়ি যাব বা এখন সমাজ বা দেশ কেনে স্তৰৰ বা কোন দিশত অগ্ৰগামী ইয়াক জানিবলৈ বেছি দূৰ নগৈ সেই সমাজ আৰু দেশৰ শিক্ষক সকলৰ দৈনন্দিন জীৱন চৰ্চা অধ্যয়ন কৰিলেই স্পষ্ট হৈ পৰে। ছাত্ৰ সকলে নিজৰ শিক্ষক সকলক প্ৰায়ে বিনা বিচাৰে আদৰ্শ বুলি গ্ৰহণ কৰে আৰু কৰ্ম জীৱনত তাকে উদাহৰণ স্বৰূপে লয়। তেওঁলোকে ভৱিষ্যতৰ দেশৰ নাগৰিক আৰু আশাৰ ধৰণী স্বৰূপ ছাত্ৰ সকলৰ জীৱন সাগৰত শিক্ষকেই বঠা। যদি এই বঠাডাল লেতু সেতু দুৰ্বল হয় তেন্তে সেই যাত্ৰীৰ নাওখন অচিৰেই বুৰিব তাত কোনো সন্দেহ নাই। ঠিক এনে দৃশ্যই আমি আজিৰ আমাৰ সমাজ আৰু দেশত স্পষ্ট দেখিছোঁ।

সমাজ আৰু দেশে শিক্ষক সকলৰ প্ৰতি থকা নিজৰ কৰ্তব্য যদি সুচাৰুৰূপে পালন কৰে তেন্তে শিক্ষক শ্ৰেণীয়েও নিজকে সৰ্ববিশক্তি, নিষ্ঠা আৰু ত্যাগৰ মনোবৃত্তিৰে সমাজ আৰু দেশ গঢ়াত লাগিব লাগে। তেওঁলোকে পাহৰি যোৱা উচিত হব যে তেওঁলোক সমাজত ভোগ আৰু বিলাসৰ কাৰণেহে জন্ম লাভছে। ত্যাগৰ মূৰ্তি হৈ সমাজ আৰু দেশক পথ দেখুৱাব লাগিব। নিজ কান্ধত থকা গধুৰ বোজাৰ কথা মনত ৰাখি নিজৰ সৰ্ব্বশক্তি সমাজ আৰু দেশৰ ধৰণী মজবুত কৰি গঢ়ি তোলাৰ কাৰণে সকলো ত্যাগ স্বীকাৰ কৰাৰ কাৰণে প্ৰস্তুত থাকিবই লাগিব। ছাত্ৰৰ মঙ্গলেই হ'ব লাগিব তেওঁলোকৰ জীৱনৰ ব্ৰত আৰু লক্ষ্য। নিজকে কেৱল নিজৰ লৰা ছোৱালীক অতি উচ্চ শিক্ষা দি ভৱা-গৰা শিক্ষা প্ৰতিষ্ঠানত শিক্ষা দি আটক ধুনীয়া ঘৰ দুৱাৰ সাজি, মটৰ, গাড়ীত উঠি সমাজত উচ্চ বুলাবলৈ নগৈ নিজকে সমাজৰ কৰ্ণধাৰ বুলি লৈ সামাজিক বোজা বহন কৰিছে মহৎ হোৱাৰ কথা চিন্তা কৰা উচিত। ইয়াৰ কাৰণে কিন্তু শিক্ষকেই যত্নপৰ হ'লে নহব। সমাজ আৰু দেশে আগবাঢ়ি আহিব লাগিব তেওঁলোকক প্ৰেৰণা আৰু শক্তিৰ যোগান ধৰি এই মহীয়ান পথৰ অবিচল যাত্ৰী বলৈ সক্ষম কৰাত।

কাৰণ সমাজ আৰু দেশ আৰু ইয়াৰ প্ৰত্যেকটো অঙ্গ মানুহ মহান হব লাগিব। দেশত সমাজত মানুহ-মানুহৰ মাজত ভ্ৰাতৃত্ব, বন্ধুত্ব আৰু প্ৰেম গঢ়ি উঠিব লাগিব। এই কাম হব সমাজ আৰু দেশ গঢ়াৰ প্ৰথম পদক্ষেপ দেশৰ নাগৰিকৰ মাজত জাতীয়তাবোধ, সমাজপ্ৰেম আৰু দেশপ্ৰেমিকতা জগাই তুলিব নোৱাৰিলে সচাঁ অৰ্থত সেই দেশত বিকাশ অসম্ভৱ। দেশৰ উন্নতি বিকাশ আৰু ইয়াৰ শক্তি নিৰ্ভৰ কৰে ইয়াৰ প্ৰত্যেকজন নাগৰিকৰ মনত জাতিয়তা বোধ, দেশপ্ৰেম আৰু দেশৰ স্বাৰ্থৰ কাৰণে ব্যক্তিগত স্বাৰ্থক হাঁহিমুখে ত্যাগ কৰিব পৰা গুণৰ ওপৰত। এনে ধৰণৰ প্ৰগতিয়ে দেশৰ ঐক্য, অখণ্ডতা দেশাত্মবোধ কটকটীয়া কৰি তুলিব। এখন দেশ শক্তিশালী হয় ইয়াৰ নাগৰিক সকলৰ ঐক্য আৰু দেশপ্ৰেমৰ ওপৰত। পৰমানৱিক বা অন্য মাৰাত্মক অস্ত্ৰ শস্ত্ৰৰ ভৰাঁল বা ইয়াৰ সৈন্য বাহিনীৰ শক্তি বৃদ্ধি কৰি কোনো দেশ কাহানিও মহান আৰু শক্তিশালী হব পৰা নাই। অস্ত্ৰ আৰু সৈন্য

বাহিনীৰ শক্তি ক্ষণস্থায়ী। কিছুসময়লৈ এই শক্তিৰ প্ৰভাব বাহ্যিক ভাবে পৰিলক্ষিত হয়। কিন্তু এবাৰ সংঘৰ্ষৰ পিছত সেইশক্তি ভাঙি চুৰমাৰ হৈ পৰে। কাজেই কোনো দেশৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে প্ৰথম মনযোগ দিব লাগিব। ইয়াৰ নাগৰিকৰ মাজত এই গুণ সমূহ বিকশাই তোলা শিক্ষা পদ্ধতি গঢ়ি তোলাত।

ইয়াৰ পিছত আহিব ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তা কৰাৰ কথা। কাৰণ অৰ্থনীত হৈছে সমাজ আৰু দেশ গঢ়াৰ আন এটি মূল মন্ত্ৰ। কোনো দেশৰ অৰ্থনৈতিক বিকাশ নিৰ্ভৰ কৰে এটি সবল সহজ অৰ্থনৈতিক চিন্তাৰ ওপৰত। সেই চিন্তা হ'ল — দেশৰ যি সম্পদ আছে তাৰ পূৰ্ণ উপযোগিতা আহৰণ কৰা আৰু দেশত উপলব্ধ সম্পদ দেশৰ বিভিন্ন অঞ্চল আৰু প্ৰদেশৰ মাজত সমতাৰ ভিত্তিত বণ্টন কৰি তাৰ পূৰ্ণ ফল লাভ কৰা। কোন অঞ্চল, কোনো খণ্ড, কোনো প্ৰদেশক বিকাশ আৰু আৰ্থিক সম্পদৰ উচিত প্ৰাপ্যৰ পৰা বঞ্চিত নকৰি অৰ্থনৈতিক তিক্ততা গঢ়ি উঠাক বোধ কৰা। কাৰণ অৰ্থনৈতিক তিক্ততাই জন্ম দিয়ে ৰাজনৈতিক, ভাষিক আৰু ধাৰ্মিক অসহিষ্ণুতা আৰু সংঘৰ্ষৰ। আকৌ এনে পৰিবেশ হ'ব দেশ আৰু সমাজৰ সুস্থিৰ বিকাশত বাধাৰ কাৰণ।

ওপৰৰ আলোচনা আৰু দীঘলীয়া নকৰি শেষত আমি এই মন্তব্যৰে আমাৰ এই আলোচনা সামৰিব বিচাৰিছো যে আমাৰ এই সুন্দৰ, মনোৰম, সম্পদশালী, সৃষ্টিকামী দেশখন পৃথিৱীৰ ভিতৰত উন্নত, লেখত লবলগীয়া আৰু আদৰ্শনীয় কৰি তুলিবৰ কাৰণে আমাৰ শিক্ষা পদ্ধতিক সৃজনমুখী কৰি গঢ়ি তোলাৰ লগতে ইয়াৰ লগত জড়িত দিশ্‌সমূহৰ সম্যক বিকাশ্‌ ঘটাই অৰ্থনৈতিক আৰু ৰাজনৈতিক সুচিন্তাৰ পৰিবেশ গঢ়ি তুলিবলৈ সকলো সংশ্লিষ্ট ব্যক্তি, গোট সমূহক জ্বলন্ত আহ্বান জনালোঁ।

* * *

# জ্যোতি প্ৰসাদ মানুহজন!

—দীপক কুমাৰ দাস
১ম, বাৰ্ষিক, উচ্চতৰ মাধ্যমিক।

অসম তথা ভাৰতৰ নতুন আত্মচেতনাৰ উদয় কালত জ্যোতি প্ৰসাদৰ জন্ম হয়। পঢ়ি থকা কালছোৱাত জ্যোতিৰ প্ৰকৃত মনোযোগ আছিল অসমৰ সাংস্কৃতিক জগতৰ ৰূপকোঁৱৰ হোৱাৰ। অসমীয়া সাংস্কৃতিৰ ৰূপকোঁৱৰ হৈ জ্যোতিয়ে এবে জীৱনে চলাই গল বিৰূপক ৰূপ দিয়াৰ সংগ্ৰাম। যি সমাজত অসমতা আছে অন্যায় আছে তাত প্ৰতিজন মানুহ বিপ্লৱী হোৱাটো হেঁও বিচাৰিছিল। এখন পৰাধীন দেশৰ পক্ষে পৰাধীনতাই

আটাইতকৈ ডাঙৰ কলঙ্ক গতিকে পৰাধীন দেশৰ বিপ্লৱী মাত্ৰৰে কৰ্তব্য স্বাধীনতাৰ খাৰে সংগ্ৰাম আৰু সেইটো জ্যোতি প্ৰসাদেও কৰিছিল। যি সময়ত বিয়াল্লিশৰ বিপ্লৱে দেশলৈ আনিছিল এক অভূতপূৰ্ব গণজাগৰন সেই সময়তেই তেওঁ কৈছিল যে আজি মই শিল্পীয়ে আপোনালোকৰ অন্তৰত থকা অসুৰ নাশিনী শক্তিক এবাৰ প্ৰচণ্ড কৈ জ্বলি উঠিবলৈ আমন্ত্ৰণ কৰিছো। আজি যদি ভাৰতৰ আন আন প্ৰদেশৰ মাতৃসকলে ভাৰতক এই দুৰ্যোগত একো কৰিব নোৱাৰে, তেন্তে মোৰ এই অসমৰ মাতৃসকলে ভাৰতৰ নিখিল মহিলা সমাজকেই নেতৃত্ব লওক। দুম্বিতি প্ৰতিবোধন কৰি জগতৰ বুৰঞ্জীত একমাত্ৰ চানেকি ৰাখি থৈ যোৱা জয়মতীক দেশৰ মাতৃসকলে আজিও সেই শক্তিক নিশ্চয়েই হেৰুৱা নাই। তেওঁ ইমানতে ক্ষান্ত নাথাকি ইয়াতকৈ বলিষ্ঠ কণ্ঠস্বৰেৰে তেওঁলোকক আন্ধাৰৰ সতে শেষ সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছে। ৰাজনৈতিক স্বাধীনতাৰ পিছত ভাৰতৰ সমাজতন্ত্ৰ স্থাপন কৰি জনতাক প্ৰকৃত স্বাধীনতা দিয়াই আছিল জ্যোতি প্ৰসাদৰ লক্ষ্য : তেওঁ কৈছে যে সম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰ এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সাংস্কৃতিক ৰূপৰ দুষ্কৃতিৰ পূৰ্বৰূপ, আজি জ্যোতি প্ৰসাদ জীয়াই থকা নাই। থকা হলে এজন কংগ্ৰেছী হিচাপে কংগ্ৰেছ দলে স্বাধীনতাৰ তেইশ বছৰৰ পিছত ভাৰতৰ কিবা অপূৰ্ণতা আছিলো তাক পূৰ্ণ কৰি যাব পাৰিলে হেঁতেন। জোতি প্ৰসাদ সমাজতন্ত্ৰ বা সমাৱানৰ প্ৰবক্তা হলেও তেওঁ কোনো ঠাইতে শ্ৰেণী সাংগ্ৰামৰ কথা উল্লেখ ৰূপ নাই। স্বাধীন চিন্তা তাক প্ৰগতিৰ জয়গান গোৱা যি কোনো লোকেই আজি জ্যোতি প্ৰসাদক শ্ৰদ্ধাৰে সোঁৱৰে। এই কথা কলে বোধ হয় অতিশয় উক্তি কৰা নহব যে আধুনিক অসমৰ প্ৰগতিশীল মনোভাৱ আৰু স্বাধীন চিন্তাৰ দিগন্ত মুকলি কৰি তাক সম্প্ৰসাৰিত কৰি গল জোতি প্ৰসাদেই। ভবানন্দ দত্ত দেৱে জ্যোতি প্ৰসাদক নতুন অসমৰ সকলো শিল্পিৰেই মন্ত্ৰদাতা গুৰু বুলি ওলগ জনাইছে। জ্যোতিৰ জীৱনী চৰ্চা আৰু ৰচনা সমূহৰ পাঠন পঠনে আমাক আমি এবাৰতকৈ বাহুত বেছি উপকৃত কৰিব। যি সকলে অসমীয়াৰ মাজত প্ৰগতিশীল চিন্তা আৰু কাৰ্য্যৰ লোকৰ অভাৱ বুলি অক্ষেপ কৰে সেই সকলক জ্যোতিৰ কথাকেই অহঙ্কাৰত অন্ধলা হৈ ঘৰতে মহা প্ৰতিভাক চিনি নাপাই অসমীয়া প্ৰতিভাক অযথা দোষাৰূপ কৰা বুলি কব লাগিব। বৰ সুখৰ বিষয় কলা কুশল সঙ্গীত বীৰ শ্ৰীমান জ্যোতি প্ৰসাদেই চিত্ৰৱনৰ পৰা অনেক পৰিশ্ৰম আৰু ধন খৰচ কৰি সৰ্ব্বপ্ৰথমে অসমীয়াৰ "জয়মতী কুঁৱৰী" নাটকৰ সবাক চলচিত্ৰ উলিয়াই অসমৰ মুখ উজ্জল কৰিছে অসমীয়াৰ গৌৰৱ বঢ়াইছে। আজিও অসমীয়া বোলছবি নিৰ্মানত থকা এয়া এটা বাধা আতঁৰা নাই। তেনেস্থলত আজিৰ পৰা প্ৰায় ত্ৰিকুৰি বছৰৰ পূৰ্বে একেজনে মানুহে প্ৰযোজক, পৰিচালক হৈ দুখনকৈ বোলছবি জন্ম দিয়া কাৰ্য্য কিমান দুঃসাহসিক হব পাৰে সহজে অনুমান কৰিব পাৰি। চৈধ্য বছৰ বয়সতে জ্যোতিয়ে "শোণিত কুঁৱৰী" নাটকখন ৰচনা কৰে। "শোণিত কুঁৱৰিৰ জ্যোতিয়ে সংযম অধ্যৱসায় আৰু সাধনাৰ যি পৰিচয় দিছে সি বিৰল। তেওঁ আছিল সাহিত্যৰ এজন বিনয়ী আৰু শ্ৰদ্ধাশীল অথচ আত্মবিশ্বাস সম্পন্ন ছাত্ৰ। সাহিত্য সৃষ্টিৰ প্ৰতি আন্তৰিক হেপাহ আৰু সেই অনুপাতে লগা সাধনা আৰু অধ্যৱসায়

জ্যোতি প্ৰসাদৰ আছিল। জীৱনৰ মহত্ব প্ৰকাশতি সাধনাৰ গুৰুত্ব কিমান জ্যোতি প্ৰসাদৰ সাহিত্যিক জীৱন তাৰ এক চানেকি। কম বয়সতে সাহিত্যিক হিচাবে খ্যাতি অৰ্জন কৰা সাহিত্যিকৰ বিশ্বসাহিত্যৰ অভাব নাই। কম বয়সতে নিজৰ সৃষ্টিতে পাঠকৰ চমৎকৃত কৰা সাহিত্যিক সকলৰ ভিতৰত জ্যোতি প্ৰসাদো এজন বুলি ভাবিলে ভুল কৰা নহব কিজানি সৰুৰে পৰা শুনা আই নাম, বিয়ানাম, বিহুগীত আদি বিচিত্ৰ লোকগীতৰ সুৰে তেওঁৰ অন্তৰত সৃষ্টিৰ আকুল হাবিয়াস জগাই তুলিছিল। আমাৰ পুৰনি সাহিত্যত শঙ্কৰদেৱৰ যি স্থান আধুনিক সাহিত্যত জ্যোতি প্ৰসাদকো নিশ্চয় সেই স্থান। তেওঁ আমাৰ সাহিত্যৰ যুগান্তকাৰী নাট্যকাৰ। আধুনিক অসমীয়া নাটকে তেওঁৰ হাততে পূৰ্ণতা লাভ কৰে। বিষয় বস্তু চৰিত্ৰাঙ্কন, আলাপ, নাটকীয় নিদেৰ্শ, সঙ্গীত আদিৰ সুসমন্বয় আধুনিক অসমীয়া নাটকত পোন প্ৰথমবাৰৰ বাবে ঘাই জ্যোতি প্ৰসাদৰ হাতত। আধুনীক অসমীয়া নাটকৰ জয় যাত্ৰাত জ্যোতি প্ৰসাদ বাটকটীয়া পথনিদেৰ্শক। জ্যোতি প্ৰসাদৰ হাততে অসমীয়া নাটকৰ সংলাপে চৰম উৎকৰ্ষতা লাভ কৰিছে। নাট্যকাৰৰ নিজস্ব প্ৰতিভা আৰু বুদ্ধিমত্তাৰ লগতে জ্যোতি প্ৰসাদৰ সংলাপত ফুটি উঠিছে অসমীয়া ভাষাৰ মাধুৰ্য্য আৰু চমৎকাৰিত্ব। জ্যোতি প্ৰসাদৰ ৰাজনৈতিক জীৱনতকৈও শিল্পী আৰু সাহিত্যিক জীৱনটো বেছি উজ্জল আৰু গৰিমাময়। সি ধ্বংসেই নতুন সৃষ্টিত বা সমাজৰ ৰূপান্তৰত সহায় নকৰে প্ৰকৃত বিপ্লৱী সদায় তেন্তে কাৰ্য্যৰ পৰা বিৰত থাকে। সেয়েহে সচাঁ বিপ্লৱী জ্যোতি প্ৰসাদে বিচাৰিছিল, এহাতেৰে যুদ্ধ আৰু আন হাতেৰে সৃষ্টি। জ্যোতিয়ে বিপ্লৱৰ ব্যাখ্যা দিছে এইদৰে ' যি বিপ্লৱৰ কণ্ঠত অভিনৱ সৃষ্টিৰ ঝঙ্কাৰ নাই, গান নাই সি বিপ্লৱ নহয়। যি সামাজিক, নৈতিক অৰ্থনৈতিক বা ৰাষ্ট্ৰীক মুঠতে সাংস্কৃতিক এক অভিনৱ পৰিবৰ্ত্তনলৈ সমাজ যাবলৈ ভূমিকম্প দৰে কপে সেয়েই বিপ্লৱ। এই বিপ্লৱৰ মুকুটত মানৱ আদৰ্শৰ মহা সৌন্দৰ্য্যৰ সামঞ্জস্য মণি জ্বলি থাকে। জ্যোতি প্ৰসাদৰ লগতে আমি কব আৰু বিচাৰিব লাগিব যে সমাজক প্ৰকৃত সাংস্কৃতিক জীৱন বিকাশ কৰিবলৈ দিবলৈ হলে, সেই সমাজৰ ভিতৰত থকা সংস্কৃতি বিৰুধী সকলো কথাৰ সমাধান হব লাগিব মানুহৰ স্বাৰ্থপৰতা, লোভ, সংকীৰ্ণতা আৰু ক্ষমতা লিপ্সাৰ পৰা উদ্ভৱ হোৱা মানৱ সমাজৰ নানা দোষ আতঁৰ কৰিব লাগিব। এইবোৰকেই আতঁৰ কৰিবলৈ মানুহৰ প্ৰতিৰোধ আৰু সংঘাতমূলক অভিযানেই হৈছে বিপ্লৱ।

সমাজৰ ৰূপান্তৰৰ হকে কাম কৰিবলৈ যি প্ৰেৰণা লাগে অসমৰ তথা ভাৰতৰ তৰুণ শক্তিয়ে সেই প্ৰেৰণা জ্যোতিপ্ৰসাদৰ মাজতে বিচাৰিপাব।

আমাৰ সাধাৰণতে ধাৰণা যে কবি সাহিত্যিক শিল্পীবোৰ তন্দ্ৰালস সপোনমগন সংসাৰী। কৰ্ত্তব্যলৈ বিমুখ আৰু সংসাৰৰ কাৰণে নিহঁত কিছুমান অনাৱশ্যক জীৱ ই অকল কথাৰ গুৰি দকৈ নভবা লোকৰ ভাব বা ধাৰণাহে বুলি কলেই এই ধাৰণাৰ ভ্ৰান্তিৰ মাত্ৰা আমি বুজাব নোৱাৰিম। এই ধাৰণা কেৱল মাত্ৰ মূৰ্খতা, অজ্ঞতা আৰু অবিশ্বাসজনিত বুলিলেহে এই ধাৰণাৰ ভ্ৰান্তিৰ মাত্ৰা আমি কিছুহৰ বুজাব পাৰিম। সেই কাৰণেই সাহিত্যত কবিতাৰ আসন সদায় সকলোৰে ওপৰত হবই লাগিব।

কবিতায়েইহে যে মানুহৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতি জগাই তুলিব পাৰে আৰু পৰমানন্দৰ সোৱাদ দিব পাৰে ই এটা মনোবৈজ্ঞানিক সত্য। বৈজ্ঞানিক দৃষ্টি ভংগীৰে দূৰদৰ্শী মোহযুক্ত জ্যোতি প্ৰসাদে দুস্কৃতিৰ প্ৰকৃত ৰূপ উন্মোচিত কৰি দি কৈছে:— সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুয়োধাই পৃথিৱীৰ বুৰঞ্জীত সাংস্কৃতিৰ ছদ্মবেশত দুস্কৃতিৰ পূৰ্ণৰূপ। এই দুস্কৃতিৰ পৰা সংস্কৃতিক মুক্ত কৰাৰ একমাত্ৰ পথ হৈছে, শিল্পিসত্তাৰ বিপৰীতে সামূহিক স্বাৰ্থক অগ্ৰাধিকাৰ দি, সামাজিক মূল্যবোধ সম্পন্ন সাংস্কৃতিৰ চৰ্চা কৰা। সেয়ে তেওঁ কৈছিল।

আমি কৰিব লাগিব পৃথিৱী আলোকময়।
জ্ঞান বিজ্ঞানৰ সকলো ধৰ্মৰ
নানা আদৰ্শৰ নানা বিভেদৰ
কৰিব লাগিব মহান সমন্বয়।
মহা মহত্বৰ বিৰোধী আসুৰি
সকলো শত্ৰু কৰিব লাগিব জয়।
এই পৃথিৱীত আনিব লাগিব
মহত্বৰ মহাজয়।
কৰিব লাগিব গোটেই পৃথিৱী আলোকময়।

জ্যোতিপ্ৰসাদ আজি নাই সঁচা কিন্তু তেওঁৰ কীৰ্তিৰ জ্যোতি অসমৰ মাজত উদ্ভাসিত হৈ থাকিব।

* * *

# ক্ৰিকেট আৰু অন্ধবিশ্বাস : অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

— অজিত কুমাৰ চাহ
স্নাতক মহলাৰ ২য় বছৰ।

## ক্ৰিকেট-চমু-পৰিচয়-জনপ্ৰিয়তা

আজিৰ যুগত ক্ৰিকেটক সঁচাকৈয়ে এটা জনপ্ৰিয় খেলৰ শাৰীত ধৰিব পাৰি। নতুন চাম যুৱকৰ শতকৰা ৯০ ভাগেই ক্ৰিকেট খেলৰ নামত নিজকে বিলাই দিবলৈ প্ৰস্তুত থকা দেখা যায়। সাধাৰণতে অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈকে নতুন চাম যুৱকৰ মাজত ইয়াৰ মোহিনী মন্ত্ৰৰ প্ৰভাৱ বাঢ়কৈয়ে দেখা যায়। ঘৰে ঘৰে ৰেডিঅ'ত চলন্ত বিৱৰণী, কলেজ স্কুলবোৰতো "পকেট ৰেডিঅ" ৰ পয়োভৰৰ লগতে 'হাউজ ডেট' ( How is that ), চেঞ্চুৰী স্ক'ৰ ৰেকৰ্ড ইত্যাদি শব্দই গোটেই আৱাহাৱাটোকেই সজনি কৰি দিয়ে এই সময়ত যদি কোনোবাই সোধে ক্ৰিকেটনো কি বস্তু বুলি, টিকিচ্কৈ খং উঠাটো স্বাভাৱিক হৈ পৰে। আৰু যদিহে খেলখন দূৰদৰ্শনত প্ৰচাৰ কৰা হয় তেন্তে দূৰদৰ্শনৰ গৰাকীৰ ঘৰত ক্ৰিকেট অনুৰাগীৰ জুম দেখা যায়।

আজি পৃথিৱীৰ দেশসমূহৰ মাজত বিশেষ দেশে এই খেল খেলে তাৰ ভিতৰত ভাৰত অন্যতম। এতিয়ালৈকে সৰ্বমুঠ সাতখন দেশে আই, চি, চি (I, C, C) ৰ সদস্য পদ পাইছে। দেশ কেইখন হল যথাক্ৰমে ইংলণ্ড, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, ভাৰত, পাকিস্তান আৰু শ্ৰীলঙ্কা।

পূৰ্বতে দক্ষিণ আফ্ৰিকাৰো সদস্য আছিল যদিও তেওঁলোকৰ বৰ্ণ বৈষম্য নীতিৰ বাবে তেওঁলোকৰ সদস্য পদ বাতিল কৰা হৈছে। অৱশ্যে বিশ্ব-কাপ ক্ৰিকেট প্ৰতিযোগিতাত আৰু দুই এখন দেশে ভাগ লৈছিল যদিও তেওঁলোকক সদস্য-ৰূপে গণ্য কৰা নহয়। এই জনপ্ৰিয় খেল ক্ৰিকেতৰ জন্ম ইংলণ্ডতে। আৰু ভাৰতে স্বাধীনতা পোৱাৰ আগেয়ে ইংলণ্ডবাসীয়ে এই খেলৰ বীজ ভাৰতবৰ্ষত অঙ্কুৰিত কৰি থৈ গ'ল। সম্প্ৰতি সি লহপহকৈ গছৰ দৰে বাঢ়ি পুষ্ঠ অৱস্থা পাইছে।

ক্ৰিকেট খেল নো কি তাক নকলেও অত্যুক্তি কৰা নহয়। কেৱল ইমানেই কব পাৰি যে ই এটা বাহিৰত খেলা ( outdoor ) খেল। যত প্ৰতি পক্ষত এঘাৰ জনকৈ খেলু-ৱৈয়ে ভাগ লয়। বল আৰু বেটৰ সংঘৰ্ষৰ যোগেদি ইয়াৰ ফলাফল দুজন বিচাৰক ( Umpire ) যে নিৰূপন কৰে। এই খেলৰ এটা বিশেষ বৈশিষ্ট হ'ল যে আন সকলোবোৰ খেলত কৈ এই খেলত অভিলেখ ( Record ) ৰ সংখ্যা বেছি। এই খেলৰ ফলাফল সঁচা-কৈয়ে অনিশ্চিত। এটা আটাইতকৈ দুৰ্ব্বল দলৰ হাতত এটা ভাল দল পৰাস্ত হোৱাটোত কোনো আচৰিত হব লগা নাই। সেয়ে এবাৰ ( Sportsweek ) ত সেই সময়ত প্ৰচলিত ভাৰত ইংলণ্ড টেষ্ট চিৰিজৰ ফলাফলৰ ভৱিষ্যত বাণীৰ বাবে কৰ্তৃতে উত্তৰটো এনেদৰে দিছিল— " I donot want to be a stupid and fool by forecasting about this, because only the fools can forecast about the outcome of the game of Cricket. " আন এটা বৈশিষ্ট হ'ল যে এই খেলত নিহতৰ সংখ্যা বহুত কম যদিও দুখ পোৱাৰ মাত্ৰা বেছি। কোনো ক্ৰিকেট খেলুৱৈয়ে ইচ্ছা কৰি কাকো মাৰিব নোৱাৰে। যদিও বাউঞ্চাৰৰ কথাটোক বাদ দিব নোৱাৰি তথাপি বেটচ্‌মেনজনে হাতত থকা বেটখনেৰে সৈতে আত্মৰক্ষা কৰাৰ যথেষ্ট সুযোগ পায়। পুৰণা অভিলেখবোৰে দুখ পাই থিতাতে মৃত্যু হোৱা এজনৰ কথাহে কয়। অৱশ্যে আজিকালিৰ খেলুৱৈ সকলৰ মনোভাৱ সঁচাকৈয়ে ভাল বুলি কোৱা নাযায়। কিয়নো ই পক্ষই সিপক্ষক অপমান কৰা, আম্পায়াৰ দুয়ক অপমান কৰাটো গতানুগতিক হৈ পৰিছে। সেয়ে " The game of Cricket is so decent that it is only gentlemen's game" বুলি ভাবিবলৈ সন্দেহ হয় যদিও পূৰ্বতে ই সঁচা আছিল।

## অন্ধ বিশ্বাসৰ প্ৰভাৱ

এই জনপ্ৰিয়খেল, ক্ৰিকেটতো অন্ধবিশ্বাসৰ প্ৰভাৱ থাককৈয়ে দেখা যায়। আনদেশৰ তুলনাত ভাৰতবৰ্ষত ই বেছি প্ৰকট। তলৰ উদাহৰণবোৰেই এই কথাৰ প্ৰমাণ দিয়ে।

ক্ৰিকেটত ভাৰতৰ ত্ৰাণকৰ্ত্তা হিচাপে পৰিচিত সুনীল মনোহৰ গাভাস্কাৰ, যি পৃথিবীৰেই অন্যতম ভাল খেলুৱৈ তথা পৃথিবীৰ সে প্ৰাৰম্ভিক বেটচ্‌মেন অন্ধবিশ্বাসৰ বশৱৰ্ত্তী। গাভাস্কাৰ বেট কৰিবলৈ গলে ফিল্ডত সোমাওঁতে লগৰ খেলুৱৈজনৰ সদায় সোঁহাতে যায়। তেওঁ নিজেই এই কথা স্বীকাৰ কৰিছে। তদুপৰি গাভাস্কাৰৰ হাতত থকা কলা মালাভাল ( কেতিয়াবা অৱশে ভিভিতে থাকে ) কিহৰ প্ৰতীক ? সেইদৰে অন্যতম শ্ৰেষ্ঠ খেলুৱে গুণ্ডাপা বিশ্বনাথে ১৯৭৯-৭৫ চনত ভাৰতত হৈ থকা ৱেষ্টইণ্ডিজৰ লগত

কলিকাতাৰ তৃতীয় টেষ্টত আণ্দিনা ৯৬ ৰাণত অপিজিত আছিল। তেওঁৰ কাপোৰ জোৰ কিন্তু একেবাৰে লেতেৰা হৈ গৈছিল। তেওঁলোকক যদিও সদায় (নতুন) বেলেগ কাপোৰ পিন্ধিবলৈ দিয়া হয় তেওঁ আগৰ জোৰকে পিন্ধি বেট ধৰিবলৈ আহিছিল। কিয়নো আগৰজোৰ ভাগ্যবান (lucky) কাপোৰ, তেওঁক চেঞ্চুৰী লাগে, নতুন কাপোৰে নিদিবও পাৰে। সেই দৰে যশপাল শৰ্ম্মাই টেষ্টমেচৰ মাজত ডাঢ়ি নুখুৰাই, কিয়নো ডাঢ়ি খুৰালে তেওঁ ভাল খেলিব নোৱাৰে বুলি ভাবে। আকৌ আগতে এনে এক প্ৰবাদ ভাৰতত প্ৰচলিত আছিল যে যি তেওঁৰ জীৱনৰ প্ৰথম খন টেষ্টত চেঞ্চুৰী মাৰে তেওঁ আৰু কোনদিতেই চেঞ্চুৰী মাৰিব নোৱাৰে। উদাহৰণ স্বৰূপে, লালা অমৰনাথ হনুমন্ত সিং, সুবিন্দৰ অমৰনাথ ইত্যাদি। এই প্ৰবাদ মিছা বুলি প্ৰমাণিত তেতিয়াহে হৈছিল যেতিয়া বিশ্বনাথে ১৯৭২-৭৩ চনত জীৱনৰ দ্বিতীয়টো চেঞ্চুৰী মৰিছিল। অৱশ্যে দুই এক নাস্তিকো পোৱা যায়। সন্দীশ মধুসুদন পাটিল এনে এক নাস্তিক যি কোনো অন্ধবিশ্বাসৰ বশৱৰ্ত্তী নহয়।

## অৰ্থনীতিৰ সৈতে ইয়াৰ সম্পৰ্ক

এইটো অনস্বীকাৰ্য যে ক্ৰিকেট এটা খৰচী খেল। এখন ক্ৰিকেট খেল পতা মানে প্ৰথমে আহি পৰে খেল পথাৰৰ কথা, আনবোৰ খেলপথাৰৰ তুলনাত এই খেল পথাৰৰ নিৰ্ম্মাণত খৰছ বেচি পৰে। দ্বিতীয়তে পাৰিশ্ৰমিকৰ কথাটো ভাবিবলগীয়া হয়। থুলমূলকৈ হিচাপ কৰিলে দেখা যায় যে—

| | |
|---|---|
| খেলুৱৈক (গইপতি ১০,০০০ টকাকৈ দিলে সৰ্বমুঠ ২৪ জনৰ) | মুঠ- ২,৪০,০০০ টকা |
| আপ্যায়াৰক (গাইপতি ৫,০০০ টকাকৈ) | „- ১০,০০০ „ |
| অন্যান্য কৰ্ম্মীক (বিৱৰণী দিওঁতা স্কৰাৰ, খেলপথাৰ তত্ত্বাৱধায়ক আৰু অন্যান্য) — | „- ৩০,০০০ „ |
| সৰ্বমুঠ— | ২,৮০,০০০ „ |

ইয়াৰ ওপৰিও সা-সজুলিৰ বাবদ খৰছ আছেই। উপৰোক্ত খৰচৰ হিচাপটো প্ৰকৃত হিচাপ নহয়, এটা আনুমানিক হিচাপহে। দৰ্শকৰ দৃষ্টিৰে চাবলৈ গলে প্ৰত্যেকজন দৰ্শকে খেলচোৱাৰ নামত পাঁচ / ছয়দিন বিনা কাৰণত অপব্যয় কৰে। ইয়াৰ লগত টিকটৰ দাম, দুপুৰীয়াৰ আহাৰ (lunch) ৰ নামত খৰচ, চাহ-জলপানৰ খৰছ লগতে ভাগৰৰ কথাটো আছেই। ইয়াৰ বিনিময়ত মনোৰঞ্জনৰ বাহিৰে তেওঁলোকে একো নাপায়। আনহাতে খেলহোৱা ঠাইখনক বাদ দি আনবোৰ ঠাইত (আনকি খেল হোৱা ঠাইতো) ৰেডিঅ' তথা টেলিভিছন লৈ সকলো ক্ৰিকেট প্ৰেমীকো ব্যস্ত হৈ থকা দেখা যায়। এনেকুৱা এক অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ পঢ়া শুনাত ব্যাঘাত, কাৰ্য্যালয় বোৰত কৰ্ম্মীৰ অনুপস্থিতি আৰু উপস্থিত থাকিলেও অমনোযোগী ভাব আদি চিৰাচৰিত ঘটনা। সকলো ফালেই লোকচানৰ মাত্ৰা বেছি হয়। গতিকে দেখা যায় যে ক্ৰিকেট খেলে আমাক লাভান্বিত কৰাতকৈ হানিৰ পৰিমাণহে বঢ়ায়। এই সমস্ত টকা পইচা, শ্ৰম ঔদ্যোগিক উন্নতিৰ অৰ্থে বিনিয়োগ কৰিলে দেশৰ তথা জাতিৰ উন্নতি কিছু পৰিমাণে হলেও আশা কৰিব পাৰি।

## মতামত

এই প্ৰবন্ধৰ উদ্দেশ্য ক্ৰিকেট খেলক ঘৃণা কৰা বা এই খেলৰ প্ৰতি মানুহৰ আকৰ্ষণ কমাই সমালোচনা কৰা নহয়। ইমান খৰচী খেল কেৱল মনোৰঞ্জনৰ বাবেই খেলাটো সচাঁকৈয়ে চিন্তনীয় বিষয়। অৰ্থনৈতিক ভাবে সমৃদ্ধ ৰাছিয়া, আমেৰিকা, চীন, আদি দেশে যেতিয়া এই খেলত হাত দেখুৱা নাই, তেন্তে ভাৰত, শ্ৰীলঙ্কাৰ দৰে দুখীয়া দেশে খেলাটো ভাল বুলি কোৱা নাযায়। ইয়াৰ অৰ্থ এইটো নহয় যে, ৰাছিয়া, আমেৰিকা, চীনত খেলুৱৈৰ অভাৱ! তেওঁলোকৰ কৰ্তব্য হ'ল যে ইমান প্ৰতিযোগিতাৰ দিনত মনোৰঞ্জনৰ, বাবে পাচঁ দিনকৈ কটোৱা কথা কল্পনা কৰিব নোৱাৰি। গতিকে ভাৰতৰ দৰে দুখীয়া দেশে এনে খেলৰ বোজাটো বহন নকৰি, বন্ধ কৰাই ভাল। নহলে ইয়াৰ বাবদ হোৱা অপব্যয়ৰ মাত্ৰাটো কমাই ইয়াৰ অস্তিত্ব ৰাখি ইয়াত আজিৰ দৰে ইমান মনোনিবেশ নকৰাটো মঙ্গল জনক হব যেন লাগে। অৱশ্যে ইমান ভদ্ৰ খেলটো বন্ধ কৰিবলৈকো চিন্তা হয়। সেয়ে অৰ্থনৈতিক দিশটো প্ৰথমতে টনকিয়াল কৰি পিছত এইখেলৰ ওপৰত জোৰ দিলে ভাল হয় বুলি মন্তব্য কৰিব পাৰি!

## কিছুমান অদ্ভুত ঘটনা

ইয়াতে কিছুমান অদ্ভুত ঘটনাৰ কথা উল্লেখ কৰিব পাৰি। এবাৰ ইংলেণ্ডত এজন খেলুৱৈয়ে ইমান জোৰেৰে বলটো মাৰি পঠালে যে এখন আহি থকা গাড়ীৰ সন্মুখৰ গ্লাচত লাগি গ্লাচ টুকুৰা-টুকুৰা হৈ গ'ল। তেওঁ ক্ষতি পূৰণ হিচাপে বলটোকে লৈ সন্তুষ্ট মনেৰে গুছি গ'ল। এবাৰ এখন খেল ইমান নীৰস হৈছিল যে 'ফিল্ডিং' কৰি থকা পক্ষৰ অধিনায়কে 'বাউণ্ডেৰী' সীমাত বহি খবৰ কাগজ পঢ়ি আছিল। আৰু খেলৰ গতি সম্পূৰ্ণ অমনোযোগী হৈ আছিল। আনকি আমাৰেই ভাৰতবৰ্ষৰ মহান খেলুৱৈ ৺ৰঞ্জিত সিংজীয়ে একেদিনতে দুটা পক্ষৰ হৈ বেট ধৰি মুঠ তিনিটা 'ইনিংচত' তিনিটা 'চেঞ্চুৰী' কৰাই বিশ্ব-ৰেকৰ্ড প্ৰতিষ্ঠা কৰি থৈ গৈছে।

এবাৰ দক্ষিণ আফ্ৰিকাৰ দুটা দলৰ মাজত খেল চলি থাকোতে এবাৰ এজন খেলুৱৈয়ে বল মাৰি পঠাওঁতে বল সীমাৰেখাৰ আগতেই বৈ গৈছিল, কিন্তু প্ৰতি পক্ষৰ খেলুৱৈয়ে বলটো আনিবলৈ সাহস কৰা নাছিল, কিয়নো তাত এটা বাঘ বহি আছিল। খেলুৱৈয়ে দৌৰি দৌৰি ৬৯ ৰাণ সংগ্ৰহ কৰি (যিহেতু তেতিয়া ৰাণৰ প্ৰতিবন্ধক নাছিল) দলক বিজয় মুকুট পিন্ধাই দিলে। পিছত চাৰ্কাছৰ মানুহে বাঘটো বিচাৰি খেলপথাৰ পাইছিলহি আৰু বাঘটো লৈ গৈছিল!

এবাৰ মানচেষ্টাৰত (ইংলণ্ড) মৰা চিক্ৰা'ৰ এটা কামেৰি গৈ থকা বেলৰ ওপৰত পৰিছিল আৰু বল বেলৰ সৈতে ব্ৰেডফেটি নামৰ আন এখন চহৰত পৰিছিল। তথাকথিত নিয়ম অনুযায়ী যদি বেটচমেনে ৰাণ সংগ্ৰহ কৰি থাকিলেহেঁতেন তেন্তে কিমান নতুন অভিলেখ সৃষ্টি হ'লহেঁতেন তাৰ হিচাপ নাথাকিলহেঁতেন।

এনেকুৱা বহুতো বিক্ষিপ্ত ঘটনাৰ উদাহৰণ দিব পাৰি।

* * * *

# বিশ্ব ক্ৰিকেটৰ প্ৰবাদ পুৰুষ চাৰ ডন ব্ৰ্যাডম্যান

—সুব্ৰত মুখোপাধ্যায়
২য় বাৰ্ষিক, স্নাতক মহলা

এডিলেড বিমানবন্দৰ, বিশ্ব একাদশৰ ক্ৰিকেটাৰ, সকলক আদৰণি জনাবলৈ বিমান-বন্দৰত উপস্থিত আছিল বিশ্ব একাদশৰ অধিনায়ক চাৰ গাৰি চোবাৰ্চ আৰু এগৰাকী বৃদ্ধ অষ্ট্ৰেলিয়ান। এনে সময়তে ঘটিল সেই অবিশ্বাস্য ঘটনা। দীঘলীয়া যাত্ৰাৰ অন্তত খেলুৱৈসকল ভাগৰি পৰিছিল, সেইবাবেই পৰিচয় পৰ্বত কোনেও বিশেষ মনোযোগী নাছিল। দলৰ খেলুৱৈ একাৰমেনে কফি পানৰ অন্তত বাথৰুমলৈ যাওঁতে নিজৰ বস্তুবোৰ সহিতে ৰখা বেগটো সেই বৃদ্ধ ভদ্ৰলোক গৰাকীৰ হাতত দি গ'ল কিছু সময়ৰ মূৰত বাথৰুমৰ পৰা ওলাই আহি একাৰমেনে বৃদ্ধ গৰাকীকি সুধিলে —

আপুনি অষ্ট্ৰেলিয়াম ক্ৰিকেট বোৰ্ডৰ কোনো প্ৰতিনিধি নেকি ?

তেতিয়া সেই বৃদ্ধ গৰাকীয়ে মৃদু হাঁহিৰে উত্তৰ দিলে — হয়, মহাশয়।

এইবাৰ একাৰমেনৰ কথা — তেনেহলে আপুনি নিশ্চয় ক্ৰিকেটৰ বিষয়ে অলপ অচৰপ বুজি পায়। আপুনি বাৰু কোনোদিন ক্ৰিকেট খেলিছিল নেকি ?

— হয়, মহাশয়, অলপ অচৰপ।

কি ধৰণৰ ক্ৰিকেট খেলিছিল, প্ৰথমশ্ৰেণীৰ মেচ বা টেষ্টত কেতিয়াবা খেলিছিল নে ?

— খেলিছো।

এইবাৰ একাৰমেনে অলপ অৱহেলা মিশ্ৰিত সুৰেৰেই সুধিলে — আপোনাৰ নামটো কি বুলি কৈছিল মোক, মন কৰিবলৈ নহ'ল।

তেতিয়া বৃদ্ধ গাৰকীয়ে উত্তৰ দিলে — মোৰ নাম ডন ব্ৰ্যাডম্যান।

বৃদ্ধ গৰাকীৰ এইবাৰৰ কথাই একাৰমেনক নিৰ্বাক কৰি দিলে। অপ্ৰতিভ একাৰমেনে কিছুসময় মুখ ডাঙিব পৰা নাছিল।

চাৰ ডন ব্ৰ্যাডম্যান সচাকৈয়ে ক্ৰিকেটৰ ডন। পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ বেটচ্‌মেন। আজিৰ বৈজ্ঞানিক যুগত সকলো বিষয়ৰ শ্ৰেষ্ঠতা নিৰ্ণয়ৰ ক্ষেত্ৰত পৰিসংখ্যা বিজ্ঞানৰ বহুল ব্যৱহাৰ হব ধৰিছে। ক্ৰিকেট প্ৰেমিক সকলৰ খেলৰ পৰিসংখ্যানৰ প্ৰতি আগ্ৰহ দিনক দিনে বাঢ়ি যাব ধৰিছে। সেয়ে চাৰ ডন ব্ৰ্যাডম্যানৰ টেষ্ট পৰিসংখ্যানৰ বিষয়ে আলোচনা কৰা যাওঁক।

ব্ৰ্যাডম্যানে মুঠতে ৫২ টা টেষ্ট খেলিছিল। এই ৫২ টা টেষ্টত ৮০ টা ইনিংচৰ ভিতৰত দহবাৰে অপৰাজিত থাকি তেওঁৰ মুঠ সংগ্ৰহিত ৰান ৬,৯৯৬, বেটিংগড় প্ৰতি ইনিংচত ৯৯'৯৪। ২৯ টা চেঞ্চুৰিৰ মাজত সৰ্বোচ্চ ৩৩৪, ৫০ ৰ ৯৯ ৰ মাজত আৰু ১৩ টা স্কোৰ।

ব্ৰ্যাডম্যানে জীৱনৰ অন্তিম টেষ্টত আৰু চাৰিৰাণ সংগ্ৰহ কৰিব পাৰিলে তেখেতৰ বেটিংগড় ১০০ হ'লহেতেন। কিন্তু ১৯৪৮ চনৰ ১৪ আগষ্টৰ আবেলী লণ্ডনৰ ওভালত জীৱনৰ অন্তিমটেষ্টত তেখেতে শূন্যৰানত আউট হৈছিল।

তেন্তে তেওঁ বাৰু কেতিয়াও টেষ্টত শূন্য ৰানত আউট হোৱা নাছিল নে ?— হয়, ব্ৰ্যাডম্যানে সাতবাৰ টেষ্টত কোনো ৰান

নকৰাকৈয়ে আউট হৈছিল। তাৰ ভিতৰত দুবাৰ তেওঁ প্ৰথম বলতেই আউট হৈছিল।

এইয়া আছিল ব্ৰাডম্যানৰ টেষ্ট জীৱনৰ কণমানি ব্যৰ্থতা। টেষ্টত তেওঁ যেনেকৈ ৭ বাৰ শূন্য ৰাণ কৰি আউট হৈছিল, আনফালে দুটা ট্ৰিপল চেঞ্চুৰিৰ সৈতে আৰু দহটা ডাবল চেঞ্চুৰি কৰাৰ গৌৰৱো অৰ্জন কৰিছিল।

লিডচ টেষ্টৰ প্ৰথম দিনাখন তেওঁ ৩০৯ ৰাণ কৰিছিল। সেইদিনা (১৯৩০ৰ ১১ জুলাই) ব্ৰাডম্যান খেল আৰম্ভ হোৱাৰ আধাঘণ্টা পাছত প্ৰথম উইকেটৰ পতন হোৱাৰ বেট কৰিবলৈ আহিল। ধুনীয়া খেল প্ৰদৰ্শন কৰি মধ্যাহ্ন বিৰতিৰ সময়ত ১১২ মিনিটত ১০৫ ৰাণ কৰিছিল ১৬টা বাউণ্ডাৰিৰ সাহায্যেৰে। ইয়াৰ আগেয়ে ভিক্টৰ ট্ৰাম্পৰ (১৯০২) আৰু চাৰ্লি ম্যাকাৰ্টনি (১৯২৬ত) নামৰ দুজন ক্ৰিকেটাৰে মধ্যাহ্ন বিৰতিৰ আগৰ চেঞ্চুৰি কৰিছিল।

ব্ৰাডম্যানে ২১৪ মিনিট বেট কৰি নিজৰ ডাবল চেঞ্চুৰি পূৰ্ণ কৰিছিল। চাহপানৰ সময়ত তেওঁ ২২০ ৰাণ কৰি অপৰাজিত আছিল। মধ্যাহ্ন বিৰতিৰ পৰা চাহপানৰ বিৰতিলৈ তেওঁ ১৩২ মিনিটত ১১৫ ৰাণ সংগ্ৰহ কৰিছিল।

তিনিশ ৰাণ কৰোঁতে ব্ৰাডম্যানৰ সময় লাগিছিল, ৩৩৬ মিনিট। দিনৰ শেষত ৩৪৪ মিনিট বেট কৰি তেওঁ ৩০৯ ৰাণ কৰি অপৰাজিত আছিল। পিছৰ দিনা আৰু ২৫ ৰান কৰি তেওঁ আউট হৈছিল। ৩৮৩ মিনিট বেট কৰি তেওঁ ৪৬ বাৰ বল সীমানাৰ বাহিৰত পেলাইছিল।

হয়, অবিশ্বাস্য যেন লাগিলেও ব্ৰাডম্যানে এদিনতে ৩০৯ ৰাণ কৰিছিল। আজিকালি প্ৰায় গোটেই দিন বেট কৰাৰ পিছতো ইমান ৰাণ নহয়।

ব্ৰাডম্যানে চাৰিবছৰৰ পিছত আকৌ লিডচত ৪৩০ মিনিট বেট কৰি ৩০৪ ৰাণ কৰিছিল। হেডিংলেত মুঠতে ছবাৰ বেট কৰি তেওঁ ৯৬৩ ৰাণ কৰিছিল গড় ১৯২.৬।

ব্ৰাডম্যানে অলপৰ কাৰণে তেওঁৰ তৃতীয় ট্ৰিপল চেঞ্চুৰিৰ পৰা বঞ্চিত হৈছিল। ১৯৩১-৩২ত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তেওঁ প্ৰথম, দ্বিতীয় আৰু তৃতীয় টেষ্টত চেঞ্চুৰি কৰিছিল। এডিলেডৰ চতুৰ্থটেষ্টত তেওঁ আকৌ চেঞ্চুৰি আৰু ডাবল চেঞ্চুৰি পূৰ্ণ কৰি ট্ৰিপল চেঞ্চুৰি কৰাৰ পথত অগ্ৰসৰ হৈ আছিল। আনপিনে অষ্ট্ৰেলিয়াৰ উইকেট এটাৰ পিছত এটাকৈ দ্ৰুত-বেগে পতন ঘটিছিল তেওঁৰ ব্যক্তিগত ৰান যেতিয়া ২৯৯, অষ্ট্ৰেলিয়াৰ ১১ নম্বৰ বেটচমেন থাৰ্লোকে ৰান লোৱাৰ কাৰণে মাতি আকৌ ঘুৰাই পঠোৱাত থাৰ্লো ৰাণ আউট হয়। ব্ৰাডম্যানে সেয়ে অপৰাজিত থাকি ২৯৯ ৰাণ কৰে।

পিছৰ চিৰিজ আছিল বিতৰ্কিত 'বডি-লাইন' চিৰিজ। বডিলাইন বোলিংৰ বিৰুদ্ধেও ডন ব্ৰাডম্যানৰ টেষ্ট চেঞ্চুৰি আছে। সেই চিৰিজত তেওঁৰ বেটিংগড় (৫৬.৬৭) অষ্ট্ৰেলিয়াৰ বেটচমেন সকলৰ ভিতৰত সৰ্বোচ্চ। তেওঁ চাৰিটা টেষ্টত ৰাণ কৰিছিল ৩৯৬— সেয়ে বডিলাইনৰ বিৰুদ্ধে খেলিও সেই চিৰিজৰ তেওঁ আটাইতকৈ সফল বেটচমেন হিচাপে

পৰিগণিত হৈছিল।

প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ব্ৰাডম্যানে ২৩৪ টা মেচত ২৮,০৬৭ ৰাণ কৰিছিল, গড় ৯৫.১৪, ১১৭ টা চেঞ্চুৰিৰ মাজত ৩৭ টা ডাবল চেঞ্চুৰি। সৰ্বোচ্চ স্কোৰ ১৯২৯-৩০ ৰ চেফিল্ড চিল্ডত কুইন্সলেণ্ডৰ বিৰুদ্ধে চিডনিত নিউ চাউথ ৱেলচৰ হৈ কৰা অপৰাজিত ৪৫২। এইটো ২৯ বছৰলৈ বিশ্বৰেকৰ্ড আছিল।

ভাৰতত ব্ৰাডম্যান কোনোদিন খেলা নাই। কিন্তু ১৯৪৭-৪৮ ত চফৰকাৰী ভাৰতীয় দলৰ বিৰুদ্ধে তেওঁ সাতটা খেলৰ ভিতৰত ছটা চেঞ্চুৰি কৰিছিল; সৰ্বোচ্চ এডিলেডত ২০১— তেওঁৰ শেষ ডাবল চেঞ্চুৰি। ভাৰতৰ বিৰুদ্ধে তেওঁৰ মুঠ ৰাণ ১,০৮১, গড় ১৩৫.১২। তেতীয়া ব্ৰাডম্যানৰ বয়স আছিল ৪০।

ইংলণ্ডৰ বিৰুদ্ধে ১৯৩৮ ৰ ওভাল টেষ্টত ইংলণ্ডে প্ৰথমে বেট কৰিবলৈ আহি ৭৭০ ৰাণ কৰাৰ পাছতো অধিনায়ক হ্যামণ্ডে ডিক্লেয়াৰ কৰা নাছিল। ইতিমধ্যে ব্ৰাডম্যান বল কৰিবলৈ আহি আঘাত পাইছিল, ইংলণ্ডৰ ৰাণ আছিল ৯০০। শেষত অধিনায়কে যেতিয়া ডিক্লেয়াৰ কৰিছিল তেতিয়া স্কোৰ আছিল ৭ উইকেটত ৯০৩। ডিক্লেয়াৰ কৰাৰ কাৰণ আছিল ইংলণ্ড অধিনায়কে খবৰ পাইছিল যে ব্ৰাডম্যানে সেই খেলত বেট কৰিব নোৱাৰিব। ব্ৰাডম্যান নাথাকিলে অষ্ট্ৰেলিয়াৰ পক্ষে ইমান ৰাণ কৰা যে অসম্ভৱ সেই বিষয়ে হ্যামণ্ড নিশ্চিত আছিল।

ব্ৰাডম্যানে বোধকৰো আৰু বহুতো চেঞ্চুৰি কৰিব পাৰিল হেঁতেন। তেওঁৰ জীৱনৰ সোণালী কালছোৱাত দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণে তেওঁ বহুতো বছৰ খেলিব পৰা নাছিল। ক্ৰিকেটৰ প্ৰবাদ পুৰুষ চাৰ ডন ব্ৰাডম্যানৰ স্কোৰ বুকে চিৰকাল এইটো প্ৰমাণ কৰিব যে হেলমেট, চেষ্ট প্যাড, এলবো প্যাড, থাই প্যাড ব্যৱহাৰ নকৰাকৈয়ে বিশ্বৰ সেই সময়ৰ শ্ৰেষ্ঠ বোলাৰ সকলৰ বিৰুদ্ধে ক্ৰিকেটৰ সকলো ধৰণৰ ষ্ট্ৰোক বল অনুসৰি নিৰ্ভুল ভাবে মাৰিব পৰা চাৰ ডন ব্ৰাডম্যান সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বেটচ্‌মেন।

* * *

# বৰ্ত্তমান আমাৰ সমাজ আৰু শিক্ষা

—গোবিন শইকীয়া
স্নাতক ২য় বাৰ্ষিক

শিক্ষাই হল কোনো এখন দেশৰ মূল ভেটি কোনো। এখন দেশৰ বা সমাজৰ উন্নতিৰ পৰিচায়ক হল শিক্ষা। এই শিক্ষাৰ দ্বাৰা পৃথিৱীৰ বহুতো দেশে উন্নতিৰ উচ্চ শীৰ্ষত স্থান লাভ কৰিছে।

শিক্ষা হল সমাজৰ এক অবিচ্ছেদ্য অঙ্গ। এটাৰ বিহনে আন এটা সম্পূৰ্ণ নহয়। ছাত্ৰ-ছাত্ৰী সকল ভৱিষ্যতে উন্নতি শীৰ্ষত উপনীত হবলৈ হলে শিক্ষা অপৰিহাৰ্য্য। বৰ্ত্তমান দুৰ্নীতিগ্ৰস্ত সমাজত শিক্ষানীতি যি প্ৰক্ৰিয়াৰে চলি আছে সি যে ভৱিষ্যতে এক ভয়াবহ ৰূপ লব সেইটো জলজল পটপট ভাৱে বৰ্ত্তমান অৱস্থাই সূচাইছে। অতীতৰ শিক্ষা ব্যৱস্থা আৰু বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাৰ মাজত বহুতো পাৰ্থক্য পৰিলক্ষিত হয়। অতীতত এজন শিক্ষকে সকলো বিষয়ৰ জ্ঞান দিছিল কিন্তু বৰ্ত্তমান প্ৰত্যেক বিষয়তে শিক্ষক নিযুক্তি দিয়া হয়। তথাপিও শিক্ষাৰ ক্ষেত্ৰত বৰ্ত্তমান ঘুণে ধৰা দেখা গৈছে। কাৰণ বৰ্ত্তমান আমাৰ সমাজত সহজে ধন ঘটাৰ পথ মুকলি হৈছে।

শিক্ষাৰ মূল উদ্দেশ্য হল মানসিক উৎকৰ্ষ সাধন কৰা। আজিৰ সমাজে শিক্ষাৰ মূল লক্ষ্যত উপনীত হোৱাত বাধাৰূপে থিয় দিছে। শিক্ষা ব্যৱসায়ৰ এক মাধ্যম হিচাপে পৰিণত হৈছে। দুৰ্নীতি গ্ৰস্ত সমাজত শিক্ষাৰ কোনো মূল্য নোহোৱা ! হৈ পৰিছে। ইয়াৰ প্ৰমান বিচাৰি বেছি দূৰ অতিক্ৰম কৰাৰ প্ৰয়োজন নাই। শিক্ষা আৰু শিক্ষক এক ওতঃপ্ৰোতঃ সম্বন্ধত জড়িত। উপযুক্ত শিক্ষক বিহনে উচিত শিক্ষা হব নোৱাৰে। আজিৰ স্কুল, কলেজ বিলাকত শিক্ষা মূলক দৃষ্টি ভঙ্গীৰে বিচাৰ বিবেচনা কৰি প্ৰকৃত যোগ্যতাৰ ওপৰত ভিত্তি কৰি শিক্ষক নিযুক্তি দিয়া নহয়। নিযুক্তি দিয়া হয় এক ৰাজনৈতিক ভেকো-ভাওনা দ্বাৰা। তেন্তে শিক্ষামূলা কোনখিনিত থাকিল ! এইধৰণে নিযুক্তি দিয়া শিক্ষক হয়তো পাঠদানৰ বাবে অক্ষমও হব পাৰে। তেনেস্থলত ছাত্ৰ/ছাত্ৰী Private শিক্ষকৰ ওচৰ চাপিবলগীয়া হয়। যিহেতু আমাৰ সমাজত ধনী, দুখীয়া দুয়ো-শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আছে। গতিকে সকলো ছাত্ৰ-ছাত্ৰীয়ে Private শিক্ষক ৰাখিবলৈ আৰ্থিক ভাৱে সক্ষম নহয়। ফল স্বৰূপে স্কুল, কলেজ বিলাকত অসৎ উপায় অৱলম্বন বৃদ্ধি পোৱা দেখা গৈছে। শিক্ষানুষ্ঠান বিলাক সমাজৰে এটা গোট। যেতিয়া সামাজিক পৰিৱেশটোৰে অৰাজকতাৰ হয় ক্ষেত্ৰে তাৰ প্ৰভাৱ শৈক্ষিক পৰিৱেশত পৰাটো স্বাভাৱিক।

যোৱা ৮ জুন তাৰিখে তেজপুৰ সাহিত্যসভাৰ দ্বাৰা সম্বৰ্দ্ধিত কেইজন মান অৱসৰ প্ৰাপ্ত কৃতী শিক্ষকৰ দৃষ্টিভংগী চমুকৈ প্ৰকাশ কৰা হল—

ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত তেজপুৰ একাডেমীৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীলম্বোদৰ ভূঞাই শিক্ষক জীৱনত তেখেতে শিক্ষা সমস্যা, ছাত্ৰ-ছাত্ৰীৰ মনস্তাত্বিক ক্ৰিয়া-প্ৰক্ৰিয়া আদি দিশত সূক্ষ্ম অধ্যয়ন চলাইছিল। তেখেতৰ মতে বৰ্ত্তমান

যুগত বিজ্ঞানৰ অগ্ৰগতিৰ লগত আমাৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম সমানে আগবাঢ়ি যাব পৰা নাই।

বৰ্তমান নকল সম্পৰ্কে তেখেতৰ দৃষ্টিভংগী হল— বৰ্তমান প্ৰক্ৰিয়াৰে শিক্ষা নীতি চলি থাকিলে নকল দিনে দিনে বাঢ়ি গৈ থাকিব। জোৰ-জুলুম কৰি নকল বন্ধ কৰাৰ অসম্ভৱ। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকে কোৱা উপদেশ বা কিতাপতকৈ পৰিবেশৰ অনুকৰণ বেছি কৰে। আনহাতে প্ৰশ্নভাণ্ডাৰ ( Questian Bank ) সম্পৰ্কত তেখেতৰ মন্তব্য হল যদি ই মানুহ জ্ঞানী কৰা বেংক আৰিৰ তথ্যপিত কাৰ্যক্ষেত্ৰত বিফল হৈ নকল কৰাতহে উদগনি যোগালে। বৰ্তমান পৰীক্ষা ব্যৱস্থাই নকল কৰা আৰু নকৰা ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ্থক্য সৃষ্টি নকৰে।

বৰ্তমান তেজপুৰ গাৰ্লছ কলেজৰ অধ্যক্ষ শ্ৰীদেৱেশ্বৰ গোস্বামী দেৱৰ মতে শিক্ষক, ছাত্ৰ উভয়ৰে "পঢ়, পঢ়ুৱাই কয়ে পাপ" হোৱা উচিত। শিক্ষকৰ ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়াৰ বাহিৰে অন্য চিন্তা, ব্যৱসায় থকা অনুচিত। তেখেত নকল আৰু প্ৰাইভেট টিউচনৰ ঘোৰ বিৰোধী। পৰীক্ষাত নকলটো শিক্ষা ব্যৱস্থাৰ উদ্ধৰ বুলি নাভাবে। তেখেতে কয়— বৰ্তমান শিক্ষা ব্যৱস্থা বহু অতীতৰ পৰা চলি আহিছে আৰু অতীতে যিহেতু নকল নাছিল বৰ্তমানো ছাত্ৰ-ছাত্ৰীয়ে নিজে ইয়াৰ আতৰত থকাৰ প্ৰচেষ্টা কৰাৰ প্ৰয়োজন। প্ৰাইভেট টিউচনৰ সম্পৰ্কত তেখেতৰ মত হল— ই মানুহক সোৰোপা কৰে। ফলত জীৱনৰ সকলো স্তৰতে অত্যাধিক প্ৰাইভেট টিউচন কৰাৰ ছাত্ৰ-ছাত্ৰীয়ে সহায়ক বিচাৰে। ই ভৱিষ্যত জীৱনত আত্মবিশ্বাস হেৰুৱাত সহায় কৰে।

তেজপুৰৰ বৰ্তমানে শোণিতপুৰৰ নৱ-প্ৰতিষ্ঠিত বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীউপেন ভূঞা বৰ্তমান পৰীক্ষা গৃহত নকল বৃদ্ধি হোৱাৰ বাবে তিনিটা কাৰণ উল্লেখ কৰে, প্ৰথম কাৰণ হল — বৰ্তমান বেছি অংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণটো আৱশ্যকীয় কাম বুলি নাভাবে। সেছি অংশই যেনে তেনে পাছ কৰাৰ ওপৰতেই গুৰুত্ব দিয়ে উপৰি শিক্ষাতকৈ টকাৰ মূল্য বেছি বাবে যেনে তেনে পাছকৰি টকা ঘটাৰ ওপৰতেই গুৰুত্ব দিয়ে। ফলত নকল কৰি যেনে-তেনে পাছ কৰাৰ মানসিকতা সৃষ্টি কৰে। দ্বিতীয়তে, বৰ্তমানে শিক্ষাৰ বিষয় বিলাক যথেষ্ট ব্যাপক হৈছে। সেইমতে শিক্ষাদানৰ বাবে শিক্ষকৰ সময়ৰ নাটনি হয় ফলত শিক্ষকে যিদৰে পাঠদান কৰিব লাগে সেইমতে সম্ভৱ নহয়। ফলত বহু পাঠ নোবুজাকৈয়ে থাকি যায়। যিবোৰত ছাত্ৰ-ছাত্ৰীয়ে অসৎ উপায় লয়। তৃতীয়তে, সমাজৰ যি পৰিবেশ, ঘৰত পঢ়াৰ যি পৰিবেশ সি একেবাৰে অসুস্থ। তেখেতে সুন্দৰ মন্তব্য কৰি কয় যে যদি গোটেই দেশ গোটেই সমাজ-সবেই দুৰ্নীতি গ্ৰস্থ হয় তেন্তে শিক্ষক, ছাত্ৰ আৰু গোটেই শিক্ষা পৰিবেশটোৱেই দুনীতি গ্ৰস্থ হব। ফলত যিমান উন্নত শিক্ষাৰ সূত্ৰ উদ্ভাৱন নকৰক কিয় সি বিফল হবলৈ বাধ্য। তেখেতৰ মতে যদি সমাজখন নিকা হয় শিক্ষা ব্যৱস্থা নিকা হয়; সমাজখন দুনীতি মুক্ত কৰিবলৈ বৰ্তমান ছাত্ৰ সমাজে বিদেশী নাগৰিকৰ আন্দোলনৰ দৰে এক আন্দোলনৰ প্ৰয়োজনীয়তা আছে বুলি কয়।

এতিকে দেখা গল যে বৰ্তমান সমাজৰ শিক্ষানীতি এক নিকৃষ্ট অৱস্থাৰ মাজেদি গৈছে।

মানুহ মাত্ৰেই আশাবাদী। গতিকে সকলো ছাত্ৰ-ছাত্ৰী ভৱিষ্যতে কিবা এটা কৰাৰ মানসেৰে শিক্ষা গ্ৰহণ কৰে। বৰ্ত্তমান সমাজৰ শিক্ষাৰ যি অৱস্থা সেইমতে যদি ছাত্ৰ-ছাত্ৰী সকল ভৱিষ্যতলৈ আগবাঢ়ি যায় তেন্তে সুদূৰ ভৱিষ্যতৰ জীৱণৰ কোনো নিৰাপত্তা আশা কৰিব নোৱাৰি। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত জ্ঞান আহৰণ কৰি কাৰ্য্যক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ অপৰাগ হব। ফলত নিবনুৱা সমস্যা আৰু বৃদ্ধি পাব গতিকে চৰকাৰী মহলৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়া শিক্ষা বিভাগকে আদি কৰি যিলোকসকলৰ চাকৰি নিযুক্তি দিয়াৰ কতৃত্ব আছে। তেওঁলোকে পুত্ৰ সম ভৱিষ্যতে উঠি অহা দেশৰ ধৰণীস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুক্ষ্ম বিবেচনা কৰি আত্মশুদ্ধি হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। বৰ্ত্তমান আমাৰ দুনীতি গ্ৰস্ত সমাজৰ আবৰ্জনা বোৰ আঁতৰাবলৈ সকলো লোকৰ ধৈৰ্য্য ত্যাগ, ঐক্য, সহংতি প্ৰয়োজন। যাতে অতীতক লৈ বৰ্ত্তমানত থাকি ভৱিষ্যতৰ বাবে শুদ্ধ শিক্ষা ব্যৱস্থা লব পাৰো। তেতিয়াহে আমাৰ শিক্ষাৰ অস্তিত্ব শুদ্ধ অৱস্থাত যুগমীয়া বৰ্ত্তি থাকিব। মানুহৰ নৈতিক মূল্য কেৱল নিজৰ জীৱণ উন্নতি কৰাতেই নিৰ্ভৰ নকৰে, নিৰ্ভৰ কৰে তেওঁ সমাজক কি দিব পাৰিছে তাৰ ওপৰতহে। — ( আইষ্টাইন )।

★ ★ ★

## সময়ে সৰোৱা পাত

—শিশুপাল দেউৰী
স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক

**'পল পল দণ্ড কৰি সময় গৈছে উৰি
পাখি লগা কাড়ৰ দৰে অবিৰাম'**

অৰণ্যে পখিলগা কাড়দাল যিমান দূৰ যায়, সো সোৱাই উৰি গৈ থাকোতে উৰণৰ মাজতে কোনো বিৰাম বা বিৰতি নোলোৱাকৈয়ে ই গৈ থাকে। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই। কিন্তু কাড়দাল চিৰকাল উৰি গৈয়েই নাথাকে। এইটো ধুৰুপ যে ধনুখনৰ গুণত লগাই চিপফালৰ পৰা মাৰি দিয়া ঠেলাটোৰ বাবে ইয়াক যিমান দূৰ ঠেলি পথায় তিমান দূৰ গৈ ঠেলাৰ কোব সাং হলেই ই কোনো নিৰ্দিষ্ট ঠাইত পৰিবলৈ বাধ্য। ঠেলাটোৰ জানো এনে এটা শক্তি আছে যে ই অনন্তকাল কাড়দালক আগলৈ ঠেলি ঠেলি লৈ গৈয়েই থাকিব। গতিকে কাড়দাল মাৰি পথিওৱা জনেই হওক কিংবা অন্য কোনো মানুহেই হওক এসময়ত তাক বুটলি লব পাৰে।

যদি এনে পাখিলগা কাড়ৰ লগত সময়ক তুলনা কৰিবপৰা গ'লহেতেন, তেন্তে সময়কো কোনোবাই নহয় কোনোবাই, এদিন নহয় এদিন পৰি থকা অৱস্থাত নিশ্চয় পালেহেতেন। সেই অদ্ভুদ বস্তুটো আবিস্কাৰ কৰাজনে আশ্চৰ্যৰ

অতিশয্যত অভিভূত হৈ টিকি মাৰি উঠিল হেতেন বোলে ইউৰেকা ! ইউৰেকা ! তাৰমানে পাইছোঁ পাইছো এই দালেই সময়ৰ পাখিলগা কাড় উৰি উৰি উৎসৰ কোৱ শেষ হৈ ইয়াতে পৰি আছে।

পিচে 'ইউৰেকা' হলে হব কি ? যত কাড়-দাল পৰি ৰৈছিল মাৰি পথিওৱা ঠাইৰ পৰা সেই খিনি ঠাই পৰ্যন্তহে সময় থামিল হেতেন। কিয়নো সেই দালেইতো সময়ৰ কাড়, তাৰমানে সময় ! গতিকেই সেইদাল পৰিথকা ঠাইদো-খৰ পৰা আগফাললৈ দুনিয়াৰ বাকী সম্পূৰ্ণ নিঃসময় অৰ্থাৎ সময়হীন হৈ থাকিল হেতেন ! তেতিয়া মানুহে কোৱাৰ কোনো উপায় নাথাকিল হেতেন ! যে এতিয়া কিমান সময় হ'ল, কিংবা তুমি কেতিয়া আহিলা, অথবা কেতিয়া কে যাবা প্ৰভৃতি।

নিঃ সময় অৱস্থাটো নিৰ্ঘাত মহাকালাত্মক কাণ্ডটোয়েই এনে 'নভুতো, ন ভবিষ্যত ব্যাপৰ ইহ পৃথিৱীত চিন্তাৰ অতীত। গতিকে মাভৈঃ অৰ্থাৎ ভয় নাই।

সময় পাখি লগা কাড়ৰ দৰেই উৰোক কিংবা দেউকা থকা চৰাইৰ দৰেই ঘুৰোক নাইবা একালৰ পৰা বৈ গৈ হ্ৰদে বিলে খালে দোঙে অথবা মৰা ডোবাত বদ্ধপানী এডৰা হৈ পৰকগৈ যি হয় হওক। কিন্তু সেয়া জ্ঞানী জনেহে জানে।

কিন্তু সাধাৰণ জ্ঞানেৰে আমি ইয়াকেই জানো যে সকলোবোৰ কা-কাণ্ড ঘা-ঘটনা ঘটে সময়ৰ বুকুতেই। সেয়া কেচুৱাটোৱেই জন্মোক বা, বুঢ়াটোকেই মৰোক। সময়ৰ পৰা ফালৰি কাটি থাকি কিংবা তাৰ পৰা বগল হৈ ৰৈ কোনো থাকিব নোৱাৰে বা কোনো কিছু ক্ৰিয়া কাণ্ড কদাপিও ঘটিব নোৱাৰে। এই কথা খাটে ঘৰখনতেই হওক বা, পৃথিৱীৰ, পৃথিৱীৰ নহয় বিশ্বব্ৰহ্মাণ্ডৰ যতেই নহওক।

* * *

# চেৰনোবিল বিপৰ্যয় আৰু তাৰ প্ৰতিক্ৰিয়া

বিজয় কুমাৰ দাস
স্নাতক মহলা

ৰাচিয়া পাৰমাণৱিক বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত তৃতীয় বৃহত্তম দেশ। প্ৰথম আমেৰিকা আৰু দ্বিতীয় ফ্ৰান্স। চেৰনোবিল বিদ্যুৎ কেন্দ্ৰ ছোভিয়েত ৰাচিয়াৰ সবাতোকৈ ডাঙৰ আৰু পুৰণি বিদ্যুৎ কেন্দ্ৰ। কিন্তু দুৰ্ভাগ্য বশতঃ ১৯৮৬ চনৰ এপ্ৰিল মাহত এই বিদ্যুৎ কেন্দ্ৰ খনতেই বিশ্বৰ আটাইতকৈ ভয়ঙ্কৰ পাৰমাণৱিক চুল্লিৰ দুৰ্ঘটনাটো ঘটিল। ছোভিয়েত ইউনিয়নৰ এজন উচ্চপদস্থ চৰকাৰী মুখপাত্ৰৰ মতে, মানুহৰ ভুলতেই এই দুৰ্ঘটনা। ৰাচিয়াৰ বিশেষজ্ঞ সকলৰ প্ৰতিবেদন অনুসৰি, চেৰনোবিলৰ চতুৰ্থ ইউনিটটো নিৰ্ধাৰিত সূচী অনুসৰি বন্ধ কৰাৰ সময়ত বিক্ৰিয়াধাৰৰ ক্ষমতা হঠাতে বৃদ্ধি পায়। সমধিক পৰিমাণে বাষ্প নিৰ্গত হোৱাৰ ফলত হাইড্ৰোজেনৰ সৃষ্টি হয় আৰু তাৰ বিস্ফোৰণ ঘটে। বিক্ৰিয়াধাৰ ক্ষতিগ্ৰস্থ হয়, লগতে তেজস্ক্ৰিয় পদাৰ্থ সমূহ নিৰ্গত হবলৈ ধৰে।

চেৰনোবিলৰ এই দুৰ্ঘটনাৰ বিধ্বংসী প্ৰভাৱ ১৯৪৬ চনত জাপানৰ হিৰোছিমাত পাৰমাণৱিক বোমা বিস্ফোৰণতকৈ কোনো অংশে কম নহয়। হিৰোছিমা নাগাছাকিৰ ভয়াবহ পৰিস্থিতিৰ কথা আজিও আমি পাহৰিব পৰা নাই। হিৰোছিমাত পাৰমাণৱিক বোমা বিস্ফোৰণত যিমান মানুহৰ মৃত্যু হৈছিল তাতোকৈ বেছি সংখ্যক মানুহৰ মৃত্যু হব চেৰনোবিলৰ দুৰ্ঘটনাৰ ফলত উদ্ভৱ হোৱা তেজস্ক্ৰিয়তাৰ প্ৰভাৱত। ইউৰোপীয় আৰু আমেৰিকান বিশেষজ্ঞ সকলৰ মতে, এই দুৰ্ঘটনাৰ প্ৰভাৱত অহা চল্লিছ বছৰত ছোভিয়েত ইউনিয়ন আৰু আন দেশত কমেও এক লাখ পোন্ধৰ হেজাৰ মানুহৰ কেন্‌চাৰত মৃত্যু হব।

পাৰমাণৱিক বোমা বিস্ফোৰণত মানুহৰ তাৎক্ষনিক মৃত্যু হয় বেছি। পৰৱৰ্তী কালতো বহুতো সংখ্যক মানুহৰ কেন্‌চাৰ, লিউকোমিয়া ইত্যাদিত মৃত্যু হয়। বহুতো বিকলাঙ্গ আৰু বিকৃত শিশুৰ জন্ম হয়। আনহাতে, চেৰনোবিলৰ নিচিনা পাৰমাণৱিক চুল্লিৰ দুৰ্ঘটনাত অলপদিনৰ ভিতৰতেই অতি কম সংখ্যক মানুহৰ মৃত্যু হয়। কিন্তু দুৰ্ঘটনাৰ ফলত যি বিশাল অঞ্চল ব্যাপী ভয়ানক তেজস্ক্ৰিয়তা বিয়পি পৰে, তাৰ প্ৰভাৱত হেজাৰ হেজাৰ মানুহ কেন্‌চাৰত মৰিবলৈ ধৰে। এনে ঘটনা সংঘটিত হবলৈ ধৰে দুৰ্ঘটনাৰ পাছত চল্লিশ-পঞ্চাশ বছৰ ধৰি। পাৰমাণৱিক চুল্লি দুৰ্ঘটনাত চাৰিও ফালে বিয়পি পৰা তেজস্ক্ৰিয় কণাৰ আকৃতি প্ৰায় ১ মাইক্ৰনৰ নিচিনা। এই পাতল তেজস্ক্ৰিয় কণা সমূহ বতাহত ভাহি ফুৰে। এনেকৈ তেজস্ক্ৰিয় কণা সমূহ বতাহৰ সহায়ত হেজাৰ হেজাৰ মাইল নিলগৰ অঞ্চললৈকে বিয়পি পৰে। এই ঘটনাৰ প্ৰমাণ চেৰনোবিলৰ দুৰ্ঘটনাতো পোৱা গৈছে। চেৰনোবিল দুৰ্ঘটনাৰ ফল স্বৰূপে চুইডেন, নৰৱে, ৰুমানিয়া, যুগোশ্লাভিয়া, ফ্ৰান্স, পশ্চিম জাৰ্মানি, হাঙ্গেৰি আনকি আমাৰ ভাৰতবৰ্ষতো তেজস্ক্ৰিয়তাৰ মাত্ৰা বৃদ্ধি ধৰা পৰিছে। পাৰমাণৱিক বোমা বিস্ফোৰণৰ ফলত উদ্ভূত তেজস্ক্ৰিয় কণা আকৃতি প্ৰায় ১ মিলিমিটাৰ। এই কণা বিলাক অপেক্ষাকৃত ডাঙৰ আৰু গধুৰ হোৱাৰ হেতুকে

দ্ৰুত গতিৰে তললৈ নামি গছ-গছনি আৰু মাটিত জমা হ'বলৈ ধৰে। সেই কাৰণে তেজস্ক্ৰিয় কণা বতাহত বহুত দূৰলৈকে ভাহি যোৱাৰ সম্ভাৱনা নিচেই কম।

তেজস্ক্ৰিয়তাই মানুহৰ কিমান ক্ষতি কৰিব সি নিৰ্ভৰ কৰে তেজস্ক্ৰিয়তাৰ মাত্ৰাৰ ওপৰতেই। ১০০০ ৰেমৰ বেচি মাত্ৰাৰ তেজস্ক্ৰিয়তা অতি ভয়ানক আৰু অলপ সময়ৰ ভিতৰতে মৃত্যু মাতি আনে। ছোভিয়েত ইউনিয়নৰ উচ্চ পদস্থ চৰকাৰী কৰ্মচাৰী বৰিচ ইৱেট্টচিনৰ মতে, চেৰনোবিলৰ পাৰমাণৱিক চুল্লিৰ ওচৰে-পাজৰে তেজস্ক্ৰিয়তাৰ মাত্ৰা ঘণ্টাত ২০০ ৰেমত নামি আহিছে। ২০০ ৰেম মাত্ৰাৰ তেজস্ক্ৰিয়তা যদি কোনো মানুহে পাঁচ ঘণ্টা ধৰি পায়, তেনেহলে তেওঁৰ মৃত্যু হোৱাটো সুনিশ্চিত। তেজস্ক্ৰিয়তাৰ প্ৰভাৱ আইচোটোপৰ ওপৰত নিৰ্ভৰ কৰে। চেৰনোবিল দুৰ্ঘটনাৰ পাচত চুইডেনত ১৬ ধৰণৰ আইচোটোপৰ অস্তিত্ব ধৰা পৰিছে। ধৰা পৰা আইচোটোপৰ ভিতৰত আছে বেৰিয়াম, ক্ৰিপটন, কিউৰিয়াম, আয়োডিন আৰু চিজিয়াম। বিভিন্ন ধৰণৰ আইচোটোপে শৰীৰৰ বিভিন্ন অংশক আক্ৰমণ কৰে। বেৰিয়ামৰ পাৰমাণৱিক আকৃতিৰ লগত কেলচিয়ামৰ সাদৃশ্য আছে বুলি বেৰিয়াম আইচোটোপ বিলাক কেলচিয়ামৰ দৰে শৰীৰৰ অস্থি সমূহত গৈ জমা হয়। চিজিয়াম আইচোটোপ বেছি জমা হয় মাংস পেশীত। আৰু আয়োডিন থাইৰয়েডত জমা হয়। এই তেজস্ক্ৰিয় আইচোটোপ বিলাকে শৰীৰৰ নিৰ্দিষ্ট অংশতগৈ তেজস্ক্ৰিয়তা বিকিৰণ কৰি থাকে। ফলত মানুহৰ শৰীৰত কেন্সাৰৰ জন্ম হয়। তেজস্ক্ৰিয় আইচোটোপ বিলাকৰ ভিতৰত চিজিয়াম, ষ্ট্ৰনচিয়াম শ শ বছৰ ধৰি সক্ৰিয় থাকে।

বিশেষজ্ঞ সকলৰ মতে, চেৰনোবিল চুল্লিৰ ওচৰে-পাজৰে কমেও ৬০ বৰ্গমাইল খেতিৰ উপযোগী অঞ্চল যুগ যুগ ধৰি তেজস্ক্ৰিয় হৈ থাকিব। চিজিয়াম ১৩৭ আৰু ষ্ট্ৰনচিয়াম ৯০ এই দুটা তেজস্ক্ৰিয় আইচোটোপ অতি লাহে লাহে ক্ষয় প্ৰাপ্ত হয়। সেয়ে এই তেজস্ক্ৰিয় আইচোটোপৰ পৰা মুক্তি পাবলৈ কেবা যুগ লাগি যাব। যিমান দিন মাটিত এই বিলাক তেজস্ক্ৰিয় আইচোটোপ থাকিব সিমান দিন লৈকে উৎপন্ন শস্য আৰু জীৱজন্তুৰ শৰীৰত তেজস্ক্ৰিয়তা থাকিব। ইতিমধ্যে চেৰনোবিল দুৰ্ঘটনাৰ ফলত ৰাচিয়াৰ দুটা উৰ্বৰ অঞ্চল ইউক্ৰেন আৰু বেলোৰুচিয়াৰ শস্য, গাখীৰ, মাংস দূষিত হৈ পৰিছে। সেইবাবে ৰাচিয়াত এতিয়া খাদ্য সঙ্কট দেখা দিছে। খাদ্য শস্যৰ মূল্যও বাঢ়ি গৈছে। তেজস্ক্ৰিয়তাৰ প্ৰভাৱে কিয়েভৰ প্ৰায় সকলো নদী আৰু জলাধাৰ দূষিত হৈ পৰিছে। তেজস্ক্ৰিয় পানীও চাৰিও-ফালে বিয়পি পৰিছে।

বিশ্বৰ বিভিন্ন দেশত এতিয়াও ৩৭০ টাতকৈ বেচি পাৰমাণৱিক নিক্ৰিয়াধাৰ সক্ৰিয় অৱস্থাত আছে। বৰ্তমান বিশ্বত ৫০ হেজাৰ মেগাটন TNT পৰিমাণৰ পাৰমাণৱিক অস্ত্ৰ মজুত আছে। ইয়াৰ সামান্য এটা অংশই বিশ্ব ধ্বংস কৰিব পাৰে। চেৰনোবিল দুৰ্ঘটনাই আৰু এবাৰ দেখুৱাই দিলে যে নিউক্লিয়াৰ যুদ্ধৰ সূত্ৰপাত হব লাগিলে মানৱজাতি কোন ৰসাতলত গৈ পৰিব। কাৰণ, বিশ্বত যিমান নিউক্লিয়াৰ অস্ত্ৰ আছে আৰু ধ্বংস ক্ষমতা এটা চেৰনোবিলতকৈ হেজাৰ হেজাৰ গুণ বেচি ভয়ঙ্কৰ।

★★ ★★

# অবনদ্ধ বাদ্য তবলা আৰু সংগীত

প্ৰতুল চন্দ্ৰ কলিতা

যদিও তবলা বোলাৰ লগে লগে বাদ্যলৈ মনত পৰে, বাদ্যৰ নাম লওতে মনত পৰে গীতলৈ, সেইদৰে গীত আৰু বাদ্যই নৃত্যৰ কথা স্মৰণ কৰায়। মূলতঃ গীতৰ লগত নৃত্য আৰু বাদন লৈয়েই সংগীত। সেয়েহে প্ৰাচীন সংগীতজ্ঞ সাৰঙ্গদেৱে কৈছে "গীতং, বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীতম উচ্যতে"। সাহিত্যত শব্দ আৰু অৰ্থক মাধ্যম বুলি ধৰি ৰসানুভূতি হোৱাৰ দৰেই - সংগীতত কণ্ঠ সংগীত, বাদ্য - সংগীত আৰু নৃত্যৰ মাধ্যমেৰে ৰসানুভূতি হয়।

কুৰি শতিকাৰ কৰ্ম ব্যস্ত মানৱ জীৱনত সংগীতৰ প্ৰভাৱ মন কৰিবলগীয়া। অধ্যয়ন, ব্যৱসায়, ৰাজনীতি, খেলা - ধুলা শাৰীৰিক পৰিশ্ৰম আদি বিভিন্ন ক্ৰিয়াই দিঠকৰ লোক সকলক ব্যস্ত কৰি ৰাখিছে। যি ক্ৰিয়াই মানৱক ব্যস্ত নাৰাখক; মূলতে শাৰীৰিক আৰু মানসিকতাৰ মাজেৰে সময় অতিবাহিত কৰে। এই দুই শক্তিক পৰিচালনা কৰে আমাৰ মগজুৱে। এইদৰে বিভিন্ন ক্ৰিয়াৰ দ্বাৰা মগজু ভাৰাক্ৰান্ত হৈ পৰে। সেইকাৰণে দিনৰ অন্তত মানুহে ক্লান্ত হৈ পৰে। তেনে ক্লান্ত মগজুৰ সজীৱতা আনিব পাৰে একমাত্ৰ সংগীতে।

সংগীতৰ অন্য এটা প্ৰধান অংগ হৈছে লয়। সাধাৰণতে লয়ৰ ওপৰতে সমগ্ৰ পৃথিৱীখন চলি আছে। লয় বন্ধ হলে পৃথিৱীৰ প্ৰয়াস হব পাৰে। লয়ৰ অবিহনে সংগীত ভিত্তিহীন। সংগীতৰ লয়ে যে সকলোকে বিমোহিত কৰিব পাৰে সেইটো সকলোৰে জ্ঞাত সুন্দ্ৰ কথা। স্বয়ং ভগৱান শ্ৰীকৃষ্ণই কিদৰে বাঁহীৰ লয়ত ষোল্ল শ গোপীৰ মন প্ৰেমত বলীয়া কৰিছিল সেইটো মন কৰিব লগীয়া কথা। যদিহে কৃষ্ণৰ বাঁহীৰ সুমধুৰ লয় নাথাকিলহেতেন তেন্তে নিশ্চয় ষোল্লশ গোপীৰ মন হৰিব নোৱাৰিলেহেতেন। সংক্ষেপে বা গভীৰ চিন্তা কৰি কবলৈ গলে সংগীতৰ এই লয় বজায় ৰাখে সাধাৰণতে বাদ্যই। তেনে বাদ্য পাখোৱাজ, মৃদঙ্গ আদি বহুত আছে যদিও তাৰ ভিতৰতে তবলাই অন্যতম উৎকৃষ্ট বাদ্য।

তবলাৰ উৎপত্তি বা তাৰ আৱিষ্কাৰৰ বিষয়ে সঠিক বিবৰণ আজিলৈ উদ্ঘাটন হোৱা নাই। কেৱল কেতিয়া উক্ত বাদ্যটিয়ে উন্নত বাদ্যৰ দাবী পূৰালে তাৰ কিছুমান উমানহে ধৰিব পাৰি।

অতিজত 'নৰ' আৰু 'মাদা' বোলা দুটা ভাগৰ 'সম্বন' নামৰ তাল বাদ্যৰ আছিল। কিছুমানৰ মতে তবলা তাৰেই ৰূপান্তৰ।

ষ্টেইনী নামৰ পাশ্চাত্য পণ্ডিত এগৰাকীৰ মতে কোনো অৰণ্যবাসী মানুহ এগৰাকীৰ "নৰলা" নামৰ বাদ্যটিয়েই আমাৰ তবলা ৰূপ ললে।

ফৰাচী ভাষাত 'তব্ল' নামৰ তাল বাদ্য এটিৰ উল্লেখ আছে। আমাৰ তবলাও সেই 'তব্ল' বুলি অনেকে ভাবে। আকৌ কিছুমানৰ মতে আৰবি শব্দ "তবল" ৰ পৰা তবলাৰ জন্ম।

সি যি কি নহওক, তবলাৰ জন্মৰ বিষয়ে দৃঢ় মত এটিৰ অভাব হলেও, তবলা যে প্ৰাচীন

ভাৰতীয় অবনদ্ধ বাদ্য সেইটো তবলৰ কথাটোৰ পৰাই প্ৰতিয়মান আৰু বিজ্ঞানসম্মত।

( ১২৫৩ - ১৩২৫ ) আলাউদ্দিন খিলিজীৰ দিনত দিল্লীৰ সুধাৰ খাঁ ঢাঢ়িহে তবলা বাদ্যৰ জন্মদাতা। সুধাৰ খাঁৰ তবলা আবিষ্কাৰ কৰাৰ সন্দাত কাহিনীটো হল।

সুধাৰখাঁ আছিল সম্ৰাট আকবৰৰ দিনৰ তবলাবাদৰ। সেই সময়ত দিল্লীত তেওঁৰ সমকক্ষ ভগবান দাস নামৰ এজন পাখোৱাজ বাদক আছিল। এই দুয়ো লোকৰ মাজত এবাৰ পাখোৱাজ বাদনৰ প্ৰতিযোগিতা চলিছিল। প্ৰতিযোগিতাত সুধাৰখাঁ পৰাজিত হয়। পৰাজিত হৈ খং আৰু বেজাৰত পাখোৱাজটোক দুটুকুৰা কৰে। সিমানটো সুধাৰখাঁৰ পাখোৱাজ বজোৱাৰ হেপাহ নপলালে। দুডোখৰ হৈ থকা সেই টুকুৰা দুটাকে হাতৰ আঙুলিৰে বজাবলৈ ধৰে। এই দৰেই তবলাৰ বাদ্যৰ আবিষ্কাৰ হয়।

তবলাক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হৈছে দায়া বা দাইনা আৰু বায়া বা ডুগী। তবলাৰ যিটো ভাগ সোঁহাতেৰে বজোৱা হয় সেইটোক দায়া বা দাইনা বোলা হয়। ইয়াক সাধাৰণতে কাঠেৰে নিৰ্মান কৰা হয়। দায়া প্ৰায় এফুট ওখ। বায়া বা ডুগী বাওঁহাতেৰে বজোৱা হয় আৰু ই মাটিৰে নিৰ্মিত ( কাঁহ, পিতল আদি ধাতুৰেও নিৰ্মান কৰিব পাৰি )।

যি বাদ্যৰ মুখন চামৰাৰে আবৃত আৰু সেই চামৰাত মাৰি বা হাতেৰে আঘাত কৰি ধ্বনি উৎপন্ন কৰা হয়, তেনে বাদ্যৰ অবনদ্ধ বাদ্য বোলা হয়। তবলাক মুখখনো চামৰাৰে আবৃত আৰু তাত হাতৰ আঙুলিৰে আঘাত কৰি ধ্বনি উৎপন্ন কৰা হয়। সেইবাবে তবলাক অবনদ্ধ বাদ্য বোলা হয়।

যি দৰে অসমীয়াত অ, আ, .... ক, খ, ... আদি বৰ্ণেৰে নানান শব্দ গঢ়া হয়, ইংৰাজীৰ ২৬ টা আখৰৰ সহায়ত বিভিন্ন লিখনি লিখা হয়, ঠিক তেনেদৰে তবলাটো দহটা বৰ্ণ আছে। সেই বৰ্ণ দহোটাৰে বিভিন্ন ধৰণৰ লহৰা বজোৱা হয়। সেই বৰ্ণ কেইটা হ'ল :

সোঁহাতেৰে দায়াত বজোৱা বাণীবোৰ :

১। তে বা তি
২। ৰে বা তে
৩। তা বা না
৪। তিন বা তী
৫। তুন বা তু
৬। থুন বা দিন

বাওঁহতেৰে বায়াত বজোৱা বাণীবোৰ :

৭। ক, কা, কে, কি, বা, ক্য
৮। গ, গা, গে, ঘ, ৰা, ঘে

দুয়োহাটেৰে দায়া আৰু বায়াত একেলগে বজোৱা বাণী সমূহ :

৯। ধা
১০। ধিন।

তবলাৰ জন্মৰ পৰাই ভাৰতৰ লোকে তবলা বাদনত পৃথিবীৰ আগশ্ৰেণী পাই আহিছে ভাৰতৰে বিখ্যাত তবলা বাদক ওস্তাদ মুন্নে খাঁ, শ্ৰীজ্ঞান প্ৰকাশ ঘোষ, সংগীত সম্ৰাট ওস্তাদ হৰিবুদ্দিন খাঁ আদিয়ে ভাৰতৰ বাহিৰত চীন, আফগানিস্থান, য়ুৰোপ, ৰুচিয়া, আদি

বিভিন্ন দেশত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰি তবলা বাদ্যনৰে ভাৰতৰ মান উন্নত কৰিছে। আৰু ভাৰতৰ সংগীতৰ বহুল প্ৰচাৰ কৰিছে। বৰ্ত্তমান যুগতো তবলাক মান উন্নত বাদ্যৰ শাৰীত ধৰা হয়।

সংগীতেৰে অকল দেশ এখনৰ মান বৰ্দ্ধন কৰে বা শুনিবলৈ শুৱলা বাবেই সংগীত সাধনা কৰিব লাগে তেনে নহয়। তাৰোপৰি ইয়াৰ দ্বাৰা মানসিক ৰোগ দূৰ কৰিব পাৰি। সেইটো কথা নতুনকৈ প্ৰমাণৰ প্ৰয়োজন নাই। ইয়াৰ প্ৰমাণ প্ৰতিবিম্বিত হৈছে মহেন্দ্ৰ বৰাৰ "টোপনি নহা ৰজা" নামৰ গল্পত। ৰজাৰ মানসিক বেদনা দূৰ কৰি ছোৱালী এজনীৰ গীতে ৰজাক আমোদ দিছিল।

অন্য দিশত সংগীতৰ প্ৰতিভা ইমানেই বেচি যে বিজ্ঞানে কৰিব নোৱাৰা প্ৰকৃতিৰ পৰিবেশ সংগীতেই সলনি কৰিব পাৰে। তাৰ জ্বলন্ত উদাহৰণ ৰোমান্টিক কবি, অসমীয়া কথা কবিতাৰ জন্মদাতা যতীন্দ্ৰনাথ দুৱৰা দেবৰ "কেতকী" নামৰ কথা কবিতাটো। সেই কেতকী চৰাই জনীয়ে সুললিত, সুমধুৰ; প্ৰকৃতিৰ প্ৰাণ হৰি নিয়া সংগীতৰ লয়ত প্ৰকৃতিক বসন্ত ঋতুলৈ পৰিবৰ্ত্তন কৰিছিল। যিটো সময়ত গছ-গছালি, হাবি-বননি মৃতপ্ৰায় অৱস্থাত আছিল। সেই সময়ত কেতকীৰ কণ্ঠস্বৰে প্ৰকৃতিৰ বুকুত গছ-গছনিক নতুন পাতেৰে, ফুলেৰে অলংকৃত কৰিছিল।

বৰ্ত্তমান যুগতো সংগীতৰ জ্ঞান সকলোৰে থকা উচিত। সেই জ্ঞান সংগীত সাধনাৰে দ্বাৰা পাব পাৰি। বৰ্ত্তমান যুগত নিষ্ঠুৰ বাস্তৱ চলচিত্ৰত দেখুওৱাৰ দৰে সংগীত সিমান উজু নহয়। তিনিজন লোকে একান্ত মনে সংগীত সাধনা কৰা সাধুটোৰ পৰাই ইয়াক বুজিব পাৰি। লোক তিনিজনে অতি কম বয়সৰ পৰাই সংগীত সাধনা কৰিছিল। এদিন তিনিওজনে সংগীতৰ বিষয়ে আলোচনা কৰোঁতে প্ৰথমজনে কৈছিল। "মই প্ৰায় ৭০ বছৰ সংগীত চৰ্চা কৰি সংগীতৰ 'স' টোহে পালো।' তেতিয়া দ্বিতীয়জনে কৈছিল, 'তুমিতো 'স' টো দেখিছা, মই ৭২ বছৰ সংগীত সাধনাৰে 'স' টোৱে দেখা নাই।" অৱশেষত তৃতীয়জনে কৈছিল " মই ৭৫ বছৰে সংগীত সাধনাৰে 'স' টোৰ কথা ভবাৰ জ্ঞানটোও নহল। গতিকে আশা ৰাখিছো পিছৰ জন্মত সাধনাত তাক পাম।"

তথাপিটো একান্ত সাধনাৰে সংগীতৰ জ্ঞান লভিব পাৰি। সংগীতৰ জ্ঞান অবিহনে কোনো লোকক মানব বুলি কব নোৱাৰি। সেয়েহে শাস্ত্ৰত কৈছে সাহিত্য, সংগীত, কলা বিহীন লোক পশুৰ নিচিনা, তেনে পশুৰ কেৱল নেজ নাই।

" সাহিত্য সংগীত কলা বিহীনঃ
সাক্ষাৎ পশু পুচ্ছ বিনানহীনঃ "

* * *

# " ফুটবলৰ দেশ ব্ৰাজিল "

—বিজয় কুমাৰ দাস

ব্ৰাজিল ! ব্ৰাজিল ! এই দেশ খনৰ নাম উচ্চাৰণৰ লগে লগেই আমাৰ মনত একে লগে জাগি উঠে শ্ৰদ্ধা আৰু বিস্ময় । 'বিশ্বকাপ ফুটবল' শব্দ দুটাৰ লগত ব্ৰাজিলৰ যেন এক অন্তৰঙ্গ সম্পৰ্ক আছে । তিনি বাৰৰ চাম্পিয়ন, এবাৰৰ ৰাণাৰ্চ-আপ ব্ৰাজিল বিশ্বকাপৰ আচৰত বিফল হোৱা দেখিলে আমাৰ অৰ্থাৎ ভাৰতীয় সকলৰও মন ভৰাক্ৰান্ত হৈ পৰে ! বিশ্বফুটবল আৰু ফুটবল জনতাৰ হৃদয়ত ব্ৰাজিলৰ স্থান সদায় এক নম্বৰ !

আমাৰ ব্ৰাজিল-প্ৰীতি অৱশ্যে ব্ৰাজিলৰ তাৰকা ফুটবলাৰ সকলক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছে ! ফুটবলৰ কথা ভাবোঁতেই পেলে, গাৰিঞ্চা, ভাভা, ডিডি, ভাগালোৰৰ ছবি মনত ভাঁহি উঠে । বিশ্বকাপৰ আৰম্ভণিৰ পৰাই এই সকল তাৰকাই বিশ্বকাপৰ আচৰক মতলীয়া কৰি ৰাখিছে । ১৯৪০ চনৰ ব্ৰাজিলৰ মাইনা'চ গেৰাইচৰ ট্ৰেছ কোৰাকাছ অঞ্চলত জন্মগ্ৰহণ কৰিছিল এডচন আৰান্‌টেচ ডো নাচিমেণ্টো অৰ্থাৎ পেলে । ফুটবলৰ প্ৰথম পাঠটো পেলেই শিকিছিল ব্ৰাজিলৰ প্ৰাক্তন আন্তৰ্জাতিক খেলুৱৈ ডি ব্ৰিটোৰ পৰা । ১৯৫৮ চনৰ চুইডেন বিশ্বকাপত মাত্ৰ ১৭ বছৰীয়া পেলেই যি ফুটবল নৈপুণ্য প্ৰদৰ্শন কৰিছিল সিয়েই তেওঁক সৰ্বকালৰ শ্ৰেষ্ঠ ফুটবলাৰৰ স্বীকৃতি পোৱাৰ পথত ভালে খিনি আগুৱাই দিছিল ।

বিস্ময়কৰ প্ৰতিভাবান হোৱা বাদেও পেলেৰ অসাধাৰণ শক্তিশালী শৰীৰ, গতি আৰু টেকনিকে তেওঁক আন সকলো প্ৰতিভাবান ফুটবলাৰৰ পৰা পৃথক কৰি ৰাখিছিল । ১৯৫৮ চনৰ বিশ্বকাপত আঘাতৰ বাবে প্ৰথম দুটা ম্যাচ নে খেলিলেও ৰাচিয়াৰ বিৰুদ্ধে তৃতীয় ম্যাচ খেলিবলৈ নামোঁতেই ফুটবল বিশ্বই জানি গ'ল তেওঁ আহিছে । সেই সময়ত প্ৰচাৰ মাধ্যমেও তেওঁৰ সম্পৰ্কে সচেতন আছিল । চুইডেন বিশ্বকাপত মাত্ৰ ১৭ বছৰৰ পেলেই চেমিফাইনালত ফ্ৰান্সৰ বিৰুদ্ধে এটা হ্যাট্ৰিক আৰু ফাইনালত চুইডেনৰ বিৰুদ্ধে কৰিছিল দুটা বিস্ময়কৰ গল । ফুটবলৰ আকাশত ফুটি উঠিল এটা নতুন নক্ষত্ৰ—পেলে ।

৫ ফুট ৮ ইঞ্চি উচ্চতা আৰু প্ৰায় ১১ ষ্টোনৰ ওজনৰ পেলে বলক কি কৰিব নোৱাৰে সেইটো কোৱাই বোধহয় সহজ । বল লৈ সম্মোহিত কৰাৰ দৰে যি কোন ধৰণৰ ড্ৰিবলিং কৰাৰ সময়ত পেলেৰ গতি নকমে, সোঁ ভৰিৰ প্ৰচণ্ড ভলি, চুটিং-ৰ সম্পূৰ্ণ কৌশল, অসাধাৰণ হেডিং-ৰ যোগ্যতাই পেলেক 'পেলে' কৰি তুলিছিল । অতি ওচৰত থকা ডিফেণ্ডাৰ সকলেও পেলেৰ ড্ৰিবলিং যাদু আৰু ছন্দ আবিস্কাৰ কৰিব পৰা নাছিল । ব্ৰাজিলৰ প্ৰাক্তন ম্যানেজাৰ জোয়াও ছালধানাই পেলেৰ বিষয়ে কৈছিল, "মোক যদি কোনবাই প্ৰশ্ন কৰে ব্ৰাজিলৰ শ্ৰেষ্ঠ ফুল ব্যাক কোন ? মই কম —পেলে, পাচত যদি আকৌ প্ৰশ্ন কৰে - উইং হাফ কোন ? মই কম - পেলে, কোন শ্ৰেষ্ঠ উইংগাৰ - পেলে আৰু যদি ইয়াৰ

পাচত প্ৰশ্ন কৰে ব্ৰাজিলৰ শ্ৰেষ্ঠ গল ৰক্ষক কোন ? মই আকৌ উত্তৰ দিম - পেলে !"

ইংল্যাণ্ডৰ বিশ্বকাপ জয়ী অধিনায়ক ববি মুৰ নিজৰ যোগ্যতাৰেই এজন অসাধাৰণ ডিফেণ্ডাৰ। পেলেৰ বল লৈ যোৱা সম্পৰ্কে তেওঁৰ মন্তব্য, "কেতিয়াবা কেতিয়াবা পেলেক ট্যাকল কৰাৰ সময়ত এনে ধাৰণা হয় বলটো মই পাই গৈছো, কাৰণ বলৰ লগত ভৰিৰ কঠিন সংস্পৰ্শ অনুভব কৰাৰ পাচত চাৰিওফালে ঘূৰি চালে দেখিবলৈ পোৱা যাব পেলে কমেও দহ গজ আঁতৰাই গৈছে আৰু তেওঁৰ লগত বলটোও আছে" ! আচলতে পেলে ডিফেণ্ডাৰৰ ওচৰত যোৱাৰ লগে লগেই ডিফেণ্ডাৰৰ যাৱতীয় আত্মক্ষাৰ কৌশল জানি যায়।

সম্ৰাট পেলেৰ কথা বাদ দিয়ক, আমি কেনেকৈ পাহৰিম ডিডিভা, চাক্টোচ, ডিডি, গ্যাৰিঞ্চা, ভিকো, জোযাৰ জিনহো, অ্যালবাৰ্জে টোস্টোপ, ৰিভোলিনো, জিকো, ব্যাতিস্তা আৰু চক্ৰেটিচ সকলক ? যোৱা কেবা দহক ধৰি ব্ৰাজিলে ফুটবল জগতক উপহাৰ দি আহিছে এজনৰ পিছত আন এজনকৈ ফুটবলাৰ, যি সকল বিশ্ববন্দিত

চিৰকাল ব্ৰাজিল ফৰোৱাৰ্ড সকলৰ ওপৰতেই প্ৰধানকৈ নিৰ্ভৰ কৰে, বিশ্বাস কৰে আক্ৰমনেই ৰক্ষণৰ শ্ৰেষ্ঠ পথ। ঘৰ সুৰক্ষিত ৰাখিলে নহয়, সাফল্য আহে আঘাত কৰাৰ মানসিকতাত। গল খোৱাত ক্ষতি নাই, কিন্তু তাতকৈ বেচি গল কৰা — এই টোৱে ব্ৰাজিলীয় দৃষ্টিভঙ্গি। প্ৰথমে ব্ৰাজিলক কোৱা হৈছিল ল্যাণ্ড অফ হাৰ্ট। আজি ব্ৰাজিল কোৱা হয় ফুটবলৰ ল্যাণ্ড অফ আৰ্ট। ব্ৰাজিলীয় ফুটবলত পি' চি. চৰকাৰৰ ইন্দ্ৰজালৰ দৰে ক'ত যেন এটা মাষ্টাৰ - টাচ লুকাই আছে - যাক অতি কম সহায়তেই ধৰিব পৰা যায়। যিমান বাৰেই চাওঁ, নতুন যেন লাগে। আনকি অতীতৰ ব্ৰাজিলীয় নক্ষত্ৰ সকলেও সকলো সময়তে ধৰিব নোৱাৰে, তেওঁলোকৰ সম্পদৰ ভাণ্ডাৰটো কিমান গভীৰ। সেইবাবেই ব্ৰাজিলক প্ৰত্যেকবাৰ প্ৰমাণ কৰিব লগায়া হয় তেওঁলোকৰ শ্ৰেষ্ঠত্ব ! ১৯৮৬ চনৰ মেক্সিকো বিশ্বকাপৰ আৰম্ভনিতে আমি যি ব্ৰাজিলক দেখিছিলো, তাকে গোটেই ফুটবল বিশ্বই ভয় কৰে, সম্ভ্ৰমে শ্ৰদ্ধাত মস্তক নত কৰে। ছিয়াশীৰ বিশ্বকাপত ব্ৰাজিল হাজিৰ হৈছিল অগনিত মানুহৰ শুভেচ্ছা আৰু সমৰ্থন লৈ। কিন্তু প্ৰথম ৰাউণ্ড আৰু দ্বিতীয় ৰাউণ্ডত সুন্দৰ খেল প্ৰদৰ্শন কৰিও প্ৰিয় ব্ৰাজিল সফল নহ'ল।

জীৱনত এনে দূৰ্ভাগ্য কেতিয়াবা কেতিয়াবা আহে। কোৱাৰ্টাৰ ফাইনালত ব্ৰাজিলৰ বিদায়ৰ লগে আমাৰ গোটেই মনটো যেন বেদনাত ভৰাক্ৰান্ত হৈ উঠে। সেইদিনা অসংখ্য ব্ৰাজিল প্ৰেমী সমৰ্থকে কান্দোনত ভাঙি পৰিছিল। বহুতে খং আৰু উত্তেজনাত আত্মজ্ঞান হীন হৈ পৰিছিল। কোনোবাই প্ৰশ্ন কৰিব নে, ব্ৰাজিল আমাৰ দেশ নহয় তথাপি আমি কিয় ব্ৰাজিলৰ ব্যৰ্থতাৰ বাবে ৰাধিকাৰ দৰে বিৰহ বেদনাত ভুগিছো ? এই প্ৰশ্নৰ এটাই সদুত্তৰ আছে। সেইটো হ'ল, সামান্য ফুটবলক ৰূপ - ঐশ্বৰ্য্যৰ অসামান্য আভৰণত সজাই ক্ৰীড়া-কৃতিক শিল্প কৰ্মৰ সুষমাত ৰূপান্তৰিত কৰিছিল-ব্ৰাজিলে। তাকে দেখি আৰু শুনি আমি ব্ৰাজিলৰ ওচৰত কৃতজ্ঞ আৰু ঋণী।

বিশ্বকাপৰ আচৰ যেতিয়াই বহে তেতিয়াই আমাৰ কুতজ্ঞ মনটোৱে আগতেই চাম্পিয়নৰ ট্ৰফিটো ব্ৰাজিলৰ মুৰতেই তুলি ধৰিব বিচাৰে। দীৰ্ঘ ষোল বছৰ আমি যি প্ৰত্যাশা কৰিছো, সি আৰু পুৰণ নহ'ল। ইচ্ছাপূৰণৰ তাগিদ থকা সত্বেও, ব্ৰাজিলে বিশ্ব জয় কৰিব পাৰিছে ক'ত ? তথাপিও ব্ৰাজিল সম্পৰ্কে আমাৰ প্ৰত্যাশা আজিও ম্লান হোৱা নাই।

প্ৰতিখন বিশ্বকাপৰ আচৰত' ব্ৰাজিল হাজিৰ হৈছে। কেতিয়াবা ব্ৰাজিলে জিকি লৈ যায় ট্ৰফি, কেতিয়াবা দৰ্শকৰ হৃদয়।

* * *

## — কল্লোল —

স্বমষ্ট মাক্ৰাৰী
স্নাতক ২য় বাৰ্ষিক

মণিমালাই এইমাত্ৰ দিয়াহি চিঠিখন মই একপ্ৰকাৰ সোঁৱাৰ দৰে লৈ ব্যাগ্ৰভাৱে প্ৰেৰকৰ নামটো চালো। মোৰ অনুমানেই ঠিক, এইয়া জনীৰ চিঠি। মোৰ অজানিতে আবেগত দুটি শুকান ওঁঠৰ ফাঁকেদি এটি মিচিকি হাঁহি সৰকি গ'ল। খামৰ পৰা চিঠিখন উলিয়াই পঢ়ি গলো। কল্লোকৰ বাবে পাহৰি গলো মণিমালা উপস্থিতিৰ কথা, পাহৰি গলে তাইক ভদ্ৰতাৰ খাতিৰত চকীখন আগুৱাই দিবলৈকো। চিঠিখন শেষ কৰি মুখলৈকে তাইক দেখি কথাটো মনত পৰি মনটো বেয়া লাগি গ'ল। তাই মোৰ ব্যৱহাৰক হয়তো সহজ ভাৱেই লৈছে। কাৰণ মোৰ কোঠাৰ একমাত্ৰ চকীখন দখল কৰি তাই মোলৈ এক বোবা অবুজ চাৱনিৰে একেথৰে চাইয়ে আছে। মই ধৰি ললো উৎকন্ঠা আৰু আচৰণে মণিমালাক কৌতুহল কৰি তুলিছে। এই নীৰৱ পৰিস্থিতো আতৰোৱা মানসেৰে মই কলো তেনেকৈ কি চাইছা ? মোৰ প্ৰশ্ন শুনি তাই থতমত খাই গ'ল। হয়তো কিবা চিন্তাত আছিল। মই আকৌ কলো। এনেকৈ চাইছা নে, মোক এই প্ৰথম দেখিছা নেকি ?

আজি আঠে বছৰে তোমাক দেখিছো হয়, কিন্তু তোমাক মই সদায় এটা নতুন ৰূপতেই দেখা পাওঁ অচম্ভদা। আপুনি মোৰ বাবে আজিও এটা যেন জটিল সাৰ্থক।

মই জানো মণিমালাৰ দৰে এজনী সৰল ছোৱালীৰ বাবে মই এটা সাৰ্থৰেই। স্বভাৱতে মই খুব কথা কওঁ আৰু সময়ৰ নীৰৱতাত কেতিয়াবা ডুবি কেৰাই যাওঁ পাৰা পাৰ চিন্তাৰ বিশাল সমুদ্ৰত। সেয়েহে সময়ত মই মূক হৈ পৰো আৰু তেনে এটা পৰিস্থিতিত মই মনিমালাৰ ওচৰত কেইবাবাৰ ধৰা পৰি গৈছো। মণিমালাই সেইবাবেো ইয়াৰ বিষয়ে সুধিছে। মই জানো মনিমালাৰ স্বাৰ্থতকৈ হয়তো তাইৰ কোমল সহানুভুতিশীল হৃদয়ৰ দাবীতেই তাই মোৰ সমভাগী হব খোজে। তাইৰ অন্তৰক চিনিবলৈ মোৰ যেন বাকী নাই।

সম্পৰ্কে কথা এটা মনত পৰি যোৱাত মণিমালাক এটা চেকামাৰি চাব মন গ'ল আৰু কলো, তেন্তে সেই দিন মোক জোখিবলৈহে চিঠিখন দিছিলা নহয়। চিঠিখনৰ কথা মনত পেলাই দিয়াত নাৰীৰ সহজাত প্ৰকৃতিৰে তাইৰ মুখ মাটিৰফাললৈ ক্ৰমে হাউলি পৰিল। এতিয়াই যেন তাইৰ দুগাল ফাটি ৰঙা ৰঙা তেজবোৰ ছিটিকি পৰিব তেনে ভাব হল। আচলতে মণিমালাই আজি এসপ্তাহ মানৰ আগতে দিয়া চিঠিখনৰ মই উত্তৰ দিয়া নাছিলো। আৰু চিঠি দিয়াৰ পাছত এসপ্তাহৰ মূৰত তাই আজি প্ৰথম মোৰ কোঠাত ভৰি দিছে। নিৰুত্তৰত মণিমালাক আকৌ কলো, মই যদি মৌনতাই সম্মতিৰ লক্ষণ বুলি ধৰি লওঁ। "নহয়, অচনদা তেনেকৈ নকৰা মোৰ তোমাক জোখাৰ সমানে শক্তি নাই আৰু ভগবানো নকৰকো। মোৰ হয়তো ভুল হৈছিল পাৰিলে ক্ষমা কৰিবা"। মণিমালাই দুই সহজ চকুৰে ধাৰাসাৰে চকুলো নিগৰি আহিল। মই যি মূৰত পৰিলো, কি কৰা যায়।

মণি, মইতো তোমাক ভুল কৰিছা বুলি কোৱা নাই। মইতো তাৰ উত্তৰ দিবলৈ ভাবি থৈছো, কিন্তু মই কিদৰে কম কথাটো ঠিক জুকিয়াই লব পৰা নাই জানা। এই বাৰ তাই মোৰ মুখলৈ চালে। কি ভাবিলে নেজানো একো নকৈ বিদায় লৈ মাথোন কোঠাৰ পৰা ওলাই গ'ল। মই মাথোন চাই ৰ'লো তাই সুগঠী তনীদেহক তাৰ থৈ দিয়া অপূৰ্ব্ব খোজ কেইটালৈ।

অৱশ ক্লান্তি পুষ্ট দেহটো কোঠাৰ একমাত্ৰ খটখনত এৰি দি মেলা খিৰিকিৰে বাহিৰলৈ চালো। বাহিৰত সূৰ্য্যৰ পোহৰ তেতিয়া আৰু অলপ পিচতে বৰষুণ আহিব। মনত পৰিল বিজুলী ঢেকেৰনী লৈ জয়ত মৰা নিকজনীলৈ। তাই জানো সঁচাকৈ সুখী হৈছেনী। মোৰ বাবেই কত কষ্ট মুখ পাতি লৈও মোৰ খেয়াল ৰাখিবলৈ পাহৰা নাই। কথাবোৰ ভাবি অশ্ৰু বেছি নিগৰি অহা তপত চকুলো দুধাৰিক বাধা দিয়াৰ শক্তি মই হেৰাই পেলালো অতীত স্মৃতিৰ ৰোমন্থনেৰে চিন্তাগ্ৰস্ত মনত ঢেউকা ভাহি গ'ল, দুৰ দিগন্তব্যাপি যত মাথোন ক্ৰন্দন নামৰ মুখৰতা বিৰাজমান। কিমান দেৰি তেনেকৈয়ে পৰি আছিলো নেজানো। মাণিমালাৰ মাতত সাৰ পাই উচপ খাই উঠিলো।

—কি হ'ল দুৱাৰ খন মেলি এই অসময়ত শুই আছাহে লেম্প চাকি একো জ্বলোৱা নাই।

—ৰবা চোন জ্বলাইচো নহয়। বিচনাত পৰি থাকোতে কেতিয়া টোপনি আহিল কবই নোৱাৰিলো।

—অ গা অসুখ কাৰণে নেকি ? কথাষাৰ কৈ তাই মোৰ কাষলৈ আহি কপালত তাইৰ সুকোমল হাতৰ পৰশ দিলে। হয়তো জ্বৰৰ উমান ললে।

- কপাল খন বৰ গৰম। আপোনী আৰু আজি ভাত ৰান্ধিবলৈ নেলাগে। মই খুড়ীক আপোনাৰ বাবেও ভাত ৰান্ধিবলৈ কম। এতিয়া উঠি হাত মুখ ধুই লোৱা ভাত হলে জনাম। উঠা কথা খিনিকৈ তাই আকৌ ওলাই গ'ল। খোজত সেই একেই ভঙ্গী যেন এই মাত্ৰ মন্দিৰৰ পৰা ওলাই যোৱা দেৱী। তাই মোৰ প্ৰতি থকা ভাল পোৱাত কেতিয়াবা সঁচাকৈ

লাজ অনুভৱ কৰো। অথচ আমাৰ এই ভাল পোৱা খুউব নাটকীয় ভাবেই গঢ়ি উঠিছে। মণিমালাৰ দৰে অসুৰ আজি পৃথিৱীত আৰু কিমান আছে জনা টান 'ৰূপৰ কালেও হেজাৰ জনীৰ মাজত প্ৰতিদ্বন্দী হোৱাৰ জোখাৰ তাইৰ ৰূপ আছে, আছে যৌৱন'। এজনী ছোৱালী ধুনীয়া হবলৈ যিমান খিনিৰ দৰকাৰ তাইৰ হয়তো সকলো খিনিয়েই আছে: কিন্তু ভগৱানো কি নিষ্ঠুৰ, তাইৰ এটা চকু বেয়া। আক্ষেপ তাইৰ সেই খিনিতেই। তাই আৰু তাইৰ চকুটোৰ বাবেই আজিও তাই মৰম উপেক্ষিতা। তাইৰ মতে বৈচিত্ৰ মাত্ৰ মই মোৰ দৰে কেহু তাইক কোনেও বুবকে। তাইক মোৰ দেখা হয় প্ৰথম এই কোঠাতেই আজি আঢ়ৈ বছৰৰ আগত। সিদিনা তাই প্ৰথম এই কোঠালৈ আহিছিল অপৰিচিত ভাবেই। তাই আহিছিল মোৰ ওচৰলৈ খুড়ীয়েকে আনিব কোৱা এডিমিচন ফৰম খন আনা হ'ল নে নাই খবৰ লবলৈ। তাইৰ আচল ঘৰ ঢেঁকুৱাখাতত। প্ৰবেশিকা পৰীক্ষা পাছ কৰি আজি দুদিনৰ আগতেই দেউতাকে মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ত পঢ়িবৰ বাবে থৈ গৈছে তায়েক কেশৱ সোনোৱালৰ ঘৰত আৰু মই চিনাকি ললো। তেখেতৰ মানে কেশৱ সোনোৱালৰে মোৰ ভাৰা ঘৰত। নাম ঠিকনা শুনি মই তাইলৈ অবাক হৈ হয়তো বহুপৰ চাইয়ে আছিলো। তাই তনয়ত ভাৱি কৈছিল।

: কি ভাবিছে ?

থং মং খাই মই কৈছিলো যদি মোৰ পৰিচয় দিও তুমিও হয়তো আচৰিত হবা। এসময়ত মোৰ চিনাকি দিয়াত তাই আনন্দত আত্মহৰা হৈ মোৰ হাতত কৰমৰ্দন কৰিছিল মোক আচৰিত কৰি। আচলতে আমি অজ্ঞাতে বহুতদিনৰ পত্ৰ বন্ধু আতথাই ইতিমধ্যে বন্ধু বান্ধৱী হৈ পৰিছো। যেমাজি কলেজৰ পৰা স্নাতক মহলা শেষ কৰা মোক হয়তো মণিমালাই সপোনতো ডিব্ৰুগড়ত পাই যাম বুলি কল্পনা কৰিব পৰা নাছিল। যিদৰে মকৰিছো মই। দু-বছৰীয়া পত্ৰ বন্ধু সেই দিনাৰ্ধ ধৰনিকাতে আমি দুয়োপ্ৰতিজ্ঞা কৈছিলো বন্ধুত্বৰ বান্ধোন শিকলি নিছিড়িবলৈ। আমাৰ ঘনিষ্টতাই আমাৰ বন্ধুত্বৰ বান্ধোন সেই দৰে কপকপীয়াও কৰিলে। ঠিক আজি এমাহ মানৰ পৰাই মই অনুমান কৰিলো মণিমালাই যেন মোক বন্ধুত্বকৈ নিবিড় সম্বন্ধৰে পাব খোজে। আৰু সেই অনুমানৰ সত্যতা প্ৰমান দিলে আজি এসপ্তা হব আগৰ মণিমালাৰ চুটি চিঠিখনে। অৱশ্যে তাত মোৰ বেয়া পাব লগা একো নাই বৰঞ্চ আছে মণিমালাদৰে এজনী সৰল মনা, সত্যবাদিনী ছোৱালীৰ আহ্বানক প্ৰত্যাখ্যান কৰিব লগীয়া হোৱাৰ দুখত, আশ্ৰয় দিব নোৱাৰাৰ দুখ। কিয় ? যি হক সজাতক আজি উত্তৰ বিহীন ভাবেই ৭টা দিন পাৰ হৈ গৈছে। আজি আবেলি তাকেই কোৱাৰ প্ৰতিশ্ৰুতিও দিলে। কিন্তু তাইক জানো কব পাৰিম। তাই হয়তো দুগাল চকুলোৰে ঢাকি পেলাব। মই জানো সহ্য কৰিব পাৰিম ? নাই কবই লাগিব। নকলে হয়তো তাই মোৰ প্ৰতি ভুল ধাৰণা লৈ থাকিব। যি ভুলৰ পৰিনতিৰে হয়তে মাতি আনিব — এটি নিভুৰি নিষ্পাপ জীৱনলৈ নিষ্ঠুৰ কাল অমানিশা। মই আৰু ভাবিব নোৱাৰিলো। কম খুউব সোনকালে কম। মই চুৰান্ত সিদ্ধান্ত লৈ এটা দীঘল উশাহ টানিলো। বিচনাৰ পৰা উঠিবলৈ মোৰ মুঠেই ইচ্ছা নগল। ক্লাচ

কৰা ইচ্ছা মোৰ সমূলি নাই, কিন্তু আইন মহাবিদ্যালয় এডমিচন লোৱাৰ পৰাই এই ভাবা ঘৰত মই নিৰানন্দ জীৱন কটাইছো। পঢ়াৰ ইচ্ছা মোৰ সমূলি নাই। ইচ্ছা মণিমালাৰ, ইচ্ছা নিকৰ। মই যেন এটা প্ৰাণহীন যন্ত্ৰ মাত্ৰ। কথাবোৰ ভাবি কিন্তু সেই ভাৱৰ যেন অন্ত কাহানিও নাই। এটা ধুনীয়া সুবাত যেনা খিৰিকিৰে মৃদু বতাহ আকৰ মাত আহি কোঠাতো বিয়পি পৰিল মনটো ভাল লাগি গ'ল। বাগৰ এটা মাৰি লৈ গাৰুৰ তলতে থোৱা চিঠি খনৰ শব্দত বৈ গলো। উলিয়াই আনিলো অথনি মণিমালাই দিয়া ভনীৰ চিঠি খন পুনৰ পঢ়াৰ ইচ্ছাৰে মেলি লেম্পৰ ফিটাডাল অলপ বঢ়াই দিলো। ভাইৰ বিয়া। খুউব আকুলতাৰে ভাইৰ বিয়ালৈ মাতিছে শেষ বাৰৰ বাবে মোক চাবলৈ। লিখিছে মোৰ আশীৰ্বাদৰ পৰা বঞ্চিতা হৈ ভাই অন্য এঘৰত জীৱন কটোৱাৰ সাহসখিনি গোটাব নোৱাৰে। সেইহে যেন মই অন্তত: ভাই বাবেও হলেও সেই শুভ ক্ষণত যেনেতেনে উপস্থিত হওঁগৈ। আৰু বৰ দুখ লগাকৈ অতীত মোৰ শুৱনাই দিছে ভাই যে কেৱল মোৰ একমাত্ৰ ভনী ..... ..... .... তেতিয়া বাহিৰত বৰষিছিল ঝৰ ঝৰ শব্দৰে।

সময়তেই মই লগ কৰিব কোৱা নিৰ্দিষ্ট ঠাইত মণিমালাই আহিল। মই তাইক ইঙ্গিতেৰে মোৰ ওচৰত বহিবলৈ কলো। তাই বহিল, চকুত এক অবুজ চাৱনি। হয়তো মই কি কম তাকে লৈ তাইৰ থোকি বাথো মন। মই লাহেকৈ কলো।

মণি তুমি মোক বিশ্বাস কৰা ? তাই অলপ সময় মোৰ মুখলৈ চাই থাকি নিৰুত্তাপ কণ্ঠে কলে—

: জীৱনত যদি কাৰোবাক নিৰ্ভয়ে বিশ্বাস কৰিব পাৰিছো সেয়া তুমি অচনদা।

আৰু সেইহে মোৰ প্ৰতি অসীম শ্ৰদ্ধা নহয়। কিন্তু তুমিতো মোক একো বুজিয়েই নেপালা। মই কি তাকে কম। মাথোন তুমি মুখত থু পেলাই আতৰি নগলেই হ'ল। মই লাহেকৈ নাটকীয়া সুৰত কথাতো কলো। মোৰ ভাল পোৱা তুমি হয়তো পাতল ভাবেই কথাষাৰ তেনেকৈ কলা। কিন্তু মোৰ জীৱনৰ এই পোণ প্ৰথমৰ ভাল পোৱা কিমান গভীৰ সেইয়া মইহে জানো অচনদা।

: হব পাৰে, এই ভাল পোৱাৰ আগ মোৰ মুখাখন খহাই দিলেহে তুমি মোৰ আচল ৰূপ দেখিবা আৰু যেতিয়া তোমাৰ ভ্ৰান্তি ভাঙিব তেতিয়া ?

: হয়তো তেতিয়াও মই তোমাকেই বিচাৰিম অচনদা।

: এৰা হয়তোহে বিচাৰিবা আৰু হয়তো এই অচনই তেতিয়া তোমাৰ গালিৰ ভাষা পৰ্যান্ত পাহৰাই দিয়া এটা ভণ্ডামিও হ'ম, নহয় জানো ? অচন তুমি মোক নিছিনাৰ গতিকেই বাৰে বাৰে মোৰ অন্তৰত আঘাট সনা কথাকৈ মোক দুখ দিছা ? ভাবিছিলো অনন্ত: পৃথিবীৰ একনে মোক বুজি পাব, কিন্তু আজি মোৰ ভুল ধাৰণা ভাঙিল। তোমাৰ এই কথাবোৰে আজি মোৰ খোলাবলৈ বাধ্য কৰালে। শুনা পূজাৰ বেদিত মূৰলৈ পুৰা গধুলী মই সদায় এটাই কামনা কৰো যেন তোমাক মোৰ পৰা আতৰাই নিনিয়ে। মই সেই পূজাঁৰ বেদিতেই শপথ খাইছো তোমাৰ

অবিহনে মই যেন চিৰদিন কুমাৰী মণিমালাই হৈ থাকো । — মণি ! মই চিঞৰি উঠিলো । এক অজ্ঞান আকালত মোৰ অন্তৰাত্মা শিয়ৰি উঠিল । মই কি কম একো ভাবি নেপালো । এওঁয়া তুমি কি কৰিলা মণি ? এৰা অচনদা আজি এমাহৰ মই সাক্ষ্যাৎ শিয় চৰনত হাত থৈ এই প্ৰতিজ্ঞা কৰিছো আজি তোমাৰ সন্দেহী মনৰ একোপাত শৰ স্বৰূপ বাক্যৰ বাবেই প্ৰকাশ কৰি দিলো । গতিকে .... ....

কিন্তু মোৰ মুখৰ মাত নোলোৱা হ'ল । হুচকুৰে টোপাটোপে চকুলো সৰিব ধৰিলে । কোনো কিন্তু নাই অচনদা । মণিয়ে স্পষ্ট আৰু দৃঢ় ভাবেই কলে ।

নহয়, মই আজি খুজিছো, মোৰ এটা মতামত লোৱাৰ জানো তোমাৰ উচিত নাছিল । আজি মই কত আৰু তুমি মোক দেৱতুল্য কৰাৰ মাজত ব্যৱধানতো তুমি দেখা নাই ।

কিয় তুমি মোক আশ্ৰয় দিব নোৱাৰা ? তোমাৰ ভাল পোৱা কি অভিনয় ?

মোক কবলৈতো তুমি একো সুবিধাই তুমি নেৰাখিলা । তুমি বহুত ডাঙৰ ভুল কৰিলা মণি । আজি মই তোমাক যি কথা কম বুলি মাতিছিলো সেইয়া বহুত অতীতহৈ গ'ল । আৰু তুমি কৈছা মোৰ ভালপোৱা অভিনয় নেকি ? এৰা সেইয়া হোৱা হলেই আজি ভাল আছিল । কিন্তু মোৰ ভাল পোৱা চন্দ্ৰ, সূৰ্য্যৰ স্থিতিৰ দৰে সঁচা, চন্দ্ৰ সূৰ্য্যৰ পোহৰৰ দৰেই পবিত্ৰ । কিন্তু মোৰ সেই ভালপোৱা আছিল বন্ধু সুলভ ভালপোৱা, তাতোকৈ বেছি ভাবৰ শক্তি মোৰ নাছিল ।

: তোমাৰ কথাবোৰ মই একো বুজা নাই ।

আজি তোমাক তাকে কবলৈ মাতিছিলো । কিন্তু এই কাহিনীৰ মৰ্যাদা আজি আৰু নেথাকিল । এই কথা আজি এমাহৰ আগতেই তোমাক কব লাগিছিল । এতিয়া তুমি ইয়াক এটা মনে সজা কাহিনী বুলিয়েই ভাবিবা কিজানি । তুমি যি কৈছা আজিলৈকে তাকেই বিশ্বাস কৰি আহিছো আৰু কৰিমো । তুমি যদি কোৱা, বেলি পশ্চিম ফালে উদয় হয় মই তাকো বিশ্বাস কৰিম অচনদা !

: তেন্তে শুনা মই তোমাক আজিলৈকে এটাই কথা কব পৰা নাছিলো, সেইয়া মোৰ বিয়াৰ কথা ।

কি তোমাৰ বিয়া ??? মণিমালাৰ চকু মুখে এক বিস্ময় ভাব ফুটি উঠিল ।

এয়া মণি মই বিয়া পাতিছো আজি তিনি বছৰৰ পূৰ্ব্বেই । যেতিয়া মই উচ্চতৰ বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা দিওঁ তাৰ মাত্ৰ এসপ্তাহৰ আগতে গাওঁৰ নিজ নামৰ একনী ছোৱালী সতে মোৰ বিয়া হৈ যায়, সেইয়া এক দীঘল কাহিনী । সকৰে পৰা একেখন গাওঁৰে একেই ধুলি মাটিত উমলি ডাঙৰ হৈ ঘটনা ক্ৰমে আমাৰ পবিত্ৰ শিশু সুলভ ভালপোৱাই এসময়ত প্ৰেমলৈ ৰূপান্তৰিত হলগৈ । আৰু ঘটনাক্ৰমে কথাযাৰ তুমি হয়তো বেলেগ লবা, কৈ দিওঁ । আমি সকৰে পৰাই দৰা কইনা সাজি উমলি বালিৰ ঘৰ সাজি নানা ধৰণৰ খেলাৰ প্ৰধান লগৰীয়া হৈ কটোৱাৰ মধুৰ সময়ৰ কথা । আমাৰ এই ভালপোৱাৰ হিংসাত জ্বলি গাওঁৰে একনে কলঙ্ক হানিবলৈ

অপ্ৰচাৰ কৰি দিলে মই নিজক চিঠি দিয়া বুলি ; মই কথা গম পাই তেতিয়া কঁপি উঠিছিলো। কাৰণ সেইবা সমাজ বিৰুদ্ধে নেয়া কাম বুলি ভাবি। সেই কথাষাৰেই এদিন সুপ্ত অবচেতন মনৰ প্ৰতিক্ৰিয়াৰ ফল স্বৰূপে জন্ম লৈছিল সচাঁকৈ। আমাৰ দুটি প্ৰাণৰ লাজকত্তাৰ আঁৰে আঁৰে বিনিময় হ'ল কল্পনা ৰঙীন সপোন বোৰ। কিন্তু আমাৰ বাধাৰ প্ৰাচীৰ হ'ল দুয়োৰে দেউতাৰ মাজৰ মনোমালিন্য। নিজৰ দেউতাক মতে আমি হেতু নীচ বংশ সেয়েহে আমাৰ সঙ্গে মিলা-মিছা নকৰে। সময়ৰ বোকোচাত উঠি এদিন কেনেকৈয়ে আমি যৌৱনত ভৰি দিলোহ। দেউতাহঁতৰ এই মনো মালিন্যই আমাৰ প্ৰেমক আৰু দৃঢ় কটকটীয়া কৰি তুলিলে। সময়ত আমি ইজনে সিজনক নেদেখিলে বা কথা নেপাতিলে থাকিব নোৱাৰা হ'লো। দেউতাহঁতে তাকেলৈ তৰ্কা তৰ্কিৰ শেষ নাই আমাৰ ওপৰত চলিল কড়া শাসন, কিন্তু আমাৰ প্ৰথিত্ৰ অন্তকৰণৰ ভাল পোৱা অলৰ অচৰ হৈ থাকিল। শেষত উপায়হীন হৈ নিজৰ দেউতাকে নিজক প্ৰবেশিকা পৰীক্ষা দিবলৈ বন্ধ কৰাই পঠিয়াই দিলে সুদূৰ গুৱাহাটীলৈ পৰিচাবিক প্ৰশিক্ষণৰ বাবে। আমাৰ ভাৱ বিনিময়ৰ পন্থা হ'ল চিঠি, দুয়োৰে দুয়োৰ খবৰ বাতৰি লৈ অসহনীয় যন্ত্ৰণাত উপশম লবলৈ ধৰিলো। আৰু সেই তেতিয়াই মই চিন্তা বোৰ পাহৰিবলৈ সহায় ললো পত্ৰ-বন্ধু, কেনেকৈয়ে তিনিটা বছৰ অতিক্ৰম কৰাৰ পাছত এদিন নিজ ঘূৰি আহিল পুনৰ গাওঁলৈ। ডিব্ৰুগড় মেডিকেল কলেজত পৰিচাৰিকাৰ চাকৰিত সোমাল। আমি পুনৰ লগ হলো। এইবাৰ যেন দুই দেউতাকৰ মনত ভয়ৰ আলোকপাত হ'ল। নিজৰ দেউতাকে নিজৰ বাবে দৰা বিচাৰিব ধৰিলে। শেষত ঠিক হ'ল নিজৰ বিয়া। নিজৰ ডক্তৰ ককায়েকৰ এজন বন্ধুয়েকৰ লগত। নিজৰ বিয়া ঠিক হ'ল। গাওঁলৈ। নিজয়ে যথা সময়ত মোৰ ভৰসা আৰু আশ্ৰয় বিছাৰি খবৰ বোৰ জনাই থাকিল। মই সমস্যাত পৰিলো নিজক হেৰুৱাৰ আশাত মোৰ পেটলৈ ভাত নেযায়, নাহে চকুত টুপনি।

মই কেনেকৈ ৰাখো, সেই চিন্তাই মোক তেতিয়া খুলি খাবিব ধৰিলে। বিয়াৰ যোগাৰ একালে ধুম ধাম আয়োজন হৈছে। ইফালে নিজ ক্ৰমাৎ মোৰ ওপৰত আস্থা হেৰাই গৈছে। তাই এটাই লক্ষ্য শেষ মুহূৰ্তৰ অপেক্ষাৰ অন্তৰতো যদি তাই এটাই লক্ষ্য শেষ আশ্ৰয় নেপায় তেন্তে আপোন ঘাটী হব। আনফালে নাতিদুৰত মোৰ পৰীক্ষা। উচ্চতৰ বিদ্যালয়ৰ শিক্ষান্ত পাৰা পাৰ চিন্তাৰ সমুদ্ৰত মই দিশহাৰা হৈ বেদনাত শুকাই ক্ষীণাই অলি ক্ৰমাগতে শেষ হব ধৰিলো মোৰ অৱস্থাই মোৰ সহ পটীকৰ্মৰ কোমল অন্তৰত আঘাট কৰিলে। সেইহে সিহঁতে সিদ্ধান্তলৈ ডক্তৰ দুজনৰ ওচৰলৈ গৈ মোৰ প্ৰাণৰ ভিক্ষা খুজিলে। আমাৰ সকলো কথা শুনি সুহৃদয় ডক্তৰজনৰ অন্তৰতো হয়তো মমতা হ'ল। তেখেতে মোৰ সহঃ বন্ধুক কথা দিলে এই বিয়া বন্ধ কৰিম বুলি। শেষত ডক্তৰে আওটি শিক্ষোৱাব দিনাত গৈ নিজ দেউতাকক আমাৰ কথা জনালে। বিয়া বন্ধ হ'ল, হয় মোৰ ওপৰত হোৱা নিজ দেউতাকৰ প্ৰতিক্ৰিয়াৰ বলি হল নিজ। নিজয়ে নীৰৱে সহ্য কৰি গ'ল দেউতাকৰ নিৰ্মম অমানৱীয় অত্যাচাৰ। কথাষাৰে মোৰ মনত আঘাট দিলে। মই ৰব নোৱাৰিলো প্ৰতিবাদ

কৰিবলৈ চহৰৰ ডাক ঘৰৰ পৰা লবি গলো গাঁওৰ নিকুঞ্জনীৰ ঘৰলৈ । নিকুৰ দেউতাকৰ স্থিৰস্থাৰে মোক শক্তি দিলে, মই প্ৰতিশ্ৰুতি দিলো বিয়াৰ । নিকুৰ দেউতাকে শেষত মানি লবলৈ বাধ্য হ'ল । কিন্তু মানি নললে বিয়াৰ বাবে বিছৰা মোৰ সমহুশিনি । মই এটা চাকৰিৰ সংস্থান হোৱালৈকে সময় বিছাৰিলো। নানা অজুহাত দেখুৱাই সিমান দিনলৈ ৰব নোৱাৰো বুলি নিকুৰ দেউতাক মিচুপ হৈ ৰ'ল। শেষত উপায়ন্তৰকৈ মই আদালতৰ বিয়াৰ কথা কলো, আৰু সেইয়ে শেষ সিদ্ধান্ত হৈ দুদিমৰ পাছত বিয়া হ'ল । কিন্তু ধুমুহা শেষ নহ'ল। মোৰ উকীল কুকাইদেউৱে এই বিয়া অবৈধ বুলি আদালতত বিচাৰৰ বাবে আবেদন কৰিলে। ফলত মই এৰাতি কাৰাগাৰত কটাব লগীয়াত হ'ল । বিচাৰ হ'ল, বিচাৰত জয় হ'ল কাৰণ আমাৰ বয়স আৰু নিকুৰ দেউতাকৰ বিবাহ পত্ৰত স্বাক্ষৰ । যাইহক নিক মোৰ হ'ল । হেৰুৱালো জন্মভুমিক । দেউতাই কথাযাৰ শুনিয়েই মোক ত্যাজ্য পুত্ৰ কৰিলে । ফলত সেই জন্মভুমিত ভৰি দিয়াৰ অধিকাৰ খনৰ পৰাও বঞ্চিত হলো । তেতিয়া ভাবিছলৈ বাধ্য হৈছিলো আমাৰ এই পবিত্ৰ ভাল পোৱা মূল্য জানো আছে ? যি ভাল পোৱাই জীৱন সৰ্বস্ব কাঢ়ি নিলে, যি ভাল পোৱাই প্ৰতি খোজত বাধা আৰু চকুলোৰ বিশাল সাগৰত। ···· ···· কথাখিনি কৈ থাকোতে কোৱ অজানিতে চকুলোৱে দুগাল উপচাই দিছিল । চকুপানী-খিনি মচি মণি মালালৈ চালো । তাই তিতা ৰুমাল এখনেৰে মুখখন ঢাকি আছে । মই লাহে কৈ মাতিলো ।

মণি মণি । কেইবাৰো মতা পাছত তাই ৰুমাল খন মুখ খনৰ পৰা লাহেকৈ আঁতৰাই হৈছিল । তাইৰ এইমাত্ৰ চকুতো এটুকুৰা জুলা এঙাৰৰ দৰে ৰঙা হৈ পৰিছিল । গাত মৃদু হেন্দোলনি । হয়তো কন্দাৰ বাবে । মই কলো ।

—এতিয়া কোৱা মণি, মই কি কৰো । মই তোমাক জানো অন্ততকৈ ভাল পাব পাৰো । যদি মোক ভুল বুলি এতিয়াও ভাবা, মোক গালি দিয়া । যিমান পাৰা দিয়া । মই নীৰৱে শুনিম । মই ইমানেই কব পাৰিছিলো । মোৰ মুখৰ মাত ক্ৰমে হেৰাই গৈছিল ।

—নহয় অচম্ভুদা । ভুল মোৰেই । মোকহে পাৰিলে আপোনি ক্ষমা কৰিব ।

—মোক ক্ষমা খুজি মোক আৰু অপমান নকৰিবা মণি । মণি আজি তোমাক কেনেকৈ বুজাম, তোমাৰ প্ৰতি মোৰ যি বন্ধু সুলভ ভালপোৱা সেই ভালপোৱাত কোনো নাম নাই । তোমাৰ এনে এটা অৱস্থাত আজি মই তোমাক কিহৰে শান্তনা দিম ভাবিব নোৱাৰো । মই মাথো এটা কথাই কব বিচাৰিছো আমাৰ বন্ধু সুলভ এই পবিত্ৰ ভালপোৱাকেই তুমি পুনৰ নতুনকৈ গঢ় দিয়া । আৰু তুমি যিহৰে আকাঙ্খা কৰিছা সম্পূৰ্ণ ভুল আকাঙ্খা । এইয়া তোমাৰ মনৰ এটা ভ্ৰান্তিমুলক চিন্তা। মোতকৈ বহু-মহান অন্তৰৰ অধিকাৰী মানুহে তোমাক আশ্ৰয় দিবলৈ যেতা ওপৰা লগাকৈ ওলাব। সেইখন চিন্তা বন্ধু হিচাপে মোৰ ওপৰত এৰি তুমি তোমাৰ প্ৰতিজ্ঞা উঠাই লোৱা মণি । —এইয়া মোৰ অনুৰোধ । অন্তত: মোৰ মুখলৈ চাই তুমি উঠাই লব লাগিব ।

—তাৰ বাবে তুমি চিন্তা নকৰিবা অচম্ভুদা।

আৰু সেই প্ৰতিজ্ঞা মোক উঠাই লহঁলৈ নকৰা আৰু। তুমি জানা হিন্দু নাৰী বিয়া এবাৰহে হয়।

—মণি তুমি মোক এতিয়াও অবিশ্বাস কৰা নাইতো? —অচন্তদা, মই একেবাৰ কথাকেই কিমান বাৰ আৰু কব লাগিব।

—নহয় মণি। চোৱা এইখন চিঠি। যি খন কালি তুমি নিজেই মোক দিছিলা, পঢ়া। আজি মোৰ সন্মুখত দুটা ডাঙৰ সমস্যা, হেজাৰটা প্ৰশ্ন হৈ মোক মেৰিয়াই ধৰিছে। একোটা কাল সৰ্প হৈ। যাৰ পৰিনতি এক মাত্ৰ ঈশ্বৰেহে জানে। এই খন মোৰ একমাত্ৰ মৰমৰ ভনী তনুৰ। যাক মই সময়ত এবাৰ দিনটোত নেদেখিলে নোৱাৰিছিলো দিনটোৰ সৰহ ভাগ সময় মোৰ লগত হাঁ। হৈ ঘুৰিছিলো', যি মোক ত্যাজ্য পুত্ৰ কৰা সময়ত আত্মহত্যা কৰিবলৈ চেষ্টা চলাইছিল আৰু আজি ইমান দিনে একমাত্ৰ তাইয়ে মোৰ এক মাত্ৰ সুখ-দুখৰ খবৰ লৈ আছে, সেইজনী তনুৰ চিঠি এই খন। চিঠিখন পঢ়ি শোকে মোক কালি খুন্দিয়াই মাৰিছিল। সেইবাবেই নিকক দি অহা প্ৰতিশ্ৰুতি ভাঙি ৰূঢ় ক্ষতি কৰিলো, অথচ নিকয়ে মোক পাহৰা বাবে নিজেই আইন মহাবিদ্যালয়ত ভৰ্ত্তি কৰি এই তাৰা ঘৰত বন্দবস্ত কৰি গৈছে। তনুৱেই তাই বিয়াৰ খবৰ জনাইছে। বিয়ালৈ যাবলৈ বাৰে বাৰে অনুৰোধ কৰিছে। তাই লিখিছে মোৰ আশীৰ্ব্বাদৰ অবিহনে তাই অন্ত এখন ঠাৰই এঘৰত সোমোৱা সাহস খিনি গোটাব নোৱাৰে। মই নগলে এই বিয়া নহব বুলি ভাবুকি দিছে। বৰ দুখ লগাকৈ শুৱাবাই তাই লিখিছে। তাইয়ে মোৰ একমাত্ৰ ভনী। তাই বিদায় পৰত সেইহে মোৰ আশীৰ্ব্বাদ কামনা কৰে। আৰু যি কোনো প্ৰকাৰে মই উপস্থিত হবগৈ লাগে। —কিন্তু মই সেইখন ঘৰৰ ত্যাজ্যপুত্ৰ। সেই সময়ত মই দেউতাক কৈ আহিছো, এদিন পুনৰ কাকতি কৰিলেও মোৰ ভৰি সেই মাটিত নমোৱাব নোৱাৰিব বুলি, এতিয়া তুমি কোৱা যদি তনুৱে মই নোজোৱাত দুখত সঁচাকৈ কিবা কৰিপেলায় তেন্তে মই জানো একে লগে দুটুকুৰা মাংস হেকৰাই জীয়াই থাকিব পাৰিম। আৰু মৰিলে নিকৰ কি অৱস্থা হব?

হিয়া দিগন্তত ডুব দিব খোজা ৰঙালী বেলিটো চাই চাই মোৰ কথা খিনি শেষ কৰিলো। মণিমালাই সন্মুখত নদীৰ ঢৌ বোৰলৈ চাই থাকি এসময়ত মোৰ মুখলৈ চাইছিল। মণি মুখত আছিল নোবোজা ভাৱৰ সুস্পষ্ট চাপ। বেলিৰ ৰঙা ৰং বোৰ আমাৰ দুয়োৰে গালে মুখে চিতিকি পৰিছিল। আমাৰ মুখত কথা নাছিল। নৈৰ পানীবোৰ মাথোন অবিৰত কল্লোল তুলি বৈ আছিল, আদিম সৰু ডাঙৰ ঢৌবোৰ বুকুতলৈ মন্থৰ গতিৰে।

* * *

# — শুভ - বিবাহ —

উৎপল শৰ্ম্মা
স্নাতক মহলা, ২য় বাৰ্ষিক,

—মা, তোমালোকে এইয়া কি কৰিব খুজিছা ? ঘৰৰ অৱস্থা পানীত হাহঁ নচৰা আৰু তোমালোকে মোৰ বিয়া পাতিব খুজিছা। ভাবি চাইছানে বিয়া হৈ যোৱাৰ পাছত তোমালোকৰ অৱস্থা কি হব পাৰে ? তোমালোকে চলিবা কেনেকৈ ? দেউতাই .... .... .... .... । মিণুৰ শঙ্কাজনিত কথাৰ মাজতে মাকে কলে ।

— মিণু, তই সেইবোৰ চিন্তা কৰিব নালাগে, দেউতাৰে ককাইৰে মিলি তোৰ বিয়া পাতিব খুজিছে তই বিয়াত বহ । আমাৰ কাৰণে চিন্তা কৰিব নালাগে । আমাৰ মান সন্মানৰ কথা আছে । —বুজিছো মা, তথাপি আমাৰ ঘৰৰ অৱস্থা এইয়া ওসাজ খালে আনসাজৰ কাৰণে চিন্তা । দুদিনমান খাই মেলি থাকিলে আকৌ লঘোন । পাঁচোটা প্ৰাণী, দাদাই অকলে চাকৰি কৰে । দেউতাই পেঞ্চন পাই কিমান ? তাৰে ঘৰখনেই কোনোমতে নচলে। তাতে বিয়া । বিয়াখনততো পোন্ধৰ বিশ হাজাৰ টকা লাগিব । এই টকা দাদাই যোগাৰ কৰিব পাৰিবনে ? কৰিলেই যেনিবা তাৰ পিছত কি হব মা ? সম্বন্ধীয়া মানুহো নাইযে বিয়াত অলপ সহায় পাম । এনেকুৱা অৱস্থাত ডাঙৰকৈ বিয়া পতা কথাটো কল্পনাই কৰিব নোৱাৰি মা, মিণুৱে ঘৰত বৰ্ত্তমান ও ভৱিষ্যতৰ কথা ভাবি অসম্ভৱ বিচলিত হৈ পৰিছে ।

—মিণু, তই বেছি কথা কব লৈছ আজি কালি । তোক মই কৈছো নহয় তই এইবোৰ চিন্তা বাদ দে । এইকেইদিনত চেহেৰা কৰিছে চোৱা, বিয়ালৈ আছে কেইদিন ? বিজুৱে আনি দিয়া টেবুল ক্লথৰ ফুল বেইটা কৰিলিনে ? সেই কেইটা কৰ সোনকালে। বাকে চিন্তা বাদ দে । নিজৰ দেহালৈ চা। ভোৰ ভোৰাই মাক কোঠাটোৰ পৰা পাকঘৰলৈ বুলি ওলাই গল ।

মাক ওলাই যোৱাৰ পাছত মিণুৱে ভাবিলে, কি যে কৰিম মই ভাবি একেবাৰে পাৰ পোৱা নাই । কি কৰিব খুজিছে দেউতা মাৰে। মান ৰচাবলৈ যায় ডাঙৰ বিয়া পাতি, তেৰো তইতি কিমান পানীৰ মাছ। মিণুৰ চিঞৰি দিবৰ মন যায়, বন্ধ কৰ বিয়া, নালাগে মোক বিয়া দিবলৈ । মই এইদৰেই বুঢ়ী হৈ যাম । কিন্তু মিণুৱে চিঞৰিব নোৱাৰে মাতটো যেন বন্ধ হৈ গৈছে ।

—বীণু, অ' বীণু, মিণুৱে মাকৰ লগৰ প্ৰস্থিৰে আলোচনা কৰিব নোৱাৰি ভনীয়েক বীণুক মাতিলে ।

— ৰ' বাইদেউ গৈছো । বীণুৱে বাহিৰৰ কোঠাৰ পৰা মাত দিলে ।

—এইফালে আহ, মিণুৱে কলে । অলপ দেৰীৰ মুৰত ভনীয়েক বীণু মিণুৰ ওচৰলৈ আহিল—

— কি হল বাইদেউ ? বীণুৱে প্ৰশ্নবোধক দৃষ্টিৰে মিণুলৈ চালে ।

— বীণু !

— কি ?

— কি কৰিব খুজিছে দেউতা মায়ে, তই কিবা

ভাবি পাইছনে ?

— মিণুৱে অধীৰ আশাৰে উত্তৰ লৈ বাদ চালে ।

—কি বাইদেউ ?

—মোৰ বিয়াৰ বিষয়ে ।

—সচাঁকৈ বাইদেউ ময়ো একো উৱাদিহ পোৱা নাই । কি কৰিব খুজিছে । বিজুদাই দৰমহা পাই কিমান ? তাৰেই আমাৰ ঘৰেই নচলে তাতে বিয়া । বিয়াততো ধাৰ লাগিব, সেইবোৰ ধাৰ কোনে পৰিশোধ কৰিব ' মোৰ মতে কামাখ্যাত বা ওচৰৰ কোনো নিবাহ ভৱনত বিয়াখন নামত পৰা হলে খৰচৰ পৰিমান কম হল হেঁতেন, পিছত লাগিলে আমাৰ চিনাকী কেইঘৰ মানক চাহ মিঠাই খুৱাই দিলেই হৈ গল হেতেন । কিন্তু দেউতাক্তে সেইটো নকৰি ডাঙৰকৈ ৰভা দি ৰাইজক মাতি বিয়া পাতিব খুজিছে । এইবোৰত খৰচ বেছি । বিয়াৰ পাছত বিজুদাৰ মন ঘূৰাব । এতিয়াই দেখা নাই চিন্তাত মুখ শুকাই চুনৰ দৈমী যেন হৈছে । বিয়াৰ পাছত চাগৈ .... .... । আমাৰ দেউতাহঁত economy হবলৈ নিশিকিলে ।

—অ বীণু তই কিকই কৈছ ? কিন্তু আমাৰ কথা জানো শুনিব । আমিতো পানী কেচুৱা !

—মা ও সেই একেই । মায়েও অলপ কোৱা হলে কিবা এটা হলহেঁতেন । মাত সেই থম থম্ মদন গোপাল । কোনোবাই কিবা আহুদি চাহুদি দিলেই নেকি কব নোৱাৰো পায় ।

—বীণু ।

—উ ?

—তই এবাৰ দেউতাহঁতে কেনেদৰে বিয়াখন পাতিব খুজিছে সুধিবিচোন । মানে এই খোৱা - বোৱা, দৰাৰ লগত অহা মানুহক কি খুৱাব, ফাৰ্নিচাৰৰ কিবা বন্দবস্ত কৰিছে নে নাই নে নিদিয়ে । ইত্যাদি জানি মোক কবিচোন । মোকতো নকবেই । মোৰ সন্দেহ তোকো এই বিষয়ে নকব । এতেকে লুকাই চুৰকৈ শুনিব লাগিব । আমিতো দেছোন পৰিয়ালৰ একো একোটা প্ৰাণী নে আমি পৃথক । বুজিছতো বীণু ?

—বুজিছো, কিন্তু আমি কি কৰিব পাৰিম ?

—একো কৰিব নোৱাৰিলেও আমিও জানিব লাগে ।

—বাৰু, বাইদেউ ।

—ক' ।

—গহনা পাতিৰ কথা দেউতাহঁতে কি কৰিছে ?

— কব নোৱাৰো পায় । দেউতাক কিহে পাইছিল মোৰ বিয়াখন এনেদৰে পাতিম বুলি মুখ ফুটাই কবলৈ । প্ৰস্তাৱ দিলে সমৰ্থনো কৰিলে । এতিয়া চা গহনা হোৱা নাই । মোৰ কাপোৰ লাগে, অন্য বস্তু লাগে । ঘৰৰো বস্তু দুই এপদ বস্তু কিনিব লাগে । এতিয়ালৈ একো হোৱাই নাই । বিয়ালৈ আছে কেইদিন । মুঠেই পোন্ধৰ দিন, আৰু এতিয়ালৈ সাজু হবই পৰা নাই । কৰিব খুজিছে । মিণু আৰু বীণু দুয়ো বায়েক ভনীয়েকে আলোচনা কৰোতে ভয় উত্তেজনাত দুয়োৰে মাতবোৰ কঠিন হৈ শব্দবোৰ ডাঙৰকৈ শুনাইছে । উত্তেজনাৰ' সীমা চেৰাই যাবলৈ নাপালে ককায়েক বিজুৰ আগমনত । বিজুক দেখি দুয়ো বৈ গল । ককায়েকৰ মুখলৈ অধীৰ আশাৰে চালে । জানোছা ককায়েকে কিবা টকা পইচাৰ সুখবৰেই

দিয়ে। বিজু সোমাইয়ে সিইতক তেনেকৈ বহি থকা দেখি আচৰিত হ'ল।

— মা-জনী, কি কৰিছ এনেকৈ ইয়াত বহি? বিজুৱে মিণুক মা-জনী বুলি মাতে—, দেউতাকে মাতে কাৰণে।

— এনেই বহি আছো, কিয়? মিনুৱে সুধিলে।

— নহয় আজি তহঁতক অলপ বেলেগ মুডত দেখিছো, কচোন কি হল? বিজুৱে আগ্ৰহেৰে সুধিল।

— বিজুৰ প্ৰশ্নত দুয়ো দুয়োলৈ চালে, কোনে কব। শেষত মিণুৱে মাত দিলে।

— দাদা, বিয়াৰ কথালৈ।

— কি হল? বিজু আচৰিত হল।

— নাই, এনেই একো হোৱা নাই। তথাপি চিন্তা লাগি আছে, সেয়ে আমি দুয়ো কথা পাতি আছিলো।

— মা জনী, তই সেইবোৰ চিন্তা কৰিব নালাগে মই ……………। বিজুৰ কথাই নে'ৱাৰিলে মিণুৱে মাজতে কলে।

— সেয়া তুমিও কৈছা চিন্তা কৰিব নালাগে, মাকেও কৈছে চিন্তা কৰিব নালাগে, কিন্তু কিয় দাদা? এইটো চিন্তা কৰাৰ বিষয়। বিয়ালৈ আছে কেইদিন। তথাপি আজিলৈ একোৱেই যোগাৰ হোৱা নাই। মোকো কিছুমান বস্তু লাগে সেইবোৰ যোগাৰ হোৱা নাই। মোৰো চিন্তা কৰাৰ শক্তি আছে, বীনুৰতো আছে তোমাৰো আছে। থকা অৱস্থাত আমাৰ লগত বিয়াৰ বিষয়লৈ আলোচনা নকৰি দেউতাই বিয়াৰ প্ৰস্তাবটো সাদৰেৰে সমৰ্থন কৰিলে কিয়? যদি হঠাৎ কিবা এটা হয়। মই নতুন ঘৰলৈ বোৱাৰী হৈ গৈ মই কি সুখত থাকিব পাৰিম? দ'দা তুমিয়ে ভাবাছোন, আজি ঘৰৰ অৱস্থা এইয়া আৰু বিয়াৰ পাছত মই যামগৈ কিন্তু তোমালোকৰ অৱস্থা কি হব? ধাৰতকো পোত যাবাই তাতে………………। মিনুৱে আৰু কব নোৱাৰিলে দুখে বেজাৰে, চিন্তাই মিনুৱে কান্দি দিলে।

— মা জনী তই কান্দিছ কেলেই? নাকান্দিবি মা-জনী? মই আছো নহয়। বিয়া হৈ যাব। তই চিন্তা নকৰিবি। তোক কি কি লাগে এখন কাগজত লিখি মোক দিবি মই আনি দিম। যা নাকান্দিবি। এতিয়া যদি তই চাঁতি খেয়ালি কৰি নাথাক, তেনেহলে দেউতা-মা বা মই কামত কি উৎসাহ পাম। তই আমাৰ ঘৰ মৰমৰ। তোক মই বহুত ডাঙৰকৈ ধুনীয়াকৈ বিয়া দিম বুলি ভাবিছিলো কিন্তু নহল। সকলো ভগৱানৰ ইচ্ছা। তোক নে'ৱাৰিলেও নাই আমাৰ দ্বিতীয় বীনুমণি ভনি আছে তাইক ধুনীয়াকৈ দিম। কি কোৱা মিনুমণি। বিজুৱে কথাটো পাতল কৰিবলৈ বীনুক জোকাই চাতি কোঠাহটোৰ পৰা ওলাই গল। মিনুৱে দুখত কান্দিয়েই থাকিল। বীনুৱে এবাৰ নাকান্দিবলৈ হাক দিয়ে আনবাৰ বস্তু লিখে কি কি লাগিব।

বিজু ঘৰৰ ডাঙৰ লৰা হিচাপে তাৰ মুৰত বিয়াখনৰ গোটেই বোজাটো পৰিছে। কি কৰিব উপায় নাই। বিয়ালৈ মাত্ৰ তিনিদিন আছে। খোৱাৰ কোনো যোগাৰ কৰিব পৰা নাই। বিজুৰ নিজৰ বন্ধু কেইজন মানে লগ লাগি ৰভাখন সাজিছে। ইফালে দেউতাক মাকে চিন্তা কৰি পাৰ নোপোৱা হৈছে। তিনিদিন আছে। বিয়ালৈ ইফালে আমি

সাজু হবই পৰা নাই। বিজুৱে পূজাৰ বস্তু দুই এপদকৈ যোগাৰ কৰিলে, যদিও দৰাক পিন্ধাবলৈ আঙঠীৰ যোগাৰটো কৰিব পৰা নাই। আঙঠীৰ কথা দেউতাকক বিজুৱে কলে, দেউতা, মই আঙঠীটো যোগাৰ কৰিব নোৱাৰিম, কাৰণ মোৰ যিটো হিচাপ আছিল, সেই হিচাপ মতে মই বিয়াৰ যা যোগাৰ কৰিব পৰা নাই, টকা পোৱাৰ কথা আছিল কিন্তু নাপালো। গতিকে আপুনি অলপ চেষ্টা কৰিলে ভাল হয়। দেউতাকে মুখেৰে একো নামাতিলে। মাতিব কি ? নভনা নিচিন্তাকৈ বিয়াৰ প্ৰস্তাৱ সমৰ্থন কৰি এতিয়া অনুতাপ কৰিছে। মিনুৰ গহনা হিচাপে দেউতাকে কাম কৰি থকা অৱস্থাতে যি চেইন, খাৰু আৰু কাণৰ কৰি থৈছিল সেইয়াই। ভগবানক বহুত ধন্যবাদ এই কেইপদ যে যোগাৰ কৰি থৈছিল।

জোৰণ হৈ গল। এতিয়া আছে আচল বিয়াখন। যি খনৰ কাৰণে ইমান দিনে চিন্তাৰ জুইকুৰা জ্বলি আছে। বিজুক দেউতাকে ভিতৰৰ কোঠাৰপৰা মাতিলে।

—গৈছো দেউতা, বিজুৱে লগৰ কেইজনমানৰ লগত মৰলটো ঠিক কৰি আছিল। তাৰপৰাই মাত দিলে। বিজুৱে মৰলত আছে যদিও বহুত চিন্তাত আছে। কি কৰিব কালি বিয়া, এতিয়ালৈ খোৱাৰ যোগাৰ কৰিব পৰা নাই। লগৰ কেইজনক কাম কৰাৰ বিনিময়ত ভালকৈ চাহ একাপ খুৱাব পৰা নাই।

—কি দেউতা ?

—বিজু, মই আৰু নোৱাৰিম এই বিয়াত থাকিবলৈ।

—কিয় দেউতা, এইবোৰ কি কৈছে। বিজুৱে আচৰিত হল।

—অ' বিজু, মই ঠিকেই কৈছো। মোৰ ভুলৰ কাৰণে আজি এইয়া, কালিলৈ বিয়া আৰু আজিলৈ ঘৰত খোৱাৰ কোনো যোগাৰ হোৱা নাই। তইও অকলে কিমান কৰিবি। অকা কালি দৰাৰ লগত ৭৫ জন মান মানুহ আহিব। আমাৰ Reception যিয়েই হওক কিন্তু বৰযাত্ৰীৰ Reception টো ভাল কৰিব লাগিব। কিমান চিন্তা কৰিবি, বান্ধৱী কেইটা পুৰাই আহিব। খুব সম্ভৱ ৯ টা মান বজাত পাবহি। তাহাতকতো যোগাৰতো দিব লাগিব। তাহাতৰ আগতেছোন প্ৰথম লাজটো পাম। মই মোৰ নাকটো কত থম, অ বোপাই, কিতে পাইছিল, মোক সমৰ্থন কৰিবলৈ। মোৰ মা জনীক সুখেৰে ঘৰৰ পৰা বিদায় দিব নোৱাৰিলো। মাজনী... ... ... ...। দেউতাকে আৰু কব নোৱাৰিলে শোকে দুখে চকুৰ পানী ওলাই আহিল।

—দেউতা আপুনি ধৈৰ্য্য ধৰকচোন। হৈ যাব। সকলো হৈ যাব। আপুনি যদি ধৈৰ্য্য হেৰুৱাই তেন্তে মোক শান্তনা দিওঁতা কোন ওলাব ! মই কি কৰিম। বিজুৱে কলে।

অ'বকৰা, ঘৰত আছেনে ? বভাখন হৈ গল দেই।

—কোন, বেনাৰ্জী নেকি ? বকৰাই মাতিলে।

—হয় বকৰা।

আহক, আহক। বকৰাই অৰ্থাৎ বিজুৰ দেউতাকে বিজুৰ লগত আলোচনা কৰি থকাৰপৰা উঠি আহি বেনাৰ্জীক ভিতৰলৈ লৈ গল।

—বিয়াৰ খবৰ লবলৈ আহিলো। ঠিকবেই জোৰণ হোৱা বুলি শুনিলো। বেছ ভাল লাগিল। এইক সকৰ পৰা দেখা, এতিয়া

তাই ওলাই যাব। হাঃ হাঃ কৈ বেনাৰ্জীয়ে নিজৰ কথাত নিজেই হাঁহিলে। বৰুৱাই হাঁহি এটা মাৰিলে নিও সামান্য।

—বৰুৱা, মা-জনী কত? তাইক এবাৰ চাই লওঁনে, কি কয়?

—নিশ্চয়। মা-জনী অ' মা-জনী। বৰুৱাই ভিতৰলৈ চাই জীয়েকক মাতিলে। অলপ পাছত জীয়েক মিনু ওলাই আহিল।

—অ' মা-জনী। বেনাৰ্জীয়ে মাতিলে।

—কওঁক দাদা।

—তুমি তেন্তে যাবাগৈ।

মা-জনীয়ে লাজত তলমূৰকৈ হাঁহিলে। শোকৰ হাঁহি।

—মা-জনী বহা। মা-জনী তোমাক মই মোৰ জীৰ দৰে জ্ঞান কৰিছিলো। মোৰতো কোনো ছোৱালী নাই। কালি তোমাৰ জোৱাইৰ হৈ যোৱা বুলি শুনি ইমান দুখ লাগিল যে মোৰ চকুৱে কান্দি পেলালে। মোক পুৰণা স্মৃতিয়ে বাৰে বাৰে দিগদাৰ কৰি ধৰিলে। তুমি যে মোক সকতে দেউতা বুলি মাতিছিলা সেয়ে মোক এতিয়া ধলিয়া কৰি পেলাইছে। আজি মই দুখত ৰব নোৱাৰি তোমাৰ ওচৰলৈ আহিলো। কালি মই আহিব নোৱাৰিম তুমি ওলাই যোৱা খবৰ পৰা, লগতে মোৰো অন্তৰ জই পৰি যাব। সেয়ে ভাবিলো আজি দেখাতো দি আঁহো। এই বুলি বেনাৰ্জীয়ে সোঁহাতখন আগবঢ়াই দিলে। মা-জনীয়েও তাইৰ হাতখন আগবঢ়াই দিলে। বেনাৰ্জীয়ে তাইৰ হাতখন ধৰি মৰমেৰে হাতখনত এটি চুমা গুজি দিলে, তাৰ পাছত ৰব নোৱাৰি বেনাৰ্জীয়ে হুকহুকাই কান্দি দিলে। কান্দি কান্দি বেনাৰ্জীয়ে অলপ পাছত তেওঁৰ পকেটৰ পৰা সোনৰ আঙঠি এটা মা-জনীৰ ফালে আগবঢ়াই দিলে।

—মা-জনী এইয়া তোমাৰ বাবে আনিছো, মিনুৱে বেনাৰ্জীৰ কথাবোৰ শুনি ৰব পৰা নাছিল। তাই আঙঠিটো লৈ হুকহুকাই কান্দি উঠিল আৰু বেনাৰ্জীৰ ভৰি চুই এটি প্ৰণাম আগবঢ়ালে।

—হব মা-জনী তোমাৰ যুগ্ম জীৱন অতি সুখৰ অতি মধুৰ হওক। এইয়ে মোৰ তোমালৈ তিয়া ভৰা আশীৰ্ব্বাদ। এই বুলি বেনাৰ্জীয়ে মিনুক বাহুত ধৰি উঠাই মৰমেৰে সাবটি ধৰিলে।—মা-জনী শেষত এবাৰ মোক দেউতা বুলি নকবানে? মিনুৱে বেনাৰ্জীৰ কান্ধত মূৰটো থৈ কান্দি কান্দি "দেউতা" বুলি উচ্চাৰণ কৰি শোকত ৰব নোৱাৰি ভিতৰলৈ সোমাই গৈ হুকহুকাই কান্দিবলৈ ধৰিলে।

ইয়াৰ বহুত সময়ৰ মূৰত পৰিস্থিতি শান্ত হোৱাত চা জাহ খোৱাৰ পাছত বেনাৰ্জীয়ে বৰুৱাক সুধিলে—বৰুৱা আজি আপোনাক বৰ গহীন ভাৱত দেখিছো, কিবা হল নেকি? বৰুৱাই বেনাৰ্জীক টকাৰ কথা কম বুলি ভাবি থৈছিল। বেনাৰ্জীয়ে এনেকৈ সোধাত বৰুৱাৰ মুখলৈ অলপমান পানী আহিল।

—বেনাৰ্জী বৰুৱাই লাহেকৈ কলে।

—কওক বৰুৱা। বেনাৰ্জীয়ে আগ্ৰহেৰে কলে।

—বেনাৰ্জী মই আজি বহুত বিপদত পৰিছো। মোক এই বিপদৰ পৰা উদ্ধাৰ কৰিবনে? কৰে যদি মই আপোনাৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰম।

—কি হল কওঁকছোন? বেনাৰ্জী আচৰিত হল।

– বেনাৰ্জী কালিৰ বিয়াখন মোৰ কাৰণেই এইদৰে পতা হল মই ভাবিছিলো, মই অলপ টকা যোগাৰ কৰিব পাৰিম। বিজুৱে অলপ কৰিব। দুয়োৰে টকা মিলাই বিয়াখন পাতিম। দুই এজনেও সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দি এতিয়া নিখোজ। বিয়াৰ খৰৰকেই কৰিব অহা নাই। বৰ্ত্তমান হল কি বিজুৱে যিমান টকা পাম বুলি আশা কৰিছিল সিমান নাপালে আৰু মোৰো নহল। এতিয়া আমাৰ এনেকুৱা অৱস্থা হৈছে যে অহা কালিৰ বিয়াৰ কাৰণে আমি খোৱাৰ যোগাৰে কৰিব পৰা নাই। বেনাৰ্জী Please, মোৰ মানটো ৰখাওঁক।

—বকৰা আপুনি এয়া কি কৈছে? কালি বিয়া আৰু আজিলৈ ………… কল্পনাই কৰিব নোৱাৰি। বেনাৰ্জী অতি আচৰিত হল।

—হয় বেনাৰ্জী ঠিকেই। আপুনি যদি দয়াকৰি টকা ৭০০ মানৰ মাননী এটা আগবঢ়াই তেন্তে বহুত উশাহ পাম। মা জনীৰ শপত বেনাৰ্জী। মোক ৰক্ষা কৰক। বকৰাই আৰু কব নোৱাৰিলে। দুখত চকুৰে চকুলো বৈ আহিল।

বেনাৰ্জীয়ে একো নামাতিলে। তেওঁ উঠি গৈ বকৰানীক দেখাতো দি আৰু মিণুক মাত লগাই ওলাই গল। যোৱাৰ আগতে বকৰাক কৈ গল বকৰা বিজুক এবাৰ মোৰ তালৈ পঠাই দিবচোন। বকৰাই বাৰু বুলি কৈ বেনাৰ্জীক আগবঢ়াই থৈ আহিল।

নিশা ৮ মান বজাত বিজু দেউতাৰৰ কথাত বেনাৰ্জীৰ ওচৰলৈ গল। বেনাৰ্জীক বিজুৱে সকলো কথা কলে। বেনাৰ্জীয়ে বেছি কথা সুসুধিলে। বিজুৰ মাত থোকা থোকি হৈ আহিছিল। অলপ পাছত বেনাৰ্জী ভিতৰলৈ গৈ হাতত ৮০০ টকা লৈ আহিল।

—বিজু, বেনাৰ্জীয়ে কোমল সুৰত বিজুক মাতিলে।

—কওঁক দাদা। বিজুৱেও আগ্ৰহেৰে বেনাৰ্জীলৈ চালে।

—এয়া লোৱা ৮০০ টকা, বকৰাই মোক ৭০০ টকা খুজিলে ধাৰলৈ, মই সেয়া দিলো ১০০ টকা মোৰ ভাগৰ পৰা দিছো মা-জনীৰ কাৰণে, তাই যাতে ঘৰৰ পৰা ওলাই যাওঁতে মনত আঘাত নাপায়। বিজুৱে দুয়োখন হাত মেলি বেনাৰ্জীৰ পৰা টকাখিনি ললে আৰু বেনাৰ্জীক বিদায় জনাই ঘৰলৈ খোজ দিলে।

বিজু ঘৰলৈ গৈ দেউতাক মাতি দিলে। এটা কোঠাত দেউতাক বহি আছিল। দেউতা বিজুৱে মাত দিলে।

—কোন? অ বিজু কি হল বেনাৰ্জীক পালি? দেউতাকে আগ্ৰহেৰে সুধিলে।

—অ দেউতা। বেনাৰ্জীদাই ৮০০ টকা দিছে। আপুনিটো ৭০০ টকা খুজিছিল, সেইটো দিছে আৰু ১০০ টকা মা-জনীলৈ বুলি দিছে, বিজুৱে টকাখিনি দেউতাকৰ ফালে আগবঢ়াই দিলে। দেউতাকে টকাখিনিৰ পৰা ১০০ টকা লৈ বাকীখিনি বিজুক থবলৈ দি কলে।

—বিজু কালি, কাৰিকৰ কেইজন ৯টামান বজাত পাবহি। তই তাৰ আগতে বজাৰ খিনি কৰিআনিব লাগিব যাতে কাৰিকৰ কেইটাক বস্তুখিনি চমজাই দিব পাৰো, বাকীখিনি

পিছৰ কথা।

বিজুদাৰ বিয়াখনো পাতিব লাগে। অ' একেলগে বিজুদাৰ বিয়াখনো পাতিব লাগে। বীনুৰ লগৰ ছোৱালীবোৰে বিয়া ঘৰত থুপ খাই বিজুক জোকাইছে। ৰ, ৰ তহঁতৰ উৎপাতখন বাঢ়িছে। ঘৰত কৰ লাগিব। — অ' কৈ দিব আমাক একো নকয়। আমিনো কি বেয়া কথাটো কলো। কথা চহকী বীনুৰ লগৰ ৰঞ্জুৱে বিজুক কলে। বাক হব বাৰো এতিয়া তহঁতৰ বিয়াৰ কাৰণে চিন্তা কৰ, বুলি বিজু নৰল।

বিয়াঘৰত মানুহ বহুত হৈছে। সকলোৱে কাম কৰিছে। কিছুৱে কথা পতাত মচগুল। কিছু বহি বহি মানুহ চাইছে। মাইকী মানুহ কেইগৰাকীমানে লগ লাগি মৰলৰ আগন্ত বহি থকা মিনুৰ ওচৰত লেপেট কাঢ়ি বহি বিয়া নাম গাইছে। সৰু সৰু লৰা ছোৱালীবোৰে লুকাচুৰি খেলিছে। বুঢ়া মানুহঁখিনি বিজুহঁতৰ এই ৰোমত বহি বুঢ়া মেল পাতিছে। কাৰিকৰবোৰ বৰ্দ্ধা বঢ়া'ত ব্যস্ত। বীনুৱে মাজে মাজে বায়েকক চাই যায়হি। মনত দুখ সকৰে পৰা একেলগে থকা এবেলগে সুখ দুখৰ কথা পৰা বায়েক আজি আৰু কেইঘন্টা মান পাছতে বেলেগ এখন ঘৰলৈ গুচি যাব। এইদৰে সময়বোৰ নানা কথা বতৰা হাঁহি ধেমালীৰে পাৰ হৈ গৈছে। বিয়াৰ সম্প্ৰদান নিশা ১২ বজাত। গতীকে নিশা ১১ টা মান বজাত দৰা পাটি আহিব।

"দৰা আহিল", "দৰা আহিল" অ মিনু বাইদেউ তোমাৰ দৰা আহিল। আহা, আহা আমি যাওঁ বুলি ওচৰৰ সৰু সৰু লৰা ছোৱালীবোৰে চিঞৰ বাখৰ লগাই পদুলী মুখলৈ গল। ভিতৰত মাইকী মানুহবোৰে উৰুলি দিলে। বাহিৰত মানুহবোৰ গেটখনৰ ওচৰলৈ উঠি গৈছে।

কিছু সময়ৰ পাছত মিনুৰ মাকে পদুলী মুখৰ পৰা দৰাক আদৰি নিলে। দৰাৰ দেউতাকও আহিছে। মুঠতে দৰা ঘৰৰ মুঠ ৫৫ জন মান মানুহ আহিছে। সকলো কাম সুচীমতে সমাধা হৈ গৈছে। দৰা কইন্যা সকলো মানুহে নিশাৰ ভোজন কৰিলে। সকলোৱে প্ৰসংসা কৰিছে তৃপ্তিদায়ক ভোজনক।

সম্প্ৰদান নিশা ১২ বজাত সমাপন হল। মুল বিয়া নিশা শেষ হবৰ সময়হে শেষ হল। এতিয়া খালি কন্যাৰ যাবৰ সময়। দৰাৰ দেউতাকে ধৰণী চৌধৰীয়ে এটা সময়ত বীণুক মাতি দেউতাকক তেখেতে মতা বুলি কবলৈ কলে।

— কওঁক চৌধৰী, বৰুৱাই চৌধৰীৰ ফালে চাই কলে।

—বৰুৱা, বিয়াটো হলেই, পিছে ছোৱালীৰ লগত পঠোৱা যৌতুকৰ কি কি দিছে জানিব পাৰোনে? ধৰণী চৌধৰীয়ে কোনো কথাৰ পাতনি নেমেলি পোনেই বৰুৱাক যৌতুকৰ কথা সুধিলে। যৌতুকৰ কথা শুনি বৰুৱা আচৰিত হল। কাৰণ বিয়াৰ কথা ওলাওতে যৌতুকৰ বিষয়ে কোনো কথাই ওলোৱা নাছিল। এতিয়া হঠাৎ চৌধু-ৰীয়ে শেষ মুহূৰ্তত যৌতুকৰ বিষয়ে সোধাত বৰুৱা বৰ আচৰিত হ'ল। লগে লগে মনত

বহুত ভয় পালে। তথাপি চৌধুৰীক সুধিলে।

—যৌতুক মানে ?

—মানে বুজা নাই, ছোৱালীৰ লগত পঠোৱা যৌতুক কথা সুধিছো।

—বুজিছে সেইটো কিন্তু মইটো বনোৱা নাই সেইবোৰ কাৰণ .... ....। বকুৱাই কবই নোৱাৰিলে। কথাৰ মাজতে চৌধুৰীয়ে বকুৱাক অলপ খঙৰ সুৰত কলে।

—কাৰণ আপুনি নাজানে নেকি যৌতুকৰ কথাটো আকৌ মই বেলেগে কব লাগিব নেকি আপোনাক ?

—ৰব ৰব, আপুনি ইমান খং খাইছে কেলেই ? মইটো একো কোৱাই নাই। আপুনি মিছা মিছি .... ....। বাক বাদ দিয়ক। কথাটো, যৌতুকৰ বিষয়ে মোক এদিন আপুনিয়ে কৈছিলে যৌতুকৰ কোনো প্ৰয়োজন নাই। আপুনি ছোৱালী জনী দিয়ক বুলি কৈ আকৌ আজি শেষ মুহূৰ্ত্তত আপুনি এইবোৰ কি কৈছে। মই ভাবি পোৱা নাই চৌধুৰী। বকুৱাই কলে। —অ' বকুৱা, মই ঠিকেই কৈছো, মই কৈছিলো এদিন কথাটো, সেইটো স্বীকাৰ কৰিছো কিন্তু আজি মোক যৌতুকৰ প্ৰয়োজন হৈছে। মোক যৌতুক লাগে। নহলে মই ছোৱালী নিব নোৱাৰো।

—চৌধুৰী আপুনি এয়া কি কৈছে। মই সচাঁকৈ .... ....। বকুৱাই কব নোৱাৰিলে।

—অ বকুৱা মই ঠিকেই কৈছো। যৌতুক অবিহনে মই ছোৱালী নিব নোৱাৰো। এই বুলি চৌধুৰী বহাৰপৰা ঘপহকৈ উঠি দৰাৰ লগত অহা তেওঁৰ দূৰ সম্পৰ্কীয় কিছু মানুহক কথাটো কলে, লাহে লাহে কথাটো ৰভাখনীত জনাজাত হৈ গল।

ইফালে বকুৱাৰ কি হ'ল। চৌধুৰী উঠি যোৱাত বকুৱাই অন্তৰত যি এটা শোক পালে তেওঁ ঠিৰেৰে থাকিব নোৱাৰিলে। লাহে লাহে বকুৱা চকীৰ পৰা উঠি গৈ ঘৈণীয়েকৰ ওচৰলৈ কথাটো কলে। তাৰপাছত বকুৱাই মিনুৰ ওচৰলৈ গৈ মিনুক চাই ললে। ইফালে বিজু খঙত ৰব নোৱাৰা হৈছে কি কৰিব হাতেই দাঙিব নে কি কৰিব। বিজুৱে বহুত ভাবিলে চৌধুৰীক বুজাবলৈ কিন্তু ভবা মতে আগবাঢ়ি যাব নোৱাৰিলে। বিজুৰ লগৰ লৰা বোৰ বিজুৰ পৰা আদেশ শুনিবলৈ বাট চাই আছে, একেবাৰে পিটি দিয়াৰ মতলবত। কন্যা ঘৰৰ কিছু লোক দৰা ঘৰৰ ফালে হৈছে আৰু কিছুলোক কন্যা ঘৰৰ ফালে হৈছে।

মিনুক চাই বকুৱাই লাহে লাহে ৰভা ঘৰৰ পিছফালৰ বাটেদি ওলাই গল। বকুৱানী কান্দি কাটি বিহ্বল হৈছে জীয়েক মিনুৰ অবস্থালৈ চাই আৰু যৌতুকৰ কাৰণে হোৱা বিয়াখনীত হোৱা আলোচনা বিলোচনাই, লাজ অপমান মানুহজনী একেবাৰে জৰ্জৰিত হৈ পৰিছে। বীনুৱে কি কৰিব এতিয়া তাই খঙত ইফাল সিফাল কৰি আছে। মনত বহুত ভাবনা।

মিনুৱে বহুত দেৰীলৈ কথাকে জনাই নাছিল। যেতিয়া কন্যা ঘৰৰ মাইকীমানুহবোৰে নাম গাই থকা অবস্থাত হঠাৎ বন্ধ কৰি দিলে তেতিয়াহে মিনুৱে গম পালে। কাৰণ বাহিৰত চৌধুৰীৰ উচ্চ কণ্ঠস্বৰ, যিবোৰ শব্দই মিনুক থকা সৰকা কৰি দিলে। তাই লগে লগে কমৰপৰা ওলাই আহি বাহিৰত চিঞৰী থকা চৌধুৰীৰ ফালে চাই কলে, —শ্ৰদ্ধেয় চৌধুৰী ডাঙৰীয়া আপুনি মোৰ লগত যৌতুক বিচাৰিছে, বিচাৰক, কিন্তু এই কথাটো বিয়াৰ কথা ওলা-

ওতে যৌতুকৰ বিষয়ে উল্লেখ কৰিব লাগিছিল, তেতিয়া আপুনি দেউতাক যৌতুকলৈ কিয় প্ৰস্তাব দিয়া নাছিল। এতিয়া আপোনাক বিচনা লাগে, ন বোৱাৰীক আদৰি নিবলৈ আপোনাক নগদ টকা লাগে, আজি এই শেষ মুহূৰ্তত আপুনি দেউতাক যৌতুকৰ কথা কৈছে, আপোনাক এতিয়া যৌতুক লাগে, সেইকাৰণে আপুনি নিজে দৰাৰ লগত আহিছে কাৰণ আপুনি নাহিলে যৌতুকৰ কথা নোলাব আৰু ওলালেও কথাটোৱে বৰ এটা জোৰ নহব। নহয় জানো?

—মিণু হব হব। এতিয়া থাকক পিছত দেখা যাব। তই এতিয়া মনে মনে থাক। বিজুৱে মিণুক অলপ ভদ্ৰতাৰ খাটিৰত কব লাগে কাৰণেহে কলে। মিণুৱে কৈ থকা অৱস্থাত মাকৰ উপৰিও আন বিজুমানেও বাধা প্ৰদান কৰা নাছিল। কাৰণ তাই যি ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিছিল তাক বাধা দিয়াৰ শক্তি কাৰো নাছিল।

—ৰ, দাদা মোক কব দে। মিণুৱে আকৌ কবলৈ ধৰিলে মানুহৰ একতা ইয়াতে ওলাই পৰে। চৰকাৰে যৌতুক প্ৰথা উঠাই দিছে। কেৱল আমাৰ নিচিনা মানুহৰ ওপৰত উচ্চ শ্ৰেণীৰ শোষণ চলাৰ কাৰণে।

মিণু অলপ ৰল। ঠিক হঠাৎ ভিতৰৰ ৰভাত কাৰোবাৰ উচ্চ স্বৰ শুনা গল। সকলোৱে ভিতৰৰ ৰভাৰ ফালে গল। কি হল? কি হল? বুলি বৰুৱানীয়ে চিঞৰী ৰান্ধনীটোক সুধিলে।

—বাবুৱানী ঔধাৰ দেখিয়ে। ৰান্ধনীটোৱে ভয়ে ভয়ে পিছফাললৈ আঙুলিয়াই দেখুৱালে। বিজু আৰু কেইজনমান পিছফাললৈ আগবাঢ়ি গল।

—মা-আ আ-আ !!! বিজুৱে আৰ্তনাদ কৰি উঠিল।

– কি হল বিজু? মাকে চিঞৰি সুধিলে।

—বিজুৰ মুখত মাত নাই। সকলোৱে সেই দৃশ্যটো দেখিলে। বৰুৱা পিছফালৰ বাৰীৰ আমগছ জোপাত চিপজৰী লৈ ওলমি আছে। জিভা কিছু পোহৰ পৰিছে ঠাইডোখৰত। তাতে বগা ধুতি পাঞ্জাবী পিন্ধি থকা মৃত বৰুৱাক ওলমি থকাটো বৰ ভয় লগা দৃশ্য এটাৰ সৃষ্টি হৈছে।

—এয়া আপুনি কি কৰিলে, এয়া আপুনি কি কৰিলে। সাধাৰণ কথা এটাত আপুনি মৃত্যুক সাৱটি ললে। ইহঁতৰ কি অৱস্থা হব। মা-জনীৰ অৱস্থা কি হব। এইবুলি বৰুৱানী কান্দি কান্দি ঠাইতে অজ্ঞান হৈ পৰিল। বিজু আৰু কেইজন মানে লগ লাগি শটো গছজোপাৰ পৰা লৈ আহিল। বীনু কান্দি কান্দি পগলাৰ নিচিনা হৈ পৰিছে। বৰুৱানীক কেইজনীমান স্থানীয় মাইকী মানুহে শুশ্ৰুষা কৰাত ব্যস্ত হৈ পৰিল। বিয়াঘৰ একেবাৰে নিস্তব্ধ হৈ পৰিল। যেন বিয়া হৈ গল। কন্যা গল দৰাৰ লগত এতিয়া সকলোৱে বিশ্ৰাম লৈছে দিনটোৰ পৰিশ্ৰমৰ অন্তত। নিয়তিৰ কি অভিশাপ। এখনি শান্তি প্ৰিয় সুখী পৰিয়ালক একেবাৰে মানসিক দুৰৱস্থাই ভৰাই দিলে।

বিজু এইবাৰ মৃত দেউতাকৰ ওচৰৰ পৰা

উঠি আহি মাকৰ ওচৰলৈ আহিল। ঠিক হৈ যাব অ বোপাই। চিন্তা নকৰিবি। কি দৃশ্য, কি ঘটনা ঘটিল মোৰ অন্তৰত ধৰিছে গৈ অ বোপাই। এইবুলি ওচৰৰ বয়স্ক বুঢ়ী এগৰাকীয়ে বিজুক কলে। বিজুয়ে মাকক চাই কবলৈ আহিল।

—মিনাক্ষী, মা জনী কত আছে? বিজুৱে মিন্টুৰ লগৰ ছোৱালী এজনীক সুধিলে।

বিজু এইবাৰ বাহিৰলৈ গল। তাত গৈ দেখিলে দৰা ঘৰৰ সকলো যত তত বহি শোকত অধীৰ হৈ পৰিছে। ইফালে চৌধুৰী আৰু লগৰ কেইজমমান ৰভাৰ তলত নাই। বোধকৰো বাস্তাত। দৰা ভিতৰত আছে। বিজুৱে চাই উভতিব খুজোতেই মিনাক্ষী দৌৰি আহি বিজুক এইফালে আহক বুলি ভিতৰলৈ টানি লৈ গল।

—কি হল মিনাক্ষী। বিজুৱে আচৰিত হৈ সুধিলে।

—দাদা মিন্টু অথনিয়ে বাথৰুমলৈ গৈছিলে এতিয়ালৈ ওলাই অহা নাই। মিনাক্ষীয়ে আশংকা কৰি কলে।

বিজুৱে লৰা লৰিকৈ বাথৰুমৰ ওচৰলৈ গৈ দুৱাৰত ঢকিয়াই মিন্টুক মাতিলে। কিন্তু মিন্টুৰ ফালৰ পৰা কোনো সহাৰি নাই। বিজু অধৈৰ্য্য হৈ পৰিল। বিজুৰ চিঞৰত সকলো মানুহ বাথৰুমৰ ওচৰত গোট খালে। কি হল আকৌ? সকলোৰে মুখ আতঙ্কগ্ৰস্ত। চকুত প্ৰশ্নবোধক চিন। মিন্টুৰ কি হল!!

উপায় নাপায় বিজুৱে দুৱাৰখন ভাঙিবলৈ ধৰিলে। এসময়ত দুৱাৰ ভাঙিল, লগে লগে দৃশ্যমান হল মিন্টুৰ মৃতদেহ। তাইৰ গাত তেতিয়াও কন্যাৰ সাজযোৰ নিবিড় ভাবে গাত আছিল। সকলোৱে দৃশ্যটো দেখা পালে! সকলোৱে ইস্ আস্ কৰিবলৈ ধৰিলে। তাৰ বাহিৰে আৰুতো একো কৰিবই নোৱাৰি।

এই ঘটনাৰ পাছত দৰাঘৰৰ সকলো মানুহ দৰাও বিনা ছোৱালীৰে মাথো শোকৰ এটা প্ৰচণ্ড গধুৰ বোজা লৈ উভতি গল। কন্যাঘৰো খালি হৈ আহিল। বকুৰানী নিশ্চল ভাবে বিচনাত পৰিয়েই আছে। মাকৰ ওচৰত আকৌ নতুনকৈ শোৱাই দিছে অজ্ঞান হোৱা বৌণুক। কোঠাটোত মাইকী মানুহ ঠাই খাই আছে। বাহিৰত দুটা শৱ ওচৰত মতা মানুহবোৰে বেৰি আছে।

নিশা দেৱী গুচি যাব আৰু কেইটি মান মুহূৰ্ত্তৰ পাছত। আহিব পুৱাৰ ৰদালী। প্ৰকৃতিৰ এই নিয়ম চলি আছে, চলি থাকিব, মানুহো আহিছে আহি থাকিব, গৈছে গৈ থাকিব, কিন্তু মানুহৰ যি মানসিক অৱস্থা সেইটো বোধকৰো অৰ্থনৈতিক বা শাৰিৰীক ফালৰ শোকতকৈও বেছি শোক। ভগবানৰ যি ইচ্ছা সেয়ে পূৰ্ণ হয় এটা নিৰ্দিষ্ট সময়ত। এইয়ে ধৰ্মালম্বী মানুহৰ দৃঢ় বিশ্বাস, অন্যথা একো নাই।

“মৃত্যু কি ভয়াবহ, তাতোকৈ ভয়াবহ মানসিক শোক”

* * *

# সমাজ কল্যাণ ও সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ১৯৮৪-৮৫

জয় জয়ন্তে এইবাৰ বিনা প্ৰতিদ্বন্দিতাৰে সমাজ কল্যাণ ও সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হোৱাৰ সুবিধা দিয়াৰ বাবে মই "কানৈ বাণিজ্য মহাবিদ্যালয়"ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ তথা অধ্যাপক অধ্যাপিকা সকলক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই অৰ্থাৎ ১৮ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈ আমাৰ মহাবিদ্যালয়ৰ ২২ তম মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। গতিকে নানা অসুবিধাৰ মাজেৰে অতি খৰতকীয়া ভাৱে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ আয়োজন কৰো।

"মহাবিদ্যালয় সপ্তাহ" মাঘ বিহুৰ পিছতেই পাতিব লগীয়া হোৱাৰ কাৰণে এইবাৰৰ প্ৰতিযোগিতা সমূহত অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীকহে অংশ গ্ৰহণ কৰা দেখা যায়। কোনো প্ৰতিযোগী নোলোৱাৰ কাৰণে এইবাৰ "ভেশচন প্ৰতিযোগিতা" অনুষ্ঠিত নহল।

এই বছৰৰ তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল—"সদনৰ মতে ৰাজ্য সমূহক অধিকতৰ ক্ষমতা দিলেহে আঞ্চলিক অৰ্থনৈতিক বৈষম্য দূৰ কৰিব পৰা যাব।" কিন্তু দুখৰ বিষয় প্ৰতিযোগীৰ সংখ্যা তেনেই কম হয়।

আগৰ বছৰ বোৰৰ দৰে চিত্ৰ অঙ্কন প্ৰতিযোগিতাৰ প্ৰতিযোগী সকলক ঘৰৰ পৰা চিত্ৰ সমূহ আঁকি আনি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ নিদি On The Spot Competition পতা হয়। গতিকে এইবাৰৰ ক'লা প্ৰতিযোগিতাৰ প্ৰতিযোগী কম হোৱা সত্বেও প্ৰতিযোগিতা উচ্চ মানদণ্ডৰ হয়।

নাট প্ৰতিযোগিতাত এইবাৰ প্ৰায় ৯ খন নাটকে অংশ গ্ৰহণ কৰে। আৰু নাট সমূহ উচ্চ মানদণ্ডৰ হয়।

প্ৰায় তিনি-চাৰি বছৰৰ পিছত এইবাৰ মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা নিশা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। বেচ উলহ মালহেৰে এইবাৰৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

ইয়াৰ উপৰিও প্ৰত্যেক বছৰৰ দৰে "শ্ৰী শ্ৰীসৰস্বতী পূজা" অনুষ্টুপিয়াকৈ পালন কৰা হয়। এইদৰেই মোৰ কাৰ্য্যকাল অতিবাহিত হয়।

আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগিতা সমূহ পতাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হব লগা হয়। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ অৱস্থা অতি দুখ লগা। মহাবিদ্যালয়ৰ মঞ্চৰ নিজস্ব পৰ্দা (Screen) নাই। তাৰ উপৰি প্ৰেক্ষাগৃহৰ বিজুলী বাতিৰ অৱস্থাও তথৈবচ। সংস্কৃতিক বিভাগৰ পুঁজিৰ পৰিমাণ অতি কম হোৱাৰ কাৰণে এই বিলাক বস্তু কিনি আনিব নোৱাৰি ভাড়াত আনিব লগা হয়। গতিকে প্ৰেক্ষাগৃহৰ অৱস্থা উন্নত কৰিবৰ কাৰণে

মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক টানি অনুৰুধ জনাইছো ।

প্ৰতিবেদন শেষ কৰাৰ আগতে মোৰ কাৰ্য্যকালত সহায় আগবঢ়োৱা মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত গোপাল শৰ্মা, অধ্যাপক শ্ৰীযুত দেৱৰঞ্জন ধৰ, অধ্যাপক শ্ৰীযুত দেৱব্ৰত বৰুৱা তথা সকলো অধ্যাপক-অধ্যাপিকাক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

লগতে মোৰ কাৰ্য্য কালত সহায় আগবঢ়োৱা ছাত্ৰ বন্ধু বিশেষকৈ বিশ্বজিত গোহাঁই, অৰুণেশ চৌধুৰী, বিষ্ণু মহন্ত, মিঠু ভট্টাচাৰ্য, দীপক দাস আদিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

সদৌ শেষত মহাবিদ্যালয়ৰ আলোচনী তথা মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো ।

শ্ৰীদেৱজিৎ শৰ্মা

সমাজ কল্যাণ ও সাংস্কৃতিক বিভাগৰ সম্পাদক

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

১৯৮৪-৮৫ ।

* * *

# সংগীত বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

## ১৯৮৪-৮৫ চন।

জয়জয়তেই ডিব্ৰুগড় কানৈ বাণিজ্য মহা-বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী তথা শিক্ষাগুৰু সকল লৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। মহাবিদ্যালয় খনৰ ছাত্ৰছাত্ৰী বন্ধু বান্ধৱী সকলে যি ১৯৮৪-৮৫ চনৰ বাবে মোক সংগীত বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ লবলৈ সুবিধা দিলে তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী তথা বন্ধু বৰ্গলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

